# CONTENTS

## BUDGET (II) SESSION

**No 9**

**Dated, the 21st Dec. 1996**


| | | Page |
|---|---|---|
| 1. | Private Members Motions | 1 |
| 2. | Announcement From The Chair | 63 |
| 3. | Adjournment | 66 |

REFERENCE
(NOT FOR ISSUE)
Reading Only Inside Library.

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Saturday, the 21st December, 1996

The House met at 9 A.M. of the Clock in the Assembly Chamber at Dispur with Mr. Ganesh Kutum, Speaker in the Chair.

Mr. Speaker : Now, item No. 1—Private Members Motion. There are as many as 3 Private Members' Motions.

The first motion stands in the name of—

Shri Hitendra Nath Goswami.
Shri Prabin Hazarika.
Shri Binod Gowala.

The second motion stands in the name of—

Shri Atul Bora.
Shri Binod Gowala.
Shri Derhegra Mochahary.
Shri Hemanta Kalita.

And, the third motion stands in the name of—

Shri Hemanta Kalita.
Shri Atul Bora.
Shri Dilip Kumar Saikia.
Shri Sukhendu Shekar Dutta.
Shri Gautam Roy.
Shri Alauddin Sarkar.

I now request the Hon'ble Member Shri Hemanta Kalita to move his motion and speak on it.

★ শ্ৰীহেমন্ত কলিতা ঃ "আজি অসম বিধান সভাই প্ৰস্তাৱ গ্ৰহণ কৰে যে অসমৰ প্ৰত্যেক বিধান সভাৰ সমষ্টিৰ বাবে বিধান সভাৰ সমষ্টিবোৰৰ জনসাধাৰণৰ সুবিধাৰ অৰ্থে ৰাজধানীৰ আশেপাশে প্ৰত্যেক বিধান সভাৰ সমষ্টিৰ নামত দুই বিঘাকৈ বিনামূলীয়াকৈ চৰকাৰে ভূমি আৱণ্টন কৰাৰ ব্যৱস্থা কৰা হওঁক। বিধান সভাই আৰু প্ৰস্তাব গ্ৰহণ কৰে যে অসম চৰকাৰে ২ বিঘা মাটি আৱণ্টন দিয়াৰ পাচতে প্ৰত্যেক সমষ্টিৰ দান বৰঙণিৰে ঘৰ দুৱাৰ নিৰ্ম্মানৰ কাম কৰা হওঁক।" অধ্যক্ষ মহোদয়, আজি এই প্ৰস্তাৱটো এই কাৰণে আগবঢ়াইছো যে দেখা গৈছে অসমৰ বিভিন্ন ঠাইৰ জনসাধাৰণ আহি সমষ্টিৰ বিধায়কৰ লগত যোগাযোগ কৰাৰ বাবে বা কোনো ব্যক্তিগত কামৰ বাবে হোটেল আদিত থাকিব লগা হয়। এই দুৰ্দশাগ্ৰস্ত ৰাইজে বিভিন্ন ধৰণে ধন সংগ্ৰহ কৰি বা কাৰোবাৰ পৰা ধাৰ কৰি ব্যক্তিগত কাম বা ৰাজহুৱা অনুস্থানৰ কাম লৈ আহিব লগা হয়। গতিকে প্ৰত্যেক সমষ্টিৰ নামত যদি একোটা ৰাজহুৱা ভৱন নিৰ্ম্মান কৰা হয় তেনেহলে এই দুখীয়া ৰাইজৰ যিসকল অৰ্থনৈতিক ভাৱে দূৰ্বল তেওঁলোকে সকাহ পাব। তাৰোপৰি তেওঁলোকক বিভিন্ন আচাৰ নীতি নিয়ম লোক সংস্কৃতি আদি বিষয়ে আভাষ পোৱা যাব। গতিকে মই এই প্ৰস্তাৱটো উৎথাপন কৰিছো আৰু বিধান সভাত গ্ৰহণ কৰিব বুলি আশা কৰিলো। আনকি বিভিন্ন ধৰণৰ ব্যক্তি যিসকলে ৰাজনৈতিক বা ব্যক্তিগত কামত আহে আৰু তেওঁলোক বিধান সভালৈ নিৰ্ব্বাচিত হোৱা নাই তেনে লোকে বিধান সভাৰ হোষ্টেলত চিট নাপায়। গতিকে এই প্ৰস্তাৱটো আগবঢ়োৱা হৈছে যাতে বিভিন্ন কামত অহা সকলো শ্ৰেণীৰ লোকক আমি সুৰক্ষা দিব পাৰো। গতিকে মই আশা কৰিছো সদনে সৰ্ব্বসন্মতিক্ৰমে এইটো গ্ৰহণ কৰি এই লোক সকলক উপকৃত কৰিব।

★ ডাঃ অৰ্ধেন্দু কুমাৰ দে ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য হেমন্ত কলিতা আৰু অন্যান্য সদস্য সকলে যিটো প্ৰস্তাব আনিছে এই প্ৰস্তাৱৰ মই বিৰোধীতা নকৰো কিন্তু তাত কিছুমান টেকনিকেল পইণ্ট আছে। কথাটো হৈছে যে যি দুই বিঘা মাটি আমি চৰকাৰৰ পৰা বিছাৰিছো এটা মোচনৰ মাধ্যমেৰে আৰু কি কাৰণে এই মাটিটো লাগে প্ৰত্যেক সমষ্টিৰ কাৰণে তেখেত সকলে এইটো কৈছে। কিন্তু আগৰ অভিজ্ঞতাৰ পৰা দেখিছো বহুতো তেনেকুৱা ধৰণৰ ইন্‌ষ্টিটিউচনৰ কাৰণে আমি লেণ্ড এডভাইচৰী বোৰ্ডৰ পৰা

★ Speech not Corrected

আমি জমা লৈছো তাৰ যি উদ্দেশ্য সেই উদ্দেশ্য ইমপ্লিমেনটেচন নহয় । কিহৰ কাৰণে নহয় তাৰ আচল কথাটো হ'ল টকা পইচা । আজি ইয়াত মাননীয় সদস্য সকলে কৈছে যে সেই মাটিত ঘৰ নিৰ্ম্মান কৰিব কিন্তু ইয়াৰ বাবে ক'ৰ পৰা ধন আদায় কৰিব । যদি দান বৰঙণি মাননীয় সদস্য সকলে আগবঢ়াই তেতিয়া আমাৰ যি সকল সাংবাদিক আছে তেখেত সকলে কব যে বিধায়ক সকলে তেওঁলোকৰ পাৱাৰ মিচইউজ কৰি হাজাৰ হাজাৰ টকা আদায় কৰিছে । গতিকে যিমান বিলাক টকা আহিব সেই বিলাক ভাল ভাৱে খৰছ নহব আৰু কোৰাপচনৰ চাৰ্জ আহিব । গতিকে টাৰ্মচ কনণ্ডিচন বিলাক প্ৰপাৰলি ৰিফ্লেক্ট কৰিব লাগে । এই দুই বিঘা জমিৰ লগত বিধায়ক সকল কিমান দূৰ ইনভোলভ থাকিব ইনভোলভ থাকিব নে নাই, কোনকোন থকিব, কমিটি কৰিব নে নাই সেই কমিটিতত কোন কোন থাকিব, তাৰওপৰি মেইনটেনেন্সৰ কথা আছে । ক্লাচফোৰ ষ্টাফ লাগিব তেনেকৈ গোটেই কথাটো গৰ্মেণ্টৰ ওপৰত পৰিব । মই ভাবো এম, এল, এ সকলৰ কাৰণে প্ৰতি বছৰে টকা দিয়া হয় সেইটো ১০ লাখ দিয়া হয়, সেইটো আমি ৩০ লাখ কৰিবলৈ মুখ্য মন্ত্ৰীক আবেদন জনাই আছো । এই এম, এল, এ ফাণ্ডৰ টকাৰে আটি টোপালে ঘৰ বনাব পাৰি । আৰু চৰকাৰৰ তৰফৰ পৰা কেয়াৰ টেকাৰ, ক্লাচফোৰ এমপ্লয়ি আৰু বহুতো কিবা-কিবি দৰ্কাৰ সেই বিলাক দিব লাগিব । আৰু বহুতো দায় দায়ত্বৰ প্ৰশ্ন আহিব বুলি মই ভাৱো । মাননীয় সদস্যৰ উদ্দেশ্য মহৎ । কিন্তু সেই মহৎ উদ্দেশ্যৰ পৰা যাতে বিচলিত নহয় সেইটো আমি বিছাৰিছো । তেখেত প্ৰথমবাৰ বিধান সভালৈ আহিছে । মই তিনিবাৰ আহিছো । পাব্লিকৰ সম্পৰ্কত তিক্ত অভিজ্ঞতা হৈছে । টকাৰ অভাৱত বহুত সামাজিক সংগঠনৰ মাটি এনেই পৰি আছে । গতিকে আগতে টাৰ্মচ এণ্ড কণ্ডিচন ঠিক কৰি লব লাগিব । কেয়াৰ টেকাৰ, ৪ৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী, লাইট পানীৰ বিল কোনে দিব ? নহলে একো কাম নহব আৰু সেই মাটিত এম, এল, এৰ ঘৰ হব ।

★ মোস্তাফা শ্বহীদুল ইচলাম : অধ্যক্ষ মহোদয়, এই প্ৰস্তাৱটো অহাটো বৰ আনন্দৰ কথা । অভাৱেই আবিস্কাৰৰ মূল । গুৱাহাটী অসমৰ ৰাজনৈতিক, সাংস্কৃতিক আৰু শিক্ষাৰ প্ৰাণকেন্দ্ৰ । প্ৰতি সমষ্টিৰ পৰা অহা দুখীয়া লোকৰ চিকিৎসা, ছাত্ৰ-ছাত্ৰীৰ পঢ়াৰ ব্যৱস্থা আদিৰ সুবিধা হব । ১২৬ টা বিধান সভা সমষ্টিৰ বাবে এম, এল, এ ফাণ্ডৰ পৰা হলেও ব্যৱস্থা কৰাটো

★ Speech not Corrected

প্ৰয়োজন। ধুবুৰীৰ পৰা শদিয়ালৈ দুদিনৰ সময় লাগে। ধুবুৰীৰ পৰা অহা মানুহজন আহি পাওঁতে বহুত পলম হয়। ১৯৩৭ চনৰ পৰা বিধায়ক হৈ অহা হৈছে কিন্তু এই বিষয়টো আজিহে চিন্তা কৰা হৈচে। এই ব্যৱস্থাৰ দ্বাৰা গৰীব ৰাইজ তথা ছাত্ৰ-ছাত্ৰী উপকৃত হব। গতিকে প্ৰতিটো সমষ্টিৰ বাবে বৃহত্তৰ স্বাৰ্থৰ খাতিৰত যাতে দুবিঘাকৈ মাটি দিয়া হয়। কলিকতা অসম ভৱনৰ মাটি জনতা চৰকাৰৰ সময়ত বিক্ৰী কৰিছে। ঠিক তেনেকৈ মেধাবী ছাত্ৰ-ছাত্ৰী সকলে দিল্লীৰ অসম ভৱনত থকাৰ সুবিধা নাই। গোপীনাথ বৰদলৈৰ দিনৰ পৰা এই কথা বিলাক চিন্তা কৰা নাছিল। ভৱিষ্যতৰ কথা চিন্তা কৰি মাটি সংৰক্ষণ কৰাটো অতি অপৰিহাৰ্য্য।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া : অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰতিটো সমষ্টিৰ বাবে দুবিঘাকৈ বিনামূলীয়াকৈ মাটি আবণ্টন কৰাৰ যি প্ৰস্তাৱ আহিছে এইটো ভাল প্ৰস্তাৱ। অসমীয়া নেতাই হওক বা বিষয়াই হওক অদূৰদৰ্শিতা। এই অদূৰদৰ্শিতাৰ বাবে কলিকতাৰ অসম ভৱনৰ মাটি ব্যৱসায়ীক বিক্ৰী কৰা হল। এইটো বৰ লাজ আৰু দুখৰ কথা। আমাৰ নেতা, বিষয়া কৰ্ম্ম-চাৰীৰ মনবিলাক ঠেক। গুৱাহাটীত আজি কেইখন খেল পথাৰ আছে ? অসমৰ বাহিৰৰ ৰাজ্য বিলাকত অজস্ৰ খেল পথাৰ আছে। মই আশা ৰাখিছো এই ২বিঘা মাটিৰ অপব্যৱহাৰ নহয়। এই গোটেই বিষয়টো চৰকাৰে চোৱা-চিতা কৰিব লাগে। শদিয়া, ধেমাজি আদিৰ পৰা ৰাইজ বিভিন্ন কামত আহে। শিক্ষা, চাকৰি আদিৰ বাবে মানুহ গুৱাহাটীলৈ আহে। গুৱাহাটীলৈ ধেমাজিৰ পৰা আহোতে বাছ ভাড়া ১৫০টকা লাগে। ভাত খোৱাত ২০ টকা, চাহ খোৱাত ১০টা মুঠতে ১৭০টকা খৰছ হয়। ইয়াত খোৱা বোৱা, হোটেল ভাড়া আদিত এশটকা লাগে। গতিকে ইয়াত থকাৰ বাবে ২০/৪০টকা ললে ৰাইজ উপকৃত হব পাৰিব। এবিটাক মাটি কিয় দিয়া হল ? তেওঁলোকৰ মাটি কিনাৰ ক্ষমতা আছে। হেঙেৰা-বাৰীত ৫০ বিঘা মাটি দিয়া হৈছে। মই আশা ৰাখিছো এই প্ৰস্তাৱত বিধায়কসকলে সমৰ্থন জনাব। ভাৰত স্বাধীন হোৱা ৫০ বছৰ হল। দিল্লীলৈ চিকিৎসাৰ বাবে, পঢ়াৰ বাবে যায় কিন্তু অসম ভৱনত থকাৰ সুবিধা নাপায়। মন্ত্ৰী, বিধায়ক, অফিছাৰে লিখি দিলেহে চিট পায়।

মাননীয় অধ্যক্ষ মহোদয়, অসমৰ বাহিৰত থকা আসাম হাউচত সৰ্ব্ব-সাধাৰণ লোকে থাকিবলৈ সুবিধা নাপায়। কোনোবা মন্ত্ৰী, বিধায়ক বা

★ Speech not Corrected

ডাঙৰ ডাঙৰ অফিচাৰ সকলে টেলিফোন কৰিয়ে তাত চিট পায়। গৰীব লোকৰ লগত ডাঙৰ বিষয়া সকলৰ লগত কোনো সম্বন্ধ নাই। কিন্তু অধ্যক্ষ ডাঙৰীয়া, আজি আমি আশা ৰাখিছো ভৱিষ্যতৰ কথা চিন্তা কৰি এই কামখিনি কৰিলে ভাল হব। গুৱাহাটীত ২ বিঘাকৈ মাটি দিয়াটো আমাৰ ৰাজহ মন্ত্রী ডাঙৰীয়াই কৰিব পাৰিব। মাটি কিনিবৰ কাৰণে যিখিনি টকা দিয়া হয় সেইখিনি যাতে মিচইউজ নহয়, সেইখিনি চাই-চিন্তি কৰিব লাগে। আমাৰ বিধায়ক সকলে কৈছে যে আজি এইবিলাক কথা এ, জি, পি, চৰকাৰ থকা কাৰণে কৈছে। কংগ্রেছ চৰকাৰ থাকিলে তেওঁলোকে কব সেইটো নহয়। বিভিন্ন ব্যক্তিয়ে আসাম হাউচত থাকিবৰ কাৰণে সুবিধা পাব লাগে। আইন প্রনয়ণ কৰি হলেও এই সুবিধা কণ দিব লাগে। সেইকাৰণে মই মাননীয় অধ্যক্ষ ডাঙৰীয়া আৰু বিধায়ক সকলক সমর্থন জনাবৰ বাবে মোৰ ফালৰ পৰা আহ্বান জনাইছো আৰু ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছো।

Shri Sukhendu Shekhor Dutta : Mr. Speaker sir, while supporting the motion I would like to put forward certain suggestions in this connection. What I want to say is that it is really a genuine problem faced by people who are often coming to stay at Guwahati for various official works. College teachers and other such associations coming to Guwahati for their works are often facing troubles for want of such type of guest house. I felt it necessary to build such a gurst house for their benefit. Such type of guest house is essential for the people of every constituency, particularly for poor people who have no scope, no capacity to stay in a hotel by paying exhorbitant price. They can very well be accommodated in a hostel at a low price which will be a great help for the people all the time to come. Regarding funds sir, what I want, if we all contribute a meagre sum of money for such a good work it will not be a problem to construct. If we are conscious

about this I can apprise the people about the plan so that they can contribute for such tupe of construction of guest house. I think sir everybody will contribute something so that people going to stay at Guwahati will be benefitted. The proposal which is proposed for such a good work if we contribute some money out of M. L. A's development fund, then definitely, all the Hon'ble Members will generously contribute without any hesitation. We can build up Guest House in the name of every constituency-wise like Assam House, say Dhemaji House, Kamrup House or Karimganj House. Regarding recurring expenditure of the Institution a small collection will surve the purpose. A small amount of Rs. 2/-or Rs. 5/- may be collected for this purpose and this will not be a problem. There will not be any corruption in the collection of money and in the mainteance of the House. I strongly support the construction of such type of House for each and every constituency. Thank you sir.

★ শ্ৰীগৌতম ৰয় : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক দিলীপ কুমাৰ শইকীয়াদেৱে আগবঢ়োৱা বক্তব্যখিনি খুউব ভাল হৈছে। আমাৰ ৰাজহ মন্ত্ৰীৰ ওচৰত আমাৰ বিশ্বাস আছে। তেখেত এজন শক্তিশালী মন্ত্ৰী। তেখেতে অতি সোনকালে এই কামবিলাক কৰিব পাৰিব। মই এটা কথা জনাব বিচাৰিছো যে মাটিখিনিত ঘৰ বান্ধিবৰ কাৰণে আমাৰ বিধায়ক সকলৰ ফাণ্ডৰ টকাখিনিয়ে যথেষ্ট নহয়। ১০ লাখ টকা দিয়ে আমি বিচাৰিছো ২০ লাখ টকা সেইটোও নহয়। ৩০ লাখ মান টকা দিলে ভাল হয়। মহাৰাষ্ট্ৰত ৫০ লাখ টকা দিয়ে। টকা কালেকচন কৰি বনালে নহব। ষ্টেট ফাণ্ডৰ পৰা টকা দিব লাগিব। ঘৰটো মেইনটেনেন্স কৰিবৰ কাৰণে মেটেৰিয়েলচ নাথাকে বহুত বেছি কাম হব। সেইকাৰণে বিধায়কৰ ফাণ্ডৰ পৰা টকা মোকলাই দিব লাগিব আৰু কালেকচন কৰি হলেও দিব লাগিব। কলেজৰ নামত টকা কালেকচন কৰা হয়। এইখন বিচিষ্ট

★ Speech not Corrected

মোৰ হাতত আছে। সেইকাৰণে মই কৈছো আমাৰ বিধায়ক ডাঙৰীয়াই কোৱা কথাখিনি ভাল হৈছে। আমি সকলোৱে মিলিজুলি একেলগে কাম-বিলাক কৰিব লাগে। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

শ্ৰীশেখ আব্দুল হামিদ : মাননীয় অধ্যক্ষ মহোদয়, আজি বিধান সভাত প্ৰাইভেট মেম্বাৰ বিলৰ ওপৰত মাননীয় সদস্য শ্ৰীহেমন্ত কলিতা, শ্ৰীদিলিপ শইকীয়া আৰু শ্ৰীগৌতম ৰয়কে ধৰি যি সকল মাননীয় সদস্যই আবাস গৃহ নিৰ্ম্মানৰ ক্ষেত্ৰত যিটো প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱটো আমি সৰ্ব্বান্তকৰণে সমৰ্থন জনাইছো আৰু এই প্ৰস্তাৱ আগবঢ়োৱাৰ কাৰণে ধন্যবাদ জনাইছো। অধ্যক্ষ মহোদয়, আমি দেখিছো অসমৰ বিভিন্ন প্ৰান্তৰ পৰা আমাৰ বিধায়ক সকলৰ সমষ্টিৰ পৰা জনসাধাৰণ গুৱাহাটিলৈ বিভিন্ন সামাজিমূলক আৰু চৰকাৰী কাম লৈ আহে কিন্তু গুৱাহাটিত আহি তেওঁলোকে থকা-মেলাৰ অসুবিধাৰ কাৰণে দুৰ্ভোগ ভুগিব লগীয়া হয় আৰু অবাবতে খৰস্ৰাত হব লগীয়া হয়। গতিকে প্ৰস্তাৱ অনুসৰি যদি আমাৰ সমষ্টিৰ নামত মাটি আবণ্টন দিয়া হয় তেতিয়াহলে আমি নিজৰ খৰচত আবাস গৃহ বন্ধাই লোৱাত বিশেষ অসুবিধা নহব। কিন্তু ইয়াত যি ২ বিঘা মাটি আবণ্টনৰ কথা কৈছে আচলতে সেই মাটি পৰ্য্যাপ্ত নহয় আৰু অতি কমেও সেই মাটিৰ পৰিমান ৫ বিঘা হব লাগে। বৰ্ত্তমান গুৱাহাটি চহৰত মাটি বেদখল চলিছে, সেইমতে অহা ১০ বছৰৰ ভিতৰত গুৱাহাটিত মাটি নোহোৱা হৈ যাব। গতিকে এই আবাস গৃহৰ নামত ৫ বিঘা মাটি আবণ্টন দিলে ই ব্যক্তিগত সম্পত্তি নহব ই চৰকাৰৰ সম্পত্তি হব আৰু ভবিষ্যতে আমাৰ যি সকল উত্তৰ পুৰুষ আহিব তেওঁলোকৰ কাৰণে এই ব্যৱস্থাটো অতি বাস্তৱ সন্মত হব। আমাৰ আগৰ বক্তা সকলে কৈ গৈছে যে যদি গুৱাহাটিলৈ কোনো এজন লোক বিশেষ কামত আহে তেওঁ অতি কমেও ৯০০ টকা দৈনিক খৰচ কৰিব লগীয়া হয় কেবল থকা-মেলাৰ কাৰণে। গতিকে ৫ বিঘাকৈ মাটি দিয়াৰ পিচত আমাৰ ঘৰ নিৰ্ম্মান কৰি লোৱাত টকা-পইচাৰ সিমান অসুবিধা নহব। আৰু এই আবাস গৃহ বিলাক এতিয়া যেনেকৈ বিধান সভাৰ বিধায়কৰ হোষ্টেল বিলাক মাননীয় অধ্যক্ষৰ তত্বাৱধানত চোৱাচিতা হৈ থাকে তেনেকৈ সেই আবাস গৃহ বিলাকৰ মেইনটিনেন্স মাননীয় অধ্যক্ষৰ তত্বাৱধানত থাকিলে কোনো অসুবিধা নহব আৰু ইয়াৰ সমস্ত পৰিচালনাৰ দায়িত্বত মাননীয় অধ্যক্ষ দায়িত্বত থাকিব। গতিকে মই ভাবো আজি আমি দল মত নিৰ্ব্বিশেষে

সকলো সদস্যই এই প্ৰস্তাৱটো সমৰ্থন জনাব লাগে আৰু এই প্ৰস্তাৱটো সদনত গৃহিত হলে ই অসম বিধান সভাৰ কাৰ্য্যকালত সোনালী আখৰেৰে জিলিকি থাকিব, গতিকে এই দশম বিধান সভাৰ নাম পবিত্ৰ সদনত সদায় স্মৰণীয় হৈ থাকিব। মই আশা কৰিছো সকলো সদস্যই এই প্ৰস্তাৱটো সমৰ্থন জনাব। এই খিনিকে কৈ সামৰণি মাৰিলো।

★ শ্ৰীখলিলুৰ ৰহমান চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি এই পবিত্ৰ সদনত প্ৰাইভেট মেম্বাৰ বিলৰ ওপৰত মাননীয় সদস্য হেমন্ত কলিতা ডাঙৰীয়া প্ৰমুখ্যে যি সকল মাননীয় সদস্য ই আবাস গৃহ নিৰ্ম্মানৰ সম্পৰ্কত যিটো প্ৰস্তাৱ আনিছে এই প্ৰস্তাৱটো আমাৰ সকলোৰে কাৰণে সমগ্ৰ অসমৰ জনসাধাৰণৰ কাৰণে আদৰণীয় প্ৰস্তাৱ হৈছে। স্বাধীনতাৰ ৫০ বছৰৰ ইতিহাসত যি সকল জনসাধাৰণে যি সকল ভোটাৰে আমাক এই বিধান সভালৈ ভোট দি নিৰ্বাচিত কৰি পঠাইছিল সেই সকলৰ কাৰণে আমি এনে এটা আদৰণীয় প্ৰস্তাৱ লোৱা নাছিলো। বোধহয় এই বিধান সভাতেই প্ৰথম বাৰৰ বাবে এনে ধৰণৰ এটা প্ৰস্তাৱ আহিছে। আমাৰ এগৰাকী মাননীয় সদস্যই ইতেমধ্যেই উল্লখ কৰি গৈছে যে আমাৰ ৰাইজে যিকোনো সমাজমূলক কাম কৰিবলৈ দিশপুৰলৈ আহি গুৱাহাটীত এনিশা থাকিবলগীয়া হলেই অতি কমেও ১০০ টকা লাগে, অথচ আমাৰ যি সকল নিম্ন আয়ৰ লোক আছে তেওঁলোকে ঘৰৰ ধান বিক্ৰী কৰি গৰু-ছাগলী বিক্ৰী কৰি আহি গুৱাহাটী পায়হি তাকো গুৱাহাটীত কাম নহলে হোটেলত থাকিব লগীয়া হলে নানান অসুবিধাত পৰিব লগীয়া হয়, থকা-মেলাৰ অসুবিধা আৰু অত্যাধিক খৰস্ৰান্ত হব লগীয়া হয়। অৱশ্যে আমি যিমান দূৰ পাৰো আমাৰ সমষ্টিৰ পৰা ৰাইজ আহিলে আমাৰ বিধায়কৰ হোষ্টেলত থকা আবাস গৃহত ৰাখো, কোনো কোনো সময়ত ৰাতি কাৰপেটতে কটাব লগীয়া হয়, আমি নিজৰ বিছনা এৰি দিও, কিন্তু এই ব্যৱস্থাই পয্যাপ্ত নহয়, সমষ্টিৰ ৰাইজে বাহিৰত গৈ হোটেলত থাকিবলৈ যথেষ্ট টকা-পইচা খৰচ কৰিব নোৱাৰে। গতিকে এনে এটা অৱস্থাৰ পৰিপ্ৰেক্ষিতত এই যিটো প্ৰস্তাৱ সদনত আহিছে, ই সকলোৰে আদৰণীয় হৈছে। আজিৰ এই প্ৰস্তাৱটো যদি সদনত গৃহত হয় তেতিয়াহলে অসমৰ গাৱে-ভূঞে সকলো ৰাইজে আনন্দত উৎফুল্ল হব। কিয়নো যদি সমষ্টিৰ ৰাইজৰ কাৰণে যদি ঘৰ নিৰ্ম্মান কৰিব পৰা যায় তেওঁলোক উপকৃত হব। আমাৰ মাননীয়

★ Speech not Corrected

বন্ধুবৰ শ্ৰীগৌতম ৰায় ডাঙৰীয়াই কৈছে যে এই আবাস গৃহ বিলাক একে ধৰণৰ হব লাগে তেতিয়া কাৰো আপত্তি নাথাকিব আৰু ৰাইজ দৰাচলতে উপকৃত হব, তাত কোনো ধৰণৰ বৈষম্য নাথাকিব। আগতে কৈ অহা মতে এই আবাস গৃহ বিলাকৰ মেইনটিনেন্স বা পৰিচালনাৰ দায়িত্ব মাননীয় অধ্যক্ষৰ হাতত থাকিলে ভাল হব। তাৰোপৰি যিহেতু ৰাইজে একেদিনতে ১০০ টকা দৈনিক বাহিৰত খৰচ কৰিব লগীয়া হয় তেনে ক্ষেত্ৰত সেই আবাস গৃহ বিলাকত থকাৰ বাবত যত সামান্য ১০।২০ টকা ফীজ বা ৰেট মেইনটিনেন্সৰ বাবত খৰচ কৰিব পাৰিব যিটো নেকি বিজুলী বা অন্যান্য খৰচ উলিয়াব পৰা যাব। গতিকে মই দিঘলীয়া নকৰো এই প্ৰস্তাৱটো দল বল নিৰ্ব্বিশেষে যাতে সকলোয়ে সমৰ্থন জনাই তাকে অনুৰোধ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

★ শ্ৰীওৱাজেদ আলী চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি যিটো প্ৰস্তাৱ অনা হৈছে যে, প্ৰত্যেক সমষ্টিৰ কাৰণে এটা এটা আৱাস গৃহ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিব লাগে আৰু মাটি আৱণ্টন দিয়াৰ বাবে সিদ্ধান্ত লব লাগে এইটো এটা ভাল প্ৰস্তাৱ হৈছে । কিন্তু ইয়াৰ লগত কিছুমান সমস্যাও আছে । আজি দেখা গৈছে গাখীৰত পানী মিহলাইছে আৰু ভাল গাখীৰ খাবলৈ হলে গৰু পুহিব লাগিব আৰু এইটো কৰিবলৈ হলে গৰু চোৱাৰ বাবে এজন কৰ্ম্মচাৰী লাগিব। যিটো দান বৰঙণিৰ কথা কৈছে সেই ক্ষেত্ৰত মই কব বিচাৰিছো যে, মোৰ দক্ষিণ শালমৰা সমষ্টিটো সম্পূৰ্ণৰূপে চৰ এলেকা। যৰ পৰা ১০০ টকাও কলেক্ট কৰা সম্ভৱপৰ নহয়। যিবিলাক সমষ্টিত ইনকাম ৰ্চ আছে সেইবিলাক সমষ্টিৰ পৰা টকা আনি ভৱন নিৰ্ম্মান কৰিব পৰা যাব। কিন্তু মোৰ সমষ্টিৰ পৰা টকা আনি খেৰৰ ঘৰো বনাব নোৱাৰো । গতিকে এই দায়িত্বটো অধ্যক্ষ মহোদয়ে ললে ভাল হয় । কিন্তু দান বৰঙণি দি এইটো কৰাটো সম্ভৱপৰ নহয় । বিধায়ক সকলৰ বাবে হোষ্টেল আছে । এই হোষ্টেলৰ বিজুলীবাতি চোৱাৰ বাবে ইলেকট্ৰিচিটি বিভাগ, খোৱা পানীৰ বাবে পাব্লিক হেলথ বিভাগ আৰু ঘৰ মেৰামতিৰ বাবে পি, ডাব্লিও, দি বিভাগ আদি থকা স্বত্বেও আজি আমি সম্পূৰ্ণৰূপে সুবিধাবিলাক পাইছোনে? পোৱা নাই । কিন্তু আজি যিটো প্ৰস্তাৱ আনিছে সেইটো ভাল প্ৰস্তাৱ। গতিকে ঘৰ নিৰ্ম্মান কৰাৰ পিচত চৰকাৰে মেইনটেনেন্সৰ দায়িত্ব লব লাগিব।

★ Speech not Corrected

নহলে অধ্যক্ষ মহোদয়ে লব লাগিব । নহলে এইটো কাৰ্য্যকৰী নহব । এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো ।

★ শ্ৰীহীৰেন কুমাৰ দাস : অধ্যক্ষ মহোদয় এইখিনিতে মই এটা কথা কব বিচাৰিছো যে, মাননীয় সদস্য খলিলুৰ ৰহমান ডাঙৰীয়াই এই সম্পৰ্কত যথেষ্ট কৈছে । এই প্ৰস্তাৱটো গ্ৰহন কৰিলে ধুবুৰীৰ পৰা শদিয়ালৈকে সকলো জনসাধাৰণে ভাল পাব কিন্তু বিধায়কৰ সমষ্টিৰ আৱাস গৃহৰ বাবে গুৱাহাটীৰ মাজ মজিয়াতে মাটি হলে ভাল হয় কিন্তু ওদালগুৰি বা আন ঠাইত হলে অসুবিধা হব । মাটিখিনি লৈ ঘৰ বনাওঁক কিন্তু পিচত এদেও দুদেও লোটা নিয়া চেও হলে অসুবিধা হব । গতিকে ভালদৰে চকু দিব লাগিব । কিন্তু কথাটো হল মাটি কাৰ নামত থাকিব ? এইটো ঠিক কৰি লব লাগিব । দান বৰঙণিৰ পৰা যিবিলাক অনুস্থান প্ৰতিস্থান গঢ়ি উঠিছে সেইটো সচাঁকথা । কিন্তু যিবিলাক দুখীয়া সমষ্টি সেইবিলাকৰ পৰা ১০ পইচা বা ১০ টকাও আদায় কৰা সম্ভৱ নহয় । গতিকে চৰকাৰে মাটি দিয়াৰ লগতে ঘৰ নিৰ্ম্মান কৰি দিব লাগিব । কোন আহিত ঘৰ নিৰ্ম্মান কৰিব কিমান টকা লাগিব, ঘৰ সম্পুৰ্ণ হোৱাৰ পিচত কোনে মেইনটেইন কৰিব এই সকলোবিলাক কথা চিন্তা চৰ্চ্চা কৰি চাব লাগিব । আৰু সেই ভৱনত কোন বিলাক মানুহ থাকিব ? যি সকল লৰা ছোৱালী ইণ্টাৰভিউ দিবলৈ আহিব, চাকৰিৰ বাবে আহিব তাৰোপৰি আৰু এটা কথা কেতিয়াবা বিবাহ ভৱন হিচাবেও ব্যৱহাৰ কৰিব পাৰিব । মই ভাবো আমাৰ ৰাজহ মন্ত্ৰী মহোদয়ে মাটি দিয়াৰ ব্যৱস্থাটো কৰিব । এই খিনি কথা কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো ।

★ Shri Sukhendu Sekhor Dutta : Mr. Speaker Sir, first of all, let us decide whether we should accept the motion or not. If the motion is accepted, in that case a Sub-Committee may be formed to find out the modalities so that it can be passed in the next session.

★ শ্ৰীদেৱকান্ত ৰামচিয়াৰী : অধ্যক্ষ মহোদয়, আজি বিধান সভাৰ মজিয়াত যিটো প্ৰস্তাৱ উৎযাপন কৰা হৈছে সেই প্ৰস্তাৱৰ মই বিৰোধীতা নকৰো । এই সম্পৰ্কত মই কেইটামান কথা কব বিচাৰিছো । ৰাজধানীৰ আশে পাশে যিবিলাক জনজাতীয় মানুহ আছিল সেই সকলক উচ্ছেদ কৰি ৰাজধানী স্থাপন কৰা হৈছিল । তাৰোপৰি দেখিবলৈ পাইছো যে, আজৰাত

★ Speech not Corrected

যিটো বিমান বন্দৰ কৰিলে তাতো জনজাতীয় লোকক উচ্ছেদ কৰি কৰা হৈছে। আমাৰ ৰাজধানীৰ আশে পাশে কিমান বিঘা মাটি খালি পৰি আছে? আমি দেখাত কতো মাটি নাই। ১২৬ টা সমষ্টিৰ বাবে ২ বিঘা কৰি ২৫২ বিঘা মাটি লাগে। আমি দেখাত মাটি নাই। যদি এইটো কৰিবলৈ যোৱা হয় তেনেহলে মানুহ উচ্ছেদ কৰিব লাগিব। আৰু সেইটো অতি দুখৰ কথা হব। যদিহে পুনৰ জনজাতীয় লোকক উচ্ছেদ কৰা হয় তেনেহলে মই ইয়াৰ প্ৰতিবাদ কৰিম। এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰিলো।

★ শ্ৰীপৃথিবী মাঝিঃ মাননীয় অধ্যক্ষ মহোদয়, হেমন্ত কলিতাই ইয়াত যিটো মোচন আনিছে সেইটো মই বিৰোধীতা কৰিবলৈ যোৱা নাই। কিন্তু এইটো কৰিবলৈ যাওঁতে কিছু কথা লক্ষ্য কৰিব লাগিব যে আমাৰ বিধায়ক সকলৰ সমষ্টিৰ বাবে ২ বিঘাকৈ মাটি আৱণ্টন দিয়াৰ কাৰণে ইয়াত যিটো মোচন আনিছে সেইটো মই সমৰ্থন কৰিছো। দিন্তু আজিলৈকে বিধান সভাৰ এটা স্থায়ী ঘৰ নিৰ্মাণ কৰিব পৰা নহল। এইটো সৌভাগ্য বা দুৰ্ভাগ্যই হওঁক আজি ২৪ বছৰ আগতে যিটো 'ওৱেৰ হাউচ' বনোৱা হৈছিল তাতেই আজি আমাৰ বিধান সভাৰ কাম-কাজ চলি আছে। আজিলৈকে এটা স্থায়ী ঘৰ নিৰ্ম্মান কৰিব পৰা নাই। আজি বহুতো ঠাইত অনুষ্ঠান, প্ৰতিষ্ঠান, ফেক্টৰী আদি হৈছে। সেইদৰে যদি বিধায়ক সকলৰ আবাস গৃহ, সমষ্টিৰ বাবে আবাস গৃহ কৰিব বিচাৰে সেইটো সঁচাকৈয়ে সৌভাগ্যৰ কথা। অসমৰ আঢৈ কোটি জনসাধাৰণৰ ভাগ্য নিমন্ত্ৰণ কৰি বিধান সভালৈ আমাক পঠিয়াইছে। কিন্তু এইটো আজি বৰ দুখেৰে সৈতে মই কবলৈ বিচাৰিছো যে মোৰ বহুতো ৰাজধানী অন্যান্য ঠাইত দেখাৰ সৌভাগ্য হৈছে তেতিয়া এনে লাগে যে আমাৰ ৰাজধানী অসমৰ অৱস্থা কিয় এনেকুৱা। সৰু সৰু চহৰটো বহুতো উন্নতমানৰ ৰাজধানী তৈয়াৰ হৈছে। কিন্তু আমাৰ ইয়াত এতিয়াও স্থায়ী ৰাজধানী নিৰ্ম্মান কৰা নাই। অন্যহাতেদি মই এইটো কথা কোৱা নাই যে সমষ্টিওৱাইজ সমষ্টিৰ লোক সকলৰ কাৰণে মাটি আৱণ্টন দিয়াৰ কাৰণে মোচনটো বিৰোধীতা কৰিছো। অন্য চহৰ বিলাকতকৈ আমি বহুতো পিচপৰি আছো। গুৱাহাটী বাসিণ্ডা সকলকও আমি সুবিধা দিব পৰা নাই। আমাৰ অজস্ৰ মাটি আছে যদিও আমি তাক ভালদৰে ব্যৱহাৰ কৰিব পৰা নাই। আজি মিউজিয়ামেই হওঁক, ষ্টেডিয়ামেই হওঁক, উদ্যানেই হওঁক, হাউচিং কমপ্লেক্সেই হওঁক তাক আমি কৰিব পৰা নাই। ২ বিঘাকৈ মাটি আৱণ্টন দিয়াৰ পিচত সমষ্টিৰ ৰাইজে ভাবিলৈ বাধ্য হব নেকি

★ Speech not Corrected

যে এম, এল, এ সকল বিধায়ক সকল সমষ্টিলৈ নাহে । গতিকে ইয়াৰ প্ৰতি দৃষ্টি ৰাখিব লাগিব । আৰু এটা কথা যে সমষ্টিৰ ভিত্তিত যি ভৱন নিৰ্মান হ'ব সেই ভৱনত কিমান টকা খৰচ হ'ব, মেইনটেনেন্স'ত কিমান টকা লাগিব, চকিদাৰ, ৰিচেপচনিষ্ট এই বিলাক কোনে মেইনটেন্স কৰিব । এই বিলাক কথা আগতে চাই লব লাগিব । আনহাতেদি আমাৰ ৰাজ্যৰ ৰাস্তা-ঘাটৰ অৱস্থা নাই । দলংৰ অৱস্থা নাই । গতিকে বিধায়ক সকলৰ যি ৫ লাখ বা ১০ লাখ টকা পাই তাৰ দ্বাৰা যি বিলাক ৰাস্তা দলং আছে সেইবিলাক যদি নিৰ্মাণ কৰিব পৰা যায় তেনেহলে ৰাইজে বাঃ বাঃ দিব । ৰাইজ সুখী হ'ব । মই ভাৱো যে আমাক লগ কৰিবৰ কাৰণে ৰাইজ এনেয়ে আহিব । কিন্তু আজি এই প্ৰস্তাৱটো মই বিৰোধীতা কৰা নাই কাম কৰাৰ আগতে সকলো কথা চিন্তা-চৰ্চা কৰিব লাগিব আমি বহুতো উন্নয়নমূলক কাম ক'ৰিব পৰা নাই যেনে খেল পথাৰ, উদ্যান আদি যি বিলাক কাম কৰিবলৈ বাকী আছে সেই বিলাক কৰি ললে ভাল হয় । এইখিনিকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো ।

★ শ্ৰীজ্যোতিষ দাস : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলৰ সমষ্টি বিলাকৰ ভিত্তিত যি আবাস গৃহ নিৰ্মাণৰ বাবে যি প্ৰস্তাৱ উৎথাপন হৈছে সেই প্ৰস্তাৱৰ মই বিৰোধীতা কৰা নাই । ৰাজধানীৰ আশে-পাশে যদি মাটি পোৱা নেযায় তেনেহলে মই ৰাজহমন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যে গুৱাহাটী মহা নগৰীৰ আশে-পাশে যি বিলাক পাহাৰ আছে সেই পাহাৰ বিলাক ইউটিলাইজ কৰি, ডেকৰেট কৰি সমষ্টি বিলাকৰ বাস ভৱন নিৰ্মান কৰিব । মই ভাৱো যে এম, এল, এ ফাণ্ডৰ পৰা ১০/২০ লাখ টকা দি ঘৰ বনোৱা সম্ভৱ নহব । ইনিচিয়েলৰ দায়িত্ব চৰকাৰে লব লাগিব । বিধায়ক সকলে ৫ বছৰত প্ৰত্যেক বছৰে যদি ২ লাখ কৈ টকা দিয়ে মই ভাৱো এই ভৱন নিৰ্মান কৰাত সহায় হ'ব । তাৰোপৰি আমি দেখিছো যে আৰু অধ্যক্ষ মহোদয়েও জানে যে এতিয়া আমাৰ বাসভৱন বিলাকটো কোন মানুহ আহি আছেহি নাম-ঠিকনা দিব লগীয়া হৈছে । গতিকে সমষ্টিৰ ভৱন হলে আমি এই বিলাকৰ পৰা ৰেহাই পাম । গতিকে চিকৰিটি দিশটোৰ পৰাও সুবিধা হ'ব । ইয়াকে কৈ মোৰ বক্তব্য সামৰিলো ।

★ শ্ৰীগৌতম ৰয় : অধ্যক্ষ মহোদয়, মই এটা কথা ক'ব বিচাৰিছো যে ১২৬ টা সমষ্টিৰ বাবে মাটি কম থাকিব পাৰে । গতিকে যি সকল মন্ত্ৰী, এম, এল. এ চৰকাৰী মাটি দখল কৰি ডাঙৰ ডাঙৰ বিলডিং বনাইছে সেই বিলডিং

★ Speech not Corrected

বিলাককেই সমষ্টিৰ নামত দি দিলে সমস্যাৰি সমাধান হব আৰু তাত সমষ্টি মানুহ আছি থাকিব পাৰিব, । এইখিনিকে কৈ মোৰ বক্তব্য সামৰিলো ।

★ শ্ৰীমোহন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি যিটো প্ৰস্তাৱ অনা হৈছে এইটো এটা সুন্দৰ প্ৰস্তাৱ । আৰু এইটো অনুভৱ কৰিছো যে কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত কিছু অসুবিধাৰ সন্মুখীন হোৱা যাব । এই কথাটোৰ প্ৰতি লক্ষ্য ৰাখি প্ৰস্তাৱটো গ্ৰহণ কৰিলে ভাল হব । কমিটি গঠন কৰিলে ভাল হব । আৰু বিভিন্ন সমষ্টিৰ পৰা অহা জন-গণৰ প্ৰতি লক্ষ্য ৰাখি আজি এই প্ৰস্তাৱ অনা হৈছে । মই এই পবিত্ৰ সদনত দৃষ্টি ৰাখি এইটো কব বিচাৰিছো যে আজি লাষ্ট গেটত বিধায়ক সকলক লগ কৰিবলৈ অহা জন সাধাৰণৰ কি দূৰ্গতি হৈছে সেইটো লক্ষ্য কৰিলে ভাল হয় । তেওঁলোকে ফুটপাঠতে ৰড ৰৰষুণত ঠিয় হৈ থাকিব লাগে । বহাৰ কোনো সুবিধা নাই । নাইট চুপাৰত আহি ৰাতিপুৱা পায়হি, জিৰণি লোৱাৰ কাৰণে কোনো ব্যৱস্থা নাই । এই ব্যৱস্থাটো উন্নতি কৰিব লাগে । গতিকে মোৰ অনুৰোধ যে বিভিন্ন সমষ্টিৰ পৰা অহা এই লোক সকলৰ কাৰণে সুবিধা দিব লাগে । অসম সচিবালয়ৰ কাৰণে অহাৰ কাৰণে তেওঁলোকৰ সুবিধা কৰি দিয়াৰ কাৰণে আমি ভাল পাইছো । এইখিনিকে কৈ প্ৰস্তাৱটোৰ প্ৰতি সমৰ্থন জনাই মোৰ বক্তব্য সামৰণি মাৰিলো ।

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য সকলে আজি যি প্ৰস্তাৱ উৎথাপন কৰিছে সেই বিষয়ে ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু মুখ্যমন্ত্ৰীয়েও ইয়াত সঁহাৰি জনাইছে ।

★ ডঃ জয়নাথ শৰ্ম্মা ( ৰাজহ মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত যিটো প্ৰস্তাৱ অনা হৈছে সেই সম্পৰ্কে মই আজি ৰাতিপুৱা নোটিচ পোৱাৰ পিছত ততাতৈয়াকৈ বিষয়টো পৰীক্ষা কৰিবলৈ চেষ্টা চলাইছিলো । কিন্তু জৰ্নিমীৰ ৩নং ত দিয়া নোটিচটো এতিয়া আকৌ ১নং ত আহিল আৰু তাৰ পৰা বুজা গ'ল যে বিষয়টোৱে বিশেষ অগ্ৰাধিকাৰ পাইছে । আজি বিধান সভালৈ আহোতে মোৰ অলপ পলম হোৱাৰ কাৰণে ইতিমধ্যে এই বিষয়টোত মাননীয় কেইবাজনো সদস্যই তেওঁলোকৰ বক্তব্য দাঙি ধৰিলে । যি কি নহওক, আজি সদনত এই বিষয়টো লৈ বিভিন্ন জন মাননীয় সদস্যই তেওঁলোকৰ বক্তব্য ৰাখিছে ।

অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই দুষাৰ মান কথা কব খুজিছো । প্ৰথম কথা হ'ল— আজি গুৱাহাটী চহৰত ইমান খিনি মাটি একেলগে দিয়াটো সম্ভৱ নহব । আজি আমাৰ ১২৬ টা সমষ্টি আছে । সেইমতে

★ Speech not Corrected

প্ৰত্যেকটো সমষ্টিকে ২ বিঘাকৈ মাটি দিবলৈ হলে ২৫২ বিঘা মাটিৰ প্ৰয়োজন হব। এই ২৫২ বিঘা মাটি গুৱাহাটী চহৰত একেলগে নাই। গুৱাহাটীৰ ওচৰে-পাজৰে পাহাৰবোৰত হয়তো ওলাব। কিন্তু এই খিনিতে আমি এটা কথা লক্ষ্য ৰাখিব লাগিব যে ২০০০ চনৰ পিচত আমাৰ বৰ্ত্তমানৰ সমষ্টিবোৰ পুনৰ নিৰ্দ্ধাৰণ কৰাৰ পিচত এই সমষ্টিবোৰৰ কিবা এটা শতাংশ বৃদ্ধি পাব আৰু সেইটো হলে আমাক আৰু অধিক মাটিৰ প্ৰয়োজন হব। এই ক্ষেত্ৰত মাননীয় সদস্য শ্ৰীমাঝি ডাঙৰীয়াই এটা কথা কৈছে যে আজি ২৪ বছৰ ধৰি আমি এখন অস্থায়ী ৰাজধানীতে থাকিলো। আমাৰ নিজৰ বুলি কোৱাৰ কাৰণে এটা স্থায়ী বিধান সভা ভৱন নাই। ১৯৭২ চনত যি সকল লোক প্ৰশাসনৰ দায়িত্বত আছিল সেই সকল লোকে স্থায়ী ৰাজধানীৰ বাবে এটা বলিষ্ঠ সিদ্ধান্ত লব নোৱাৰিলে। এটা কথা ঠিক যে আমি যি সকল লোক প্ৰশাসনৰ দায়িত্বত আছো সেই সকল লোকে কিবা এটা সিদ্ধান্ত ললে ৰাইজে নিশ্চয় মানি লব। কিন্তু সেই সময়ত সমালোচনাক ভয় কৰিয়েই হওঁক বা পৰিস্থিতিক ভয় কৰিয়েই হওক তেওঁলোকে এই ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰিলে। আমি পোন প্ৰথম বাৰৰ বাবে ১৯৮৫ চনত যেতিয়া চৰকাৰ গঠন কৰো তেতিয়া আমি এটা সিদ্ধান্ত লৈছিলো আৰু সেই সিদ্ধান্তৰ ওপৰত সদনৰ মতামত জনাইছিলো। কিন্তু তাৰ পিচতে ৰাজ্য খনত ৰাষ্ট্ৰ-পতিৰ শাসন বলবৎ হোৱাত আমি সেই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব নো-ৱাৰিলো। এইবাৰ আমি আকৌ এই বিষয়টো কেইবাবাৰো আলোচনা কৰিছো আৰু আমি আশা ৰাখিছো এই কেইবছৰৰ ভিতৰতে অসমৰ স্থায়ী ৰাজধানী সম্পৰ্কত এটা সিদ্ধান্ত লোৱা হব আৰু আমি আশা কৰিছো যে আমি সকলোৱে যি ৰাজনৈতিক দলতে নাথাকো কিয় এই ক্ষেত্ৰত এটা বলিষ্ঠ পদক্ষেপ লোৱাৰ বাবে সকলোৱে সহাৰি জনাব। আপোনালোকে আজি সদনত যিটো প্ৰস্তাৱ উৎথাপন কৰিছে সেইটো মোৰ বোধেৰে সদনত উৎথাপন কৰা প্ৰযোজন নাই। এনে এটা বিষয় আমি আবেদনৰ ভিত্তিতে সিদ্ধান্ত লব পৰা হয়। এই বিষয়টো মই মুখ্য মন্ত্ৰী মহোদয়ৰ লগতো আলোচনা কৰোতে তেখেতে এই কথাখিনি উপলব্ধি কৰিছে আৰু তেখেতে কৈছে যে এই বিষয়টো অলপ চোৱা চিতা কৰি চোৱাৰ প্ৰয়োজন আছে। শ্ৰীহিৰেণ দাস ডাঙৰীয়াই এটা কথা কৈছে যে ইয়াত থাকিবলৈ কোন আহে? আজি যদি আমি সমষ্টিবোৰৰ কাৰণে একোটাকৈ ঘৰ নিৰ্ম্মান কৰি দিওঁ

★ Speech not Corrected

তথাপিও সেইবোৰত কিছুমান অসুবিধা নোহোৱাকৈ নাথাকিব। আজি দিল্লীৰ 'আসাম হাউচ'তো নানা ধৰণৰ খেলি মেলি হৈ থকা আমি দেখিছো। ইয়াত ঘৰ এটা নিৰ্মান কৰাৰ লগে লগে সমষ্টিৰ পৰা যিমান মানুহ ইয়াত থাকিব পাৰিম বুলি আহিব সেই সকলো মানুহকে তাত সুবিধা দিব নোৱাৰিব। আজি যি সকল লোক ইয়ালৈ অহা নাই তেওঁলোকো এখন সাধাৰণ আবেদন লৈ বিনা পইচাত থাকিব পৰাৰ আশাৰে দিশপুৰ পাবহি। আজি দিশপুৰলৈ বহুতো মানুহ আহে বহুতো কামলৈ। কিছুমান আহে নিজৰ কামৰ কাৰণে আৰু কিছুমান আহে ৰাজনৈতিক বা প্ৰশাসনীয় কাম কাজৰ কাৰণে। কিন্তু আজি যদি আমি সমষ্টিৰ ৰাইজক থাকিবৰ কাৰণে ইয়াত সুবিধা কৰি দিও তেনেহলে তেওঁলোকে সস্তাতে থকাৰ আশাত দিশপুৰলৈ অহাৰ প্ৰৱনতা বৃদ্ধি পাব। আজি আমি এটা কথা দেখিছো যে কোনোবা মানুহ এজনে যদি এখন দৰখাস্ত দিয়ে তেনেহলে সেইখনৰ আমি প্ৰাপ্তিয়েই স্বীকাৰ নকৰো বা কি ব্যৱস্থা লোৱা হ'ল সেই সম্পৰ্কে আবেদনকাৰীক একো নজনাও। সেই কাৰণে মই ভাবো আমি মানুহ খিনিক দিশপুৰলৈ আমি কষ্ট খুউৱাৰ পৰিৱৰ্ত্তে তেওঁলোকৰ কাম খিনি সমষ্টিতে থাকি কেনেকৈ সমাধান কৰিব পৰা যায় তাৰ কাৰণেহে বিজ্ঞান সন্মত ব্যৱস্থা গ্ৰহন কৰিব লাগে। যদি আমি ইয়াত ৰাখিবৰ কাৰণে সুবিধা কৰি দিও তেতিয়াহলে আজিৰ দিনত যিটো সুবিধা হব বুলি ভাবিছে ১০ বছৰ পিছত দেখিব তাৰ বিপৰীত ফলহে হৈছে। আজি যদি ঘোষণা কৰা হয় মাননীয় সদস্য সকলৰ কোৱাটাৰ বিলাক বিধায়ক ভৱন বুলি লিখি দিব লাগে আৰু সদন চলি থকা কেইদিনতহে বিধায়ক সকল থাকিব। বাকি কেইদিন সমষ্টিত থাকিব। যদি আমি এইটো প্ৰেক্টিকেল কৰি চাও তেতিয়াহলে কেনেকুৱা হব। ধৰি লওক চিপাঝাৰ সমষ্টিৰ পৰা যদি ১০০ জন মান মানুহ আহে তেওলোকক ৰাখিব পাৰিম জানো ? ঠিক তেনেকৈ শদিয়াৰ পৰা ৫০ জন মানুহ আহে তেওলোককো ৰাখিব পাৰিম জানো। গতিকে দেখা যায় ঘৰতো হোৱাৰ কাৰণে বহুত অসুবিধাও আছে। অৱশ্যে আপোনালোকৰ এই সমস্যা বিলাক সমাধান কৰিবলৈ মোৰ মনে মনে এটা ভাব আছিল। মালী ডাঙৰীয়াই কৈছে, বিধায়ক সমষ্টিত থাকিলে ইয়ালৈ মানুহ কিয় আহিব ? মই মাননীয় সদস্য সকলৰ মনৰ কথা জানিলো আৰু বুজিছো। সকলো দলৰ মাননীয় সদস্য সকলেই গুৱাহাটী সমষ্টিৰ ৰাইজৰ

কাৰণে এটা ভৱন লাগে বুলি ইয়াত উৎথাপন কৰিছে আৰু মতামত ভাঙি ধৰিছে। সেই মতামতক আমি নিশ্চয় সন্মান জনাব লাগিব। এইখিনিতে মই এটা কথা ভাবিছো যে হাডকো বা এচ, বি, আই হাউচিং কৰ্পোৰেচন আদি এনেকুৱা ধৰণৰ বিভিন্ন অনুস্থান আছে আৰু এই অনুষ্ঠানৰ জৰিয়তে গুৱাহাটী মহানগৰত ব্যক্তিগত মাটি বা চিলিং চাৰপ্লাচ মাটি কিনি লৈ ১২৬ টা ফেলট বনাব পাৰে। ঘৰ নিৰ্ম্মাণ কৰাৰ কাৰণে মাননীয় অধ্যক্ষ মহোদয়ে মাননীয় সদস্য সকলক ২ লাখ টকাকৈ লোণ দিছেই। সেয়েহে এই লোণৰ টকাৰে হাডকো বা এচ, বি, আই হাউচিং কৰ্পোৰেচন আদি প্ৰতিষ্ঠানৰ জৰিয়তে আমি আমাৰ নিজৰ নিজৰ ঘৰ মাটি কৰিব পাৰো। কিয়নো ২ লাখকৈ টকা হলেও ১২৬ জন বিধায়কৰ বহুত টকা হব। যেতিয়া সেই ফেলট বিলাক নিৰ্ম্মান কৰা হব তেতিয়া আমি সেই ফ্লেটত মিনিমেল কিবা এটা ফিজ লৈ সমষ্টিৰ মানুহ থকাৰ কাৰণে গেষ্ট হাউচ কৰি দিব পাৰো।

মাননীয় অধ্যক্ষ : ব্যক্তিগত লোণৰ দ্বাৰা যিটো ঘৰ বনোৱা হক সেইটো ইয়াত উৎথাপন কৰা হোৱা নাই। সমষ্টিৰ বাইজৰ কাৰণে যিটো মাটি বিচাৰিছে সেইটো দিব পাৰিব নে নাই ?

★ শ্ৰীজয়নাথ শৰ্ম্মা ( ৰাজহ মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কীয় তথ্য - পাতি মোৰ হাতত নাই কাৰণেই এতিয়াই কব পৰা নেযাব।

মাননীয় অধ্যক্ষ : আপুনি কিমান দিব পাৰিব সেইটো কৈ দিয়ক।

★ শ্ৰীজয়নাথ শৰ্ম্মা ( ৰাজহ মন্ত্ৰী ) : মাননীয় অধ্যক্ষ মহোদয়, ২৫২ বিঘা বেলেগ কথা ১০০ বিঘাও বোধ হয় চৰকাৰী মাটি নাই গুৱাহাটীৰ মাজ মজিয়াত। তথ্য - পাতি নোহোৱাকৈ তৎক্ষণাৎ সদনৰ মজিয়াত কিবা এটা কৈ দিয়াটো সমিচীন নহব। কাৰণ কথাটো যদি অসত্য তেতিয়াহলে আমাৰ মাননীয় সদস্য ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ডাঙৰীয়াইয়ে মোৰ এগেইনষ্টে প্ৰিভিলেজ মোচন আনিব।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীত এবিটাক চৰকাৰী মাটি ৫০ বিঘা দিয়া হৈছে নেকি ? এই মাটিত বিধান সভা সচিবালয়ৰ কৰ্ম্মচাৰীৰ থকা কোৱাটাৰ বনোৱাৰ কাৰণে দৰ্খাস্ত দিয়া হৈছে। গতিকে এই চৰকাৰী মাটি যদি এবিটাক দিয়া হৈছে, কিয় দিয়া হৈছে ?

★ Speech not Corrected

★ শ্ৰীজয়নাথ শৰ্ম্মা ( ৰাজহ মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, এবিটাক দিছে নে নাই মই কোনো ধৰণৰ নটিচ পোৱা নাই। এতিয়া ১ নম্বৰৰ পৰা ৩ নম্বৰলৈ আহিল। গতিকে তেখেতে কোৱা কথাটো মোৰ দৃষ্টি গোচৰ হৈছে। এবিটাক সেই মাটি দিয়া হৈছে নে নাই যদি দিছে কি ভিত্তিত এলটমেণ্ট, চেটেলমেণ্ট নে ৰিজাৰ্ভ কৰি দিছে সেইটো মই পিচত জনাই দিম। আজি পুৱাহে এই কথাটো মোৰ দৃষ্টিগোচৰ হৈছে। যিহেতু এই কথাটো মোৰ দৃষ্টিগোচৰ হৈছে সেয়েহে এই কথাটো নিশ্চয় মই চাম।

মাননীয় অধ্যক্ষ ঃ বিধান সভাৰ সমষ্টিৰ নামত যিটো মাটি বিচাৰিছে সেইটো দিব পাৰিব নে নোৱাৰে সেই সম্পৰ্কে কওক।

★ শ্ৰীজয়নাথ শৰ্ম্মা ( ৰাজহ মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, বিধান সভাৰ যি সকল মাননীয় সদস্যই বক্তব্য দাখিছে তেখেত সকলে বিধান সভা সমষ্টিৰ নামত মাটি বিচৰা কথাটো একত্ৰিত ভাবে মত প্ৰকাশ পাইছে। গতিকে মই এই মতটোৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিম আৰু মাননীয় অধ্যক্ষ আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰি নিশ্চয় কিবা এটা ব্যৱস্থা লব পাৰি নেকি চাম।

★ শ্ৰীসুখেন্দু শেখৰ দত্ত ঃ আপুনি কেতিয়া জনাব ?

★ শ্ৰীজয়নাথ শৰ্ম্মা ( ৰাজহ মন্ত্ৰী ) ঃ মাননীয় অধ্যক্ষ মহোদয়, যি কোনো এখন বিধান সভাৰ অধিবেশনতেই মই এই বিষয়টো অৱগত কৰিম। অসমত ইমান জলন্ত সমস্যা থকাৰ কাৰণে আজি এই প্ৰস্তাৱটো গ্ৰহণ নকৰাৰ কাৰণে মই মাননীয় সদস্য সকলক অনুৰোধ জনাইছো। এই প্ৰস্তাৱটো পিচত কাৰ্য্যকৰী কৰাৰ কাৰণে মই মাননীয় অধ্যক্ষ আৰু মাননীয় মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰি আপোনালোকে আজি সদনত যি মতা-মত ডাঙি ধৰিছে সেই মতা-মতৰ প্ৰতি সন্মান জনাবলৈ চেষ্টা কৰিম। মাটি দিব পাৰিম নে নাই কব নোৱাৰো। গতিকে আপোনালোকে প্ৰস্তাৱটো উঠাই লব লাগে। মই এই বিষয়টো পৰীক্ষা কৰিম।

Mr. Speaker : Hon'ble Member Shri Hemonta Kalita, will you withdraw your motion ?

★ শ্ৰীহেমন্ত কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যেই মাননীয় ৰাজহ মন্ত্ৰী ডাঙৰীয়াই আমাৰ এই প্ৰস্তাৱটোৰ ওপৰত তেখেতৰ সদইচ্ছা আৰু প্ৰতিশ্ৰুতিৰ কথা ডাঙি ধৰিছে। লগতে তেখেতৰ বক্তব্যত আমাৰ এই সমস্যাৰ

★ Speech not Corrected

লগতে ৰাজ্যখনৰ বহুতো সমস্যা থকাৰ কথা উল্লেখ কৰিছে। সেই সমস্যা বিলাকৰ লগত এই সমস্যাটোও একেধৰণেই। আমি বিধান সভা সমষ্টিৰ নামত এই কাৰণেই মাটি বিচাৰিছো যে এইখিনি কাম কৰোতে ইয়াত এখন বিশেষ কমিটি থাকিব লাগিব আৰু এই কমিটিৰ যোগেদি তাত ইণ্টাৰভিউ দিবলৈ অহালোক সকল থাকিব, নে ৬০ বছৰৰ ওপৰৰ বৃদ্ধ সকলেই থাকিব নে খেলুৱৈ সকলেই থাকিব সেই সকলোবোৰ কথা ঠিক কৰি লব লাগে আৰু ইয়াৰ যাতে এটা সদব্যৱহাৰ হয় সেইটো চাব লাগে। আজিৰ যুগত নিশ্চয় অৰ্থ নৈতিক ভাবে সবল ব্যক্তি সকল এনেধৰণৰ বিধায়ক সমষ্টিৰ ভৱনত থাকিবলৈ নাহে। যি সকল অৰ্থ নৈতিক ভাবে দুৰ্ব্বল লোক তেওঁলোকেহে ইয়াত থাকিবলৈ আহিব। সেই দৃষ্টিভঙ্গীৰে চালে আমি যিটো প্ৰস্তাৱ ডাঙি ধৰিছো সেই প্ৰস্তাৱৰ যথেষ্ট গুৰুত্ব আছে। মাননীয় মন্ত্ৰী মহোদয়ে গুৱাহাটীৰ মাজ মজিয়াত ২ বিঘাকৈ মাটি দিব নোৱাৰিলেও গুৱাহাটীৰ কিছু নাতি দূৰত দিবলৈ সক্ষম হব বুলি মই ভাবো। এনেকুৱা ধৰণৰ কাম বিলাক কৰাৰ কাৰণে স্বেচ্ছাসেৱী অনুস্থান বিলাকৰ সদ্ইচ্ছা থাকে আৰু বিশ্ব বেঙ্কেও সেই কাৰণে এনেকুৱা ধৰণৰ স্বেচ্ছাসেৱী অনুস্থান বিলাককেই এনেকুৱা ধৰণৰ কাম বিলাক কৰাৰ কাৰণে লোণ দিয়াৰ ব্যৱস্থা কৰিছে। গতিকে এই ক্ষেত্ৰত আমি আমাৰ ইতিবাচক দিশসমূহৰ প্ৰতিও দৃষ্টি ৰাখিব লাগিব। এই স্বেচ্ছাসেৱী অনুষ্ঠান বিলাকৰ জৰিয়তে বিশ্ব বেঙ্কে বহু কাম কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছে।

★ শ্ৰীহেমন্ত কলিতা: মাননীয় অধ্যক্ষ মহোদয়, আমি পৰামৰ্শ এই কাৰণে দিছিলো যে যেতিয়া কোনোবা এজনে চাকৰী বাকৰী বিছাৰি আহে তেতিয়া তেওঁলোকে পইচাৰ অভাৱত হোটেল আদিত থাকিব নোৱাৰি ৰিলেটিভ মিতিৰ কুটুমৰ ঘৰত থাকিবলগীয়া হয়। গতিকে এই লোকসকলৰ যথেষ্ট অসুবিধা হয়। এনেকুৱা এটা অনুষ্ঠান থাকিলে তেওঁলোকৰ কাৰণে সুবিধা হব। সেইকাৰণে আশা ৰাখিছো আমাৰ মাননীয় ৰাজহ মন্ত্ৰী ডাঙৰীয়াই এটা ইতিবাচক মনোভাব লৈ আমি যি প্ৰস্তাৱ দাঙি ধৰিছিলো তাত সহাৰি দিব বুলি আশা ৰাখিলো। আমি যি প্ৰস্তাৱ উত্থাপন কৰিছিলো মাননীয় মন্ত্ৰীৰ সদিচ্ছাৰ প্ৰতি শ্ৰদ্ধা জনাই প্ৰত্যাহাৰ কৰিলো।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰীয়ে যি সদিচ্ছা প্ৰকাশ কৰিছে তাৰ কাৰণে ধন্যবাদ জনাইছো। ইয়াৰ কাৰণে

★ Speech not Corrected

এটা কমিটি পাতি দিলে ভাল হয় নেকি। মই মন্ত্ৰীমহোদয়ৰ পৰা এটা কথা বিশেষকৈ জানিব বিচাৰিছো যে অসম বিধান সভাৰ কৰ্ম্মচাৰী সকলৰ কাৰণে যি মাটি বিচাৰিছিল সেই মাটি যদি আবিটাক দিছে সেইটো কেনচেল কৰি বিধান সভা সচিবালয়ৰ কৰ্ম্মচাৰীৰ কাৰণে আৱাস গৃহ সজাৰ ব্যৱস্থা কৰিব লাগে। আৰু এটা কথা উত্তৰ গুৱাহাটীত এপোলো হস্পিতালৰ কাৰণে মাটি দিয়া হৈছিল। ৩ বছৰ হৈ গ'ল হস্পিতাল নহল। এন, আৰ, আই ব্ৰহ্মপুত্ৰ হস্পিতালৰ কাৰণে মাটি বিছাৰিছিল। সেইখন ১০০ খন বিচনাযুক্ত হব। তাত অসমীয়া মানুহো আছে। ৩ গৰাকী অসমীয়া ৩ গৰাকী বাহিৰৰ। গতিকে মাটি দিয়াৰ ব্যৱস্থা কৰিবলৈ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। উত্তৰ পূৰ্বাঞ্চলৰ নেৰিম এটা ভাল অৰ্গেনাইজেচন। নেৰিমৰ কাৰণে উত্তৰ গুৱাহাটীত ৰাজহ মন্ত্ৰীয়ে ২০ বিঘা মাটি লৈছে। আমি ভাল পাইছো। এপলোকো মাটি দিলে ভাল হয়।

★ ডঃ জয়নাথ শৰ্ম্মা (ৰাজহ মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, আবিটা সম্পৰ্কত আমি চাব লাগিব এই মাননীয় সদনত সদস্য সকলে আলোচনা কৰিছে আৰু কেইবাগৰাকীও বিৰোধী দলৰ মাননীয় সদস্যই তেখেতসকলৰ ভাষণত স্পষ্ট ভাৱে কৈছে যে টি হেড অফিচ গুৱাহাটীলৈ আনিব লাগে। যদি টি হেড অফিচ গুৱাহাটীলৈ আনিব লাগে তেতিয়াহলে মাটি দিব লাগিব। কোনোবাই কৈছে তেওঁলোক ধনী গতিকে মাটি বেচি দামত দিব লাগে। কিন্তু আইনৰ চকুত সকলো সমান তথাপি চাব লাগিব। টি মিউজিয়াম যদি কৰিব খোজে তেতিয়াহলে তেখেতসকলক সুবিধা দিব লাগিব। যদি অন্য কোম্পানীয়েও গুৱাহাটীত হেড অফিচ পাতিব খোজে তেতিয়াহলে সুবিধা দিব লাগিব। টি হেড অফিচ পতাৰ কাৰণে টি কোম্পানীৰ ডাঙৰ অৰ্গেনাইজেচন হৈছে আ বি টা।

অধ্যক্ষ মহোদয়, আ বি টাই যদি টি মিউজিয়াম আৰু হেড অফিচ কৰিব খোজে তেতিয়াহলে তেওঁলোকক সহায় কৰিব লাগিব। এই ক্ষেত্ৰত যদি তেওঁলোকে মাটিৰ দাম কম দিছে তেতিয়াহলে মাৰ্কেট ভেলু অনাৰ ব্যৱস্থা কৰিব পৰা যাব। যদি ইল্লিগেলি দিছে মাটি ঘূৰাই আনিব লাগিব। নেৰিম সম্পৰ্কত কৈছো যে তাৰ সভাপতি মই নিজে আছিলো। তেওঁলোকক ২০ বিঘা মাটি নহয় ৫৫ বিঘা দিয়া হৈছে। অল ইণ্ডিয়া টেকনিকেল নৰ্মচ হিচাবে ৭৩ বিঘা মাটি লাগে। আৰ্য্যবিদ্যাপীঠ আৰু কটনকলেজ আদিৰ আছে। নেৰিমো এনে মেনেজমেণ্ট কলেজ।

★ Speech not Corrected

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, এপোলৰ কথাটোও কলে ভাল হয়।

মাননীয় অধ্যক্ষ : এইটোৰ কাৰণে এটা বেলেগ প্ৰশ্ন লাগিব। এই-খিনিতে মই সদনৰ মাননীয় সদস্য সকলৰ ইনফৰ্মেচনৰ কাৰণে কওঁ যে অসম বিধান সভাৰ কৰ্ম্মচাৰী সকলৰ কাৰণে ইতিমধ্যে ৫০ বিঘা মাটি লোৱা হৈছে আৰু হস্তান্তৰ কৰা হৈছে। আৰু তাৰ উন্নয়নৰ কাৰণে লেণ্ড ডেভা-লাপমেন্টৰ কাৰণে ৫০ লাখ টকা চলিত বিত্তীয় বছৰত ধাৰ্য্য কৰা আছে।

Is it the pleasure of the House to grant leave to withdraw the Motion.

( Voices : Yes, Yes )

with the leave of the House, the Motion is withdrawn.

I now, request the Hon'ble Member Shri Hitendra Nath Goswami to move his motion and speak on it.

★ Shri Hitendra Nath Goswami : I rsquest the Hon'-ble Member Shri Prabin Hazarika to speak first and to move the motion.

★ প্ৰবীন হাজৰীকা : মাননীয় অধ্যক্ষ মহোদয়, মই এটা প্ৰস্তাৱ আগ-বঢ়াব খুজিছো প্ৰস্তাৱটো হৈছে যে "আজিৰ বিধান সভাই প্ৰস্তাৱ গ্ৰহণ কৰে যে অসমত বসবাস কৰি থকা কাৰ্বি সম্প্ৰদায় লোক সকল প্ৰকৃতাৰ্থে জনজাতীয় লোক হৈও জনজাতীয় সাংবিধানিক সা-সুবিধাৰ পৰা বঞ্চিত হৈ আছে, গতিকে তেওঁলোকক ভাৰতীয় সংবিধানৰ ৬ষ্ঠ অনুচ্ছেদত অন্তভুৰ্ক্ত কৰি অসমৰ জনজাতীয় লোকসকলৰ নিচিনাকৈ বিশেষ সুবিধা পোৱাৰ ব্যৱস্থা কৰা হওঁক"।

মাননীয় অধ্যক্ষ মহোদয়, ভৈয়ামত বসবাস কৰি থকা কাৰ্বি লোক সকলে জনজাতীয় লোক সকলৰ দৰে সুবিধা নোপোৱাটো একেবাৰে পৰিতাপৰ বিষয়। ভূমি পুত্ৰ হৈও তেওঁলোকে যিখিনি সা-সুবিধা তেওঁলোকে পাব লাগিছিল সেইখিনি পোৱা নাই। অসমত আজি ৯ লাখৰো অধিক কাৰ্বি সম্প্ৰদায়ৰ লোক আছে। তাৰে ৫৬ হাজাৰৰো অধিক লোকে শোনিতপুৰত আছে। শোনিতপুৰ, নগাওঁ, কাচাৰ, গুৱাহাটীকে আদি কৰি ৮ খন জিলাত

★ Speech not Corrected

কাৰ্বি সকল আছে। গতিকে মই ভাবো তেখেতসকলে জনজাতীয় লোক হিচাবে ভাৰতীয় সংবিধানৰ ৬ষ্ঠ অনুচ্ছেদ মতে তেখেতসকলে যাতে সকলোখিনি সুবিধা পাব পাৰে সেই কাৰণে এই প্ৰস্তাৱটো উত্থাপন কৰিছো। অসমত থকা কাৰ্বি সকলৰ যিখিনি সমস্যা সেইখিনি চাব লাগে। আমি দেখিছো শিক্ষা, সামাজিক, অৰ্থনৈতিক আদি কৰি ভালেমান সমস্যা আছে। শিক্ষাৰ ক্ষেত্ৰত ৯০ ভাগ লোকেই অশিক্ষিত, শিক্ষাৰ পোহৰ পোৱা নাই। সেই কাৰণে তেখেতসকলৰ যি সুবিধা সেই সুবিধাৰ পৰা বঞ্চিত হৈ আছে। কাৰ্বি লোক সকল থকা ঠাই সমূহত প্ৰাথমিক বিদ্যালয় নাই যিখিনি আছে তাৰো অৱস্থা জৰাজীৰ্ণ। বিশেষকৈ বিশ্বনাথ সমষ্টিতে এনেকুৱা প্ৰাথমিক বিদ্যালয় আছে য'ত ১৬০ জন ছাত্ৰ-ছাত্ৰী আছে। কিন্তু এই বিদ্যালয়ত প্ৰায় ৫ বছৰ এজন শিক্ষকে শিক্ষকতা কৰি আছে। এই ক্ষেত্ৰত যাতে চকু কৰে। পাহাৰুৱা অঞ্চলত স্বাস্থ্য বিভাগৰ যি চিকিৎসক থাকিব লাগিছিল নথকা কাৰণে চিকিৎসাৰ ক্ষেত্ৰতো বঞ্চিত হৈ আছে। মাননীয় অধ্যক্ষৰ সমষ্টি গহপুৰ আৰু মোৰ সমষ্টি বিশ্বনাথতো কাৰ্বি লোক আছে।

মাননীয় অধ্যক্ষ মহোদয়, যোৱা বছৰ মেলেৰিয়া ৰোগত মানুহ মৃত্যু মুখত পৰিছে। সামাজিক আৰু অৰ্থনৈতিক দিশত তেওঁলোক পিচপৰি আছে। কৃষিৰ ক্ষেত্ৰত তেওঁলোকৰ আগৰ অৱস্থা এতিয়াও পৰিৱৰ্ত্তন হোৱা নাই। প্ৰায় বিলাক মানুহৰে মাটি বন বিভাগৰ মাটি হৈ আছে, সেই মানুহ বিলাকে এতিয়াও পট্টা পোৱা নাই। বহু বছৰ ধৰি তেওঁলোকে সেই মাটিতে বসবাস কৰি আছে। ভাষা সংস্কৃতিৰ ক্ষেত্ৰতো তেওঁলোক পিচপৰি আছে। সেই বিলাকৰ বিকাশ ঘটা নাই। জনজাতীয় কৰণ কৰাৰ পিচত তেওঁলোকক কিছু সা-সুবিধা আগবঢ়োৱা হৈছে সেই সুবিধা তেওঁলোকে পোৱাৰ কাৰণে এই প্ৰস্তাব উত্থাপন কৰা হৈছে। এই বিষয়টোৰ কাৰণে শোনিতপুৰ জিলাৰ ছাত্ৰ সন্থাই স্মাৰক পত্ৰ দিছিল। আমাৰ মাননীয় অধ্যক্ষ ডাঙৰীয়াৰ সমষ্টিত কাৰ্বি লোক আছে, বিহালিটো আছে বিশ্বনাথ সমষ্টিটো কাৰ্বি লোক আছে আৰু দিশপুৰ সমষ্টিটো আছে। মোৰ সমষ্টিতে প্ৰায় ৭ হেজাৰ লোক আছে। এখন সভাত মাননীয় অধ্যক্ষ মহোদয়ে যোগদান কৰিছিল। সদৌ কাৰ্বি দৰবাৰ হৈছিল। সেই দৰবাৰত মাননীয় সদস্য শ্ৰীহলিৰাম টেৰাং ডাঙৰীয়াই যোগদান কৰিছিল। তেওঁলোকে দাবি জনাইছে তেওঁলোকৰ দাবি পূৰণ কৰিব লাগে। পাহাৰ অঞ্চলত থকা জনজাতীয় লোক সকলে সেই

সুবিধা পোৱা নাই। ভৈয়াম অঞ্চলত কাৰ্বি লোক সকলকো জনজাতীয় কৰণৰ সা-সুবিধা বিলাক দিব লাগে। সেই কাৰণে আজি এই প্ৰস্তাব উত্থাপন কৰা হৈছে। এই খিনি কৈ মোৰ বক্তব্য সামৰিছো।

★ শ্ৰীঅতুল বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰস্তাবটোত এটা শুধৰণী আনিব বিছাৰিছো— অসমত বসবাস কৰি থকা কাৰ্বি সম্প্ৰদায় লোক সকল প্ৰকৃতাৰ্থে জনজাতীয় লোক হৈও জনজাতীয় সাংবিধানিক সা-সুবিধাৰ পৰা বঞ্চিত হৈ আছে, গতিকে তেওঁলোকক ভাৰতীয় সংবিধানৰ ৬ষ্ঠ অনুচ্ছেদত অন্তৰভুক্তি কৰি অসমৰ জনজাতীয় লোক সকলৰ নিচিনাকৈ বিশেষ সুবিধা পোৱাৰ ব্যৱস্থা কৰা হওক। অসমৰ জনজাতীয় লোক সকলৰ লগতে 'ভৈয়াম' জনজাতীয় লোকসকল হব লাগিছিল নেকি ?

মাননীয় অধ্যক্ষ ঃ হয়, এইটো পৰ্ব্বত ভৈয়াম হব লাগিছিল।

★ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰস্তাবটোত আজি যি বিলাক কথা আলোচনা হৈছে কিছুমান কথাত মই সমৰ্থন জনাইছো। মাননীয় সদস্য শ্ৰীঅতুল বৰা ডাঙৰীয়াই যিটো কথা কৈছে সেইটো আলোচনাৰ জড়িয়তে সমাধান কৰিব পৰা যাব। মই দেখিবলৈ পাইছো কাৰ্বি সকলৰ উপৰিও গাৰো সকলো বহু কেইটা সমষ্টিত আছে তেওঁলোকেও সুবিধা পোৱা নাই। তাৰোপৰি দেখিবলৈ পাইছো টিওৱা, বড়ো সকলৰো সুবিধা নাই। সেই কাৰণে মই এইতো কথা সমৰ্থন কৰিছো আৰু তাৰ বিষয়ে আলোচনা আৰম্ভ কৰিবলৈ বিচাৰিছো। ভাৰতবৰ্ষ পৃথিবীৰ ভিতৰতে large number of concentration of tribal population আৰু আমাৰ ভাৰত বৰ্ষত ৩৫০ টা ট্ৰাইবচ আছে তাতকৈ অধিক আছে 'চাব-ট্ৰাইবচ'। তেওঁলোকে ভাৰতবৰ্ষত ১০০ টা ভাষা বা উপভাষা কয়। তেওঁলোকৰ উন্নতি আজিলৈকে হোৱা নাই। সেইসকলৰ উন্নয়নৰ ক্ষেত্ৰত বৃটিচৰ দিনৰ পৰাই চেষ্টা চলাই আছে। ১৯৯১ চনৰ চেনচাচত ভাৰতৰ ভিতৰতে আতাইতকৈ বেছি মিজোৰামত ৯৪'৭৫ শতাংশ আৰু ভাৰতৰ আতাইতকৈ কম ৰাজ্যখন হৈছে উত্তৰ প্ৰদেশ তাত ০'২১ শতাংশ। আৰু অসমত ৯১ চনৰ চেনচাচ মতে ১২'৮২ শতাংশ। ১৯৯১ চনৰ চেনচাচ মতে অসমত মুঠ জন সংখ্যা ২ কোটি ২৪ লাখ ১৪ হেজাৰ। ইয়াৰ ভিতৰত ২৮ লাখ ৭৪ হেজাৰ ট্ৰাইবেল জনসংখ্যা অৰ্থাৎ ১২'৮২। সেয়ে চেনচাচত দেখুৱাইছে উত্তৰ পূৰ্বাঞ্চলত যি আছে গোতেই ভাৰত বৰ্ষৰ ভিতৰতে আতাইতকৈ বেছি। মিজোৰামত ৯৩'৭৫, নাগালেণ্ডত

★ Speech not Corrected

৮৭.৭, মেঘালয়ত ৮৫.৫ আৰু অৰুনাচলত ৬৩.৬৬ শতাংশ আৰু মনিপুৰত ৩৪.৪১, ত্ৰিপুৰাত ৩০.৯৫ আৰু চিকিমত ২১.৯ শতাংশ। ১৯৯১ চনৰ চেনচাচ ৰিৰ্পট মতে এই ট্ৰাইবেল সকলৰ উন্নয়নৰ কাৰণে বিভিন্ন সময়ত কেন্দ্ৰীয় চৰকাৰে অধিক সুবিধা দিয়াৰ ব্যৱস্থা কৰি আহিছে। তাৰ জৰিয়তে তেখেত সকলৰ আৰ্থিক সামাজিক উন্নয়নৰ কথা চিন্তা কৰিছে। আমি যি প্ৰস্তাব আনিছো সেই প্ৰস্তাবত দেখুৱাইছো অসমত থকা জনজাতীয় লোক সকলক কিছু পৰিমানে বৈষম্যমূলক হৈছে। সেই বৈষম্য আতৰকৰাৰ কাৰণে এই প্ৰস্তাব আনিছো। প্ৰকৃততে জনজাতীয় হবলৈ হলে কেইটামান স্বত্ব পূৰণ কৰিব লাগিব। এই স্বত্ব কেইটা মই ইংৰাজীতে কৈ দিছো (i) Traditional occupation of a definite geographical area (ii) Distinctive culture which includes whole spectrum of tribal way of life i. e. language, custom, tradition, religion, beliefs, arts, crafts etc. (iii) Primitive traits depicting occupational pattern economy etc (iv Lack of educational and technical economic development.. এই ৪ টা স্বত্ব পূৰণ কৰিলে জনজাতীয় ভাবে স্বীকৃতি প্ৰদান কৰা হয়। অসমত থকা কাৰ্বি সকলৰ বা নৰ্থ ইষ্টানত থকা গাৰো সকলে কিছুমানে ট্ৰাইবেলৰ সুবিধা পাইছে কিছুমানে পোৱা নাই। সেই কাৰণে সংবিধান সংশোধনীৰ প্ৰয়োজন হৈছে। ভাৰতবৰ্ষলৈ যেতিয়া বৃটিশ সকল আহিছিলে ১৮৯১ চনৰ চেনচাচ মতে তেতিয়াৰ ট্ৰাইবেল সকলক ফৰেষ্ট ট্ৰাইব হিচাবে ঘোষনা কৰিছিলে। তাৰ পিচত ১৯২১ চনত সেই জনজাতী সকলক হিলচ এণ্ড ফৰেষ্ট ট্ৰাইব হিচাবে স্বীকৃতি দিয়ে। তাৰ পিচত যি চাইমন কমিশ্যন হল তাৰ ৰিৰ্পট মতে টাইবেল সকলক ট্ৰাইবেল হিচাবে বিশেষ সুবিধা দিবলগা হৈছিল।

( Mr. Speaker Vacated the Chair and Mr. Deputy Speaker occupied it )

মাননীয় উপাধ্যক্ষ মহোদয়, ভাৰতবৰ্ষত প্ৰথম অৱস্থাত বৃটিছে ১৮৯১ চনত ট্ৰাইবেল সকলক ফৰেষ্ট ট্ৰাইব বুলি ঘোষণা কৰিছিল। ১৯২১ চনত চেণ্ট্ৰেলে চেনচাচ কৰিছিল। চাইমন কমিছনে সেই সময়ত পৰ্য্যালোচনা কৰি ৰিপোৰ্ট দিছিল যে ট্ৰাইবেল সকলৰ সা-সুবিধা দিব লাগে। কৈছিল In order to Secure accelerated space of development the Simon Commission were in favour of entrusting the

administration of these area to the centre till they come up to the general level. ১৯২৭ চনত বুটিছ থাকোতে ট্ৰাইবেল সকলক, জনজাতি লোক সকলক আৰু অন্যান্য যি সকল জনসাধাৰণ আছে, তেওঁলোকৰ সমপৰ্য্যায়লৈ অনাৰ স্বাৰ্থত কেন্দ্ৰীভাবে ক্ষমতা প্ৰদান কৰাৰ কথা মত পোষন কৰিছিল । সেই কাৰণে ১৯৩৫ চনত গৱৰ্ণমেণ্ট অব ইণ্ডিয়া এক্ট হৈছিল আৰু তেওঁলোকক বেক্‌ৱাৰ্ড হিচাবে ঘোষণা কৰিছিল । ১৯৪১ চনত জনজাতিৰ কথা উল্লেখ কৰিছে । ১৯৪১ চনতে প্ৰথম জনজাতিয় শব্দটো ভাৰতবৰ্ষৰ ইতিহাসত হৈছে। যেতিয়া ভাৰতবৰ্ষৰ সংবিধান হ'ল তেতিয়া ট্ৰাইবেল সকলক কি বুলি কোৰা হব বিতৰ্ক হৈছিল । জয় পাল সিঙে জনজাতি সকলক আদিবাসী বুলি কবলাগে বুলি কৈছিল । কিন্তু আম্বেদকাৰে ইয়াৰ বিৰোধিতা কৰি কৈছিল যে জনজাতি সকল আদিবাসী হিচাবে ডিচ্‌টিক প্ৰতিফলিত নকৰে । তেখেতে এচ, টি, বুলি কৈছিল । গতিকে ভাৰতবৰ্ষৰ সংবিধান হোৱাৰ পিচত জনজাতি সকলক আমি এচ, টি, হিচাবে পাইছো । সংবিধানৰ ৩২৫ ধাৰাৰ ৩৪২ অনুচ্ছেদত ট্ৰাইবেল কাক কয় সেই সুত্ৰটো আছে । তেতিয়া কোন কোন ট্ৰাইবেল হব পাৰে লিষ্ট তৈয়াৰ হৈছিল । অসমৰ ক্ষেত্ৰতো এনেকুৱা হৈছিল । ভাৰতবৰ্ষৰ সংৱিধানৰ পঞ্চম চিডুৱেলত ভাৰতবৰ্ষৰ তিনিখন ৰাজ্যৰ বাদে বাকী কেইখন ৰাজ্যৰ ট্ৰাইবেল সকল প্ৰশাসনিক ক্ষেত্ৰত এচ, টি, হিচাবে নিৰ্দ্ধাৰিত হয় । পঞ্চম আৰু ষষ্ঠ এই দুটা অনুচ্ছেদৰ ভিতৰত অসম, মেঘালয়, ত্ৰিপুৰা ষষ্ঠ অনুচ্ছেদত আছে । অসমৰ ক্ষেত্ৰত দুটা কথা কোৱা হৈছে, এটা অট'নোমাচ ডিষ্ট্ৰিক্ট বুলি কৈছে আৰু আনটো আউট চাইড অট'নোমাচ ডিষ্ট্ৰিক্ট বুলি কৈছে । কোন কোন ট্ৰাইবেলক স্বীকৃতি দিয়া হব আৰু কোন কোন ট্ৰাইবেলক স্বীকৃতি দিয়া নহয় সেইটো কৈছে । ষষ্ঠ অনুচ্ছেদত ত্ৰিপুৰা আৰু মেঘালয় জিলা গঠিত হোৱাৰ বাবে সংবিধানে অধিকাৰ দিছে । সেই অধিকাৰ মতে কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ দুটা স্বায়ত্ব শাসিত জিলা পৰিষদ আছে । ষষ্ঠ অনুচ্ছেদে এইটো দিছে যদি কোনো এখন স্বায়ত্ব শাসিত জিলাত এটাতকৈ অধিক জনজাতি থাকে তেনেহ'লে প্ৰত্যেকটো জনজাতিৰ কাৰণে ৰিজিওনেল স্বায়ত্ব শাসন থাকিব । কাৰ্বি সকল জনজাতি । ডিমাছা নহয় । সেইকাৰণে তাত আমাৰ আঞ্চলিক স্বায়ত্ব পৰিষদ নাই । কাৰ্বি আংলঙত জিলা পৰিষদ আছে । সংবিধানত অসমৰ কাৰণে এইটো আছে । লিষ্ট অব চিডুৱেল ট্ৰাইবচত বিভিন্ন জনজাতিৰ কথা লিখা আছে । অসমৰ ১৪ টা

জন-জাতিক স্বীকৃতি দিয়া হৈছে। চাকমা, ডিমাছা, কছাৰী, গাড়ো, খাছি-জয়ন্তীয়া, কুকি আদি কৰি ৩৭ টা ট্ৰাইব বুলি কৈছে। দহ নম্বৰত মিজো-লুচাই, ১১ নংত কাৰ্বি, ১২ নংত নগা, ১৩ নং টাই আৰু ১৪ নং ত চিংঠেঙক দিয়া হৈছে। অসমত এই ১৪ টাক অট'নোমাচ ডিষ্ট্ৰিক্টত জনজাতি বুলি স্বীকৃতি দিছে। অসমত আৰু ৯ টা জনজাতি দিয়া দেখিছো, স্বায়ত্ব শাসিত জিলা কেইখনৰ বাহিৰত আৰু ৯ টাক স্বীকৃতি দিছে। বৰ্মন, বড়ো-কছাৰী, দেউৰী, হজং-কছাৰী, সোনোৱাল, লালুং-মেচ, মিচিং, ৰাভা এই ৯ টা অট'নোমাচ ডিষ্ট্ৰিক্টৰ বাহিৰত আছে। অট'নোমাচ ডিষ্ট্ৰিক্টৰ ভিতৰত ১৪ টা ট্ৰাইবছ আছে। গাড়ো সকল অট'নোমাচ ডিষ্ট্ৰিক্টৰ বাহিৰৰ লিষ্টত আছে। বড়ো সকলৰো নাম নাই। লালুং সকল স্বায়িত্ব শাসিত জিলাৰ বাহিৰত আছে। এই বৈশম্যটো আছিল। লিষ্ট কৰোতে কেনে ধৰণে কৰিছে। তেতিয়া চেন্‌চাচৰ ৰিপোৰ্টমতে এইটো হৈছিল, এইটো ভূল হল। বিভিন্ন সময়ত জন-জাতি সকল ডিপ্ৰাইভ হৈছে। তেওঁলোকে মেম'ৰেণ্ডাম দিছে। কিন্তু তেতিয়ালৈকে এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে কোনো ফলপ্ৰসু ব্যৱস্থা গ্ৰহণ কৰা নাই। ৩৩৮ আৰু ৩৩৯ এই অনুচ্ছেদ দুটা অনুসূচিত জাতি আৰু অনুসুচিত জনজাতি এই দুটাৰ ক্ষেত্ৰত বৈশম্য আছে। তেখেত সকলৰ ক্ষেত্ৰত যিখিনি অসুবিধা আছে তাক দূৰ কৰাৰ বাবে এজন স্পেচিয়েল অফিচাৰ নিযুক্তি দিয়াৰ সংবিধানত নিয়ম আছে। সংবিধান গঠন কৰাৰ দহ বছৰ পিছত এটা কমিশ্বন গঠন হৈছিল। এইটো ১৯৬০ চনত হৈছিল। তেতিয়াও বৈষম্য আতৰ হোৱা নাই।

There shall be a Special Officer for the scheduled Castes and scheduled Tribes to be appointed by the President. It shall be the duty of the special Officer to investigate all matters relating to the safeguards provided for the scheduled Castes and Scheduled Tribes under the constitution and report to the President upon the working of those safeguards at such intervals as the President may direct, and the President shall cause all such reports to be laid before each House of Parliament.

এই দুটা ক্ষেত্ৰত এই দফা দুটাৰ সহায়ত আমাৰ যি সমস্যা তাক সমাধান কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে ইচ্ছা কৰিলে ব্যৱস্থা লব পাৰিব। মই এই

দফা দুটা পঢ়ি দিছো—

(3) In this article, reference to the Scheduled Castes and Scheduled Tribes shall be construed as including references to such other backward classes as the president may, on receipt of the report of the commission appointed under Clause ( 1 ) article 340, by order specify and also to the Anglo Indian Community.

আমাৰ তিনি নম্বৰৰ বিশেষ প্ৰয়োজন নাই । কিন্তু বাকী দুটা প্ৰয়োজনীয় । আৰ্টিক'ল ৩৩৯ ত কৈছে যে—

Under Article 339, the President may at any time and shall, at the expiration of ten years from the Commencement of this Constitution by order appoint a commission to report on administration of the Scheduled Areas and the welfare of the Scheduled Tribes in the State.

সংবিধানত এইটো আছে কাৰণেই আমি সুবিধা খিনিৰ কাৰণে ব্যৱস্থা কৰিব পাৰো । মই ভাবো বিভিন্ন জনজাতীয় সংগঠন সমূহৰ দাবীলৈ নচেও বিধানসভাই এইখিনি কৰিব পাৰে । অসমত যিটো বিতৰ্ক হৈছে সেইটোৰ ওৰ পৰিব আৰু অটনো'মাচ জিলাতো ভৈয়ামৰ বড়ো সকলে সুবিধা পাব পাৰিব । ভৈয়ামতো অনুসূচীত পাহাৰীয়া জনজাতি সকলে সুবিধা পাব পাৰিব । এই দিশত অসমত ইতিমধ্যে হৈ থকা বিতৰ্কৰ ক্ষেত্ৰত দুটা কথা কব খুজিছো । ১৯৬১ চনত অনুসূচীত জন-জাতিৰ প্ৰমাণ পত্ৰ পোৱা ভৈয়ামৰ কাৰ্বি সকলে, ১৯৬১ চনৰ লোক পিয়লৰ ডিৰেক্টৰ ই-এইচ পাংটেৰ এটা কথা উল্লেখ কৰিছিল আৰু সেইটো অসম চৰকাৰৰ দৃষ্টিগোচৰ হৈছিল । সেইটো হৈছে—

The scheduled Castes of Assam number 7,32,756 whereas the Scheduled Tribes number 20,64,816 of whom 1,11,506 are Scheduled Tribes living in the Autonomous Districts and 95, 3, 310 are Scheduled Tribes living in the plains districts of Assam. The number

of Scheduled Tribes is actually more than 20,64,816 because of the strict application of the President's order. I have however made a special compilation from the individual census slips and found 1,15,121 Scheduled Tribes Hills live in the plains of Assam and 24,312 Plain Tribes live in the Autonomous Districts of Assam. Thus the total tribal population of Assam proper excluding Nagaland and NEFA about 22,04,249 as on March 1, 1961.

(excerpts from Shri E. H. Pangte, the then Director, Census)

সেই সময়ত অনুসূচীত আছিল সাত লাখ বত্রিশ হাজাৰ ছাপোন্ন জন। অনুসূচীত জনজাতি আছিল বিশ লাখ আঠশ চৌসত্তৰ আৰু তাৰ ভিতৰত এক লাখ এঘাৰ হাজাৰ পাচশ চৌৰাশী জন আছিল অট'নো'মাচ ডিষ্ট্ৰিক্টত আৰু বাকী খিনি আছিল ভৈয়ামৰ জিলাত।

( ভইচ: পাহাৰত বেছি হব। )

মই অট'নো'মাচ ডিষ্ট্ৰিক্টৰ কথা কৈছো। তাৰ পিচত এটা কথা হ'ল দৰকাৰী কথা সেই সময়ৰ চৰকাৰৰ দৃষ্টিগোচৰ হৈছিল।

এইটো বাইশ লাখ চাৰি হাজাৰ ছয়ত্ৰিশ। গতিকে সেই সময়ত যিটো কৈছিল যে বিশ লাখ দেখা গৈছিল আৰু মুঠতে বাইশ লাখ বুলি কৈছিল। যিখিনিক ভৈয়ামৰ ট্ৰাইবেল হিচাবে দিয়া হৈছে তেওঁলোকক অট'নোমাচ ডিষ্ট্ৰিক্টত ট্ৰাইবেল হিচাবে স্বীকৃতি দিয়া নাই। আৰু স্বায়ত্বশাসিত জিলাত দিয়া নাই সেই কাৰণে দুই লাখৰ অধিক আছিল। দুই লাখে সা-সুবিধা পোৱা নাছিল। এইটো চেন্সাচ ৰিপোৰ্টত আছিল ইয়াৰ পিচত চৰকাৰে এটা কাম কৰিলে। ১৯৬২ চনত এখন অধিসূচনা জাৰি কৰিলে। ১৯৬২ চনৰ ১ অক্টোবৰ তাৰিখত জাৰি কৰা অধিসূচনাখন হ'ল:

The Government of Assam have laid down in Their Office Memorandum No. AAP. 144/57/Pt.1/149 dated 1st October, 1962 that members of the Scheduled Tribes living

outside their respective areas specified in order should not suffer economic disadvantages, simply because there is a change of their original habitation provided that they are indigenous Scheduled Tribes of Assam. The Govt. of Assam have, therefore, decided that Scheduled Tribes of the Autonomous Districts living in the plains districts and Scheduled Tribes of the plains living in the Hills Districts respectively should be given the general education, economic concession as well as special privileges in the matter of employment in public services to which they should have been entitled as Scheduled Tribes if they were living in their own Specified areas.

এই পজিটিভ ষ্টেপ লৈছিল ১৯৬২ চনত। দুই লাখ ট্ৰাইবেল মানুহে সুবিধা নোপোৱাৰ চৰকাৰৰ ফালৰ পৰা বিশেষ সমস্যালৈ লক্ষ্য ৰাখি তেতিয়া এই ব্যৱস্থা লৈছিল। ইয়াৰ দ্বাৰা তেওঁলোকে আৰ্থিক সামাজিক সুবিধা পাব বুলি কৈছিল যদিও কামত প্ৰক্ৰিয়াটোত ট্ৰাইবেল সকলে সুবিধা নাপালে। আজি সেই কাৰণে সদনত এই কথা উল্লেখ কৰিছো যে প্ৰস্তাৱটোত কাৰ্বি সকলৰ কথা আহিছে এই প্ৰস্তাৱটো মডিফাই কৰি লৈ চাব লাগে। মাননীয় সদস্যই কৈছে যে সংবিধানত ৩৪২ অনুচ্ছেদৰ অৱশ্যকীয় সংশোধন কৰি হলেও মৈৱামৰ কাৰ্বি সকলক অনুসূচীত জনজাতিৰ স্বীকৃতি দিয়াৰ ব্যৱস্থা কৰিব লাগে। গাৰো, বড়ো আৰু তিৱা যি সকল আছে পাহাৰীয়া অটনোমাচ জিলা দুখনত সেই সকলো স্বীকৃত হব লাগে। মই এই কাৰণেই কৈছো তেতিয়া গোৱালপাৰা পূব, পশ্চিম, দুধনৈ, পলাশবাৰী, ছয়গাওঁ গুৱাহাটী পুব সকলো সমষ্টিৰে লোকেই এই সুবিধা পাব পাৰিব। গাৰো সকলে মেঘালয়ত সুবিধা পাইছে কিন্তু অসমত তেনে সা-সুবিধা পোৱা নাই। সেই কাৰণে এই কথা বিলাক চিন্তা কৰি কেন্দ্ৰীয় চৰকাৰক সজাগ কৰাৰ স্বাৰ্থত আমাৰ চৰকাৰে ইয়াত উত্থাপিত এই প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত উত্থাপন কৰিব। ইয়াকে কৰিলে এই দিশত বিহিত ব্যৱস্থা গ্ৰহণ কৰিলে বহুদিন ধৰি চলি অহা এই বৈষম্য দূৰ কৰিবলৈ এই অঞ্চল সমূহৰ অনুসূচীত জনজাতিক প্ৰতিনিধিত্ব কৰি অহা লোকসকলৰ বিধান সভাত এক

বলিষ্ঠ ভূমিকা হব। সেই সময়ৰ অসমৰ ভৌগোলিক-পৰিসীমা বেলেগ আছিল কাৰণে চিডিউল সেইভাবে হৈছিল। এতিয়া এই সকলকো চিডিউল কৰিলে কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুদান পোৱাত সহজ হব আৰু এই সকল লোকক সুবিধা দিব পৰা হব। এইখিনি কৈ প্ৰস্তাৱটো মাননীয় সদস্য সকলৰ দৃষ্টিগোচৰ কৰি তেখেতসকলৰ অভিমত দাঙি ধৰিব বুলি আশা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Dy. Speaker :— Hon'ble member Mr. Bharat Ch. Narah.

★ শ্ৰীভৰত চন্দ্ৰ নৰহ: মাননীয় সদস্য শ্ৰীহিতেন গোস্বামী, শ্ৰীহাজৰিকা আৰু গোৱালাই যিটো প্ৰস্তাৱ আনিছে এই প্ৰস্তাৱ আমাৰ পক্ষৰ পৰা জনাওঁ তাত সামান্য ভুল হৈ আছে। যিটো অসমত বসবাস কৰাৰ ঠাইত অসমৰ ভৈয়ামত বসবাস কৰা নিচিনা হ'ব লাগে। অসমৰ জনজাতীয়ৰ ঠাইত অসমৰ ভৈয়ামৰ জনজাতি নিচিনাকৈ হব লাগে। এইটো তাত শুধৰালগীয়া আছে। অসমৰ কাৰ্বি আংলঙলৈ গলে কাৰ্বি আংলঙত পৰিব। মই অৱশ্যে পিছত শুধৰাই দিছো মাননীয় গোস্বামী আৰু হাজৰিকাই যিখিনি প্ৰস্তাৱ ডাঙি ধৰিছে সেইটো আমাৰ কংগ্ৰেছৰ তাত পুৰণ সমৰ্থন আছে। ভৈয়ামত বাস কৰা কাৰ্বি লোকসকলক ভৈয়াম জনজাতিৰ যিখিনি ৰাজনৈতিক সা-সুবিধা দিব লাগে সেইখিনি ৰাজ্য চৰকাৰে অৱশ্যে ইতিমধ্যে কৰিছে। অসমৰ ভৈয়াম জনজাতি সকলে যিবিলাক অৰ্থনৈতিক সা-সুবিধা পাই সেই সকলো অৰ্থনৈতিক সা-সুবিধা কাৰ্বি আংলঙৰ সকলকো প্ৰদান কৰিব পাৰে। আৰু ৰাজনৈতিক যিটো অধিকাৰ, ৰাজনৈতিক সুবিধা তাৰ পৰা বঞ্চিত হৈ আছে। অৱশ্যে অৰ্থনৈতিক সা-সুবিধা যদিও প্ৰদান কৰা হৈছে অন্যান্য ভৈয়াম জনজাতি সকলৰ নিচিনাকৈ হোৱা নাই। কেন্দ্ৰীয় বাজেটত পইচা পৰ্য্যাপ্ত নোহোৱাৰ কাৰণে অৰ্থনৈতিক সুবিধা কাৰ্বি সকলে পোৱা নাই। ভৈয়ামৰ কাৰ্বি সকলেও পোৱা নাই। একজিষ্টিং আইন মতে বড়ো, মিচিংৰ নিচিনাকৈ ভৈয়ামৰ কাৰ্বি লোককো অৰ্থনৈতিক সুবিধা দিয়াৰ ব্যৱস্থা আছে। আৰু দিব পাৰে চৰকাৰে পৰ্য্যাপ্ত পৰিমানৰ ধন আৱণ্টন কৰি সেইখিনি সুবিধা তেওঁলোকক দিব পাৰে। ৰাজনৈতিক যিখিনি সুবিধা সেইটো আগৰ পৰাই পাইছে। অসমৰ ভিতৰতে কাৰ্বি আংলঙত থাকিলে কাৰ্বি জনজাতি হ'ব, পাহাৰীয়া জনজাতি হ'ব, কাৰ্বি আংলংৰ পৰা ভৈয়ামলৈ আহিলে তেওঁলোকে সেইখিনি সুবিধা নাপাব। হিলচ, আৰু প্লেইনচ্‌ৰ যিটো ৰেষ্ট্ৰিকচন সেইটো নোহোৱা কৰিব লাগে। কাৰ্বি আংলঙৰ

★ Speech not Corrected

এজন লোক অসমলৈ আহি বসবাস কৰিলে ভৈয়াম জন জাতিৰ সুবিধা পাব। ভৈয়ামৰ লোক এজন কাৰ্বি আংলঙত বাস কৰিলে তেওঁ তাত পাহাৰীয়া জন-জাতিৰ সুবিধা পাব লাগে। এইটো বুটিছে কৰি থৈ গৈছে। ভাৰতবৰ্ষ স্বাধীন হোৱা ৫০ বছৰ হৈ গ'ল। কেতিয়াবাই হ'ব লাগিছিল। প্ৰস্তাৱটোত অনা কথা-বিলাকৰ ভিতৰত এইটো কবলগীয়া কথা চৰকাৰে নকৰাৰ কাৰণে কবলগীয়া হৈছোঁ। ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰলৈ কাৰ্বি সকলকো ট্ৰাইবেলৰ লিষ্টত ভৰ্ত্তি কৰি পঠাব লাগে। তেতিয়াহলে কাৰ্বি সকলেও ভৈয়ামৰ বড়ো, মিচিংৰ দৰে সুবিধাবিলাক পাব। শ্ৰীগোস্বামী আৰু হাজৰিকাই ভৈয়ামত বসবাস কৰা সকলৰ বিষয়ে বিতং ভাবে জনাইছে। কাৰ্বি আংলঙত বসবাস কৰা অনা কাৰ্বি, বড়ো, সোনোৱাল কছাৰী, আদিবাসী তেওঁলোকৰ বিতংভাৱে তথ্য দাখিল নকৰিলে। সেই কাৰণে মই দুআষাৰমান কব বিচাৰিছোঁ।

অবিভক্ত শিৱসাগৰ জিলাৰ মৰঙ্গী, সৰুপথাৰ আৰু বৰপথাৰ মৌজা বৰ্তমান মেঘালয় ৰাজ্যৰ জোৱাই জিলাৰ ব্লক নং ১, ব্লক নং ২ অঞ্চল আৰু বৰ্তমান নগাওঁ জিলাৰ গোভা, লংকা, লামডিং ঘিলাধাৰী, ডুৱাৰ চালনা আৰু ন মাটি মৌজাসমূহ সামৰি ১৯৫১ চনত সংযুক্ত উত্তৰ কাছাৰ আৰু মিকিৰ পাহাৰ জিলা গঠন কৰে। বৰ্তমানৰ স্বায়ত্ব শাসিত কাৰ্বি আংলঙ জিলাখনক ১৯৭২ চনৰ ২৩ জুনত গঠন কৰি উদ্বোধন কৰে। ১৯৫১ চনৰ পৰাই অনাকাৰ্বিসকল তাত বসবাস কৰি আহিছে। ১৯৭১ চনৰ লোক পিয়ল মতে কাৰ্বি আংলংৰ মুঠ জনসংখ্যা ৩,৭৯,৩১০ জন আৰু ইয়াৰে ২,১০,৭৮৭ জন অনাকাৰ্বি লোক, ১৯৯১ চনৰ লোকপিয়ল অনুসৰি অনাকাৰ্বি জনসংখ্যা বৰ্তমান শতকৰা ৬৫ ভাগ হয়।

১৯৯১ চনৰ পৰা বড়ো, আদিবাসী, টিৱা, সনোৱাল কছাৰি সকলে বসবাস কৰাৰ পিছত তেওঁলোকক তাত বিভিন্ন সুবিধাৰ পৰা জিলা পৰিষদে বঞ্চিত কৰি আছে। তেওঁলোকে তাত বিশেষকৈ মাটি পট্টনৰ ক্ষেত্ৰত বড়ো, সোনোৱাল কছাৰী, টিৱা, আদিবাসী সকলক মাটি বন্দোবস্তিৰ পৰা জিলা পৰিষদে বঞ্চিত কৰি ৰাখিছে। কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদে যিবোৰ নিযুক্তি দিছে, এল, পি স্কুলকে ধৰি সকলোতে বঞ্চিত কৰিছে। বড়োৰ কোনো পাৰ্টি নাই। সোনোৱাল কছাৰীৰ নাম নাই, নিযুক্তিত কাৰ্বি আংলঙত বঞ্চিত কৰা হৈছে। প্ৰায়ে তাত বঞ্চিত কৰা হৈছে। এই কথাত কাৰ্বি আংলঙত বসবাস কৰা বড়ো আদিবাসী, সোনোৱাল কছাৰি সকলে মাজে মাজে বিভিন্ন সংগঠন

মূল দাবী উৎথাপন কৰি আহিছে। তেওঁবিলাকৰ মূল দাবী হৈছে কাৰ্বি আংলঙত বড়ো, আদিবাসী, টিৱা, সোনোৱাল, কোচ ৰাজবংশী, আহোম চুটীয়া, মৰাণ আৰু মটক সকলক ষষ্ঠ অনুসূচীকৰণ কৰিব লাগে। ২ নম্বৰতে অনা-কাৰ্বিৰ জনগোষ্ঠীৰ লোকসকলক কাৰ্বি আংলঙৰ স্থায়ী বাসিন্দা হিচাপে স্বীকৃতি দিব লাগে। ভূমি পট্টন, নিযুক্তি, অৰ্থনৈতিক সা-সুবিধাৰ ক্ষেত্ৰত সম অধিকাৰ দিব লাগে। জিলা পৰিষদৰ, সংসদৰ আৰু বিধান সভাৰ কাৰণে অনাকাৰ্বি সকলৰ কাৰণে আসন সংৰক্ষণ কৰিব লাগে। এইটো দাবী চৰকাৰৰ ওচৰত ১৯৯১ চনৰ পৰাই জনাই অহা হৈছে। বড়ো, সোনোৱাল কছাৰী, টিৱা সকলে দাবী উৎথাপন কৰি আহিছে। কিন্তু ৰাজ্য চৰকাৰে এইটোত কোনো গুৰুত্ব দিয়া নাই। তাত কুকী সম্প্ৰদায়ৰ লোক আছে। কুকী নেচনেল এছেম্বলীয়ে বহু দিনৰ পৰাই দাবী কৰি আহিছে অট'নোমাছ কাউন্সিল এটা দিব লাগে। কিন্তু ৰাজ্য চৰকাৰে এইটো এতিয়ালৈকে ব্যৱস্থা লোৱা নাই।

মাননীয় সদস্যসকলক জনাব খুজিছো, যেতিয়া কংগ্ৰেছ চৰকাৰ ইয়াত আছিল তেতিয়া মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া আছিল। কাৰ্বি আংলঙত বসবাস কৰা কুকী লোকৰ বাবে কুকী নেচনেল এছেম্বলীৰ দাবী মতে কুকী সকলক অটোনোমাছ ৰেজিয়ন দিব পাৰি। এই বিষয়ত এজনীয়া আয়োগ গঠন কৰা হৈছে।

চিক্স চিডিউল, পেৰা ১৪ (১) অনুসৰি অসম চৰকাৰে নিয়ম মতে অনুসন্ধান আয়োগ গঠন কৰিব লাগে। তেতিয়া কুকীসকলৰ এই দাবী পৰীক্ষা কৰিছে। ইংৰাজী ৮।৬।৯৪ তে এজনীয়া আয়োগ গঠন কৰা হ'ল। যোৱা ১৯৯৫ চনৰ ৮ মে তাৰিখে এজনীয়া আয়োগে ৰিপোৰ্ট দাখিল কৰিছে। কাৰ্বিআংলঙৰ জিলা উপায়ুক্তই ১৯৯৫ চনৰ ১৮ জুন তাৰিখে প্ৰতিবেদন দাখিল কৰিছে। কুকীসকলৰ সমস্যাবোৰৰ সন্দৰ্ভত। অসম গণ পৰিষদ চৰকাৰে বা মৰ্চা চৰকাৰে এই ৰিপোৰ্টৰ ওপৰত ভিত্তি কৰি এতিয়া-লৈকে একো কৰা নাই। বড়ো, আদিবাসী, লালুং, কোচ ৰাজবংশী সকলে এছ, টি হিলচৰ দাবী উৎথাপন কৰিছে। এই দাবী পৰীক্ষা কৰিবৰ কাৰণে ১৯৯৫ চনৰ ৩০ আগষ্টতে ৪ জনীয়া কমিটি অসম চৰকাৰে গঠন কৰি দিছে। এই দাবীবোৰ পৰীক্ষা কৰিবলৈ। বড়ো আৰু আন সম্প্ৰদায়ক এছ, টি হিলচ কৰিব পৰা হব নে নহয়? এই কমিটিয়ে প্ৰতিবেদন দাখিল কৰিছে। চৰকাৰে একো ব্যৱস্থা লোৱা নাই আৰু এই কমিটিৰ ইতিমধ্যে প্ৰতিবেদন

দাখিল কৰিছে। কিন্তু দাখিল কৰাৰ পিছত চৰকাৰে একো একচন লোৱা নাই। চাৰ ; ভাৰতীয় সংবিধানত ৬ চিডিউলৰ পেৰা ১. ২ লিখিছে If there are different Schedule Tribes in an Autonomous District, Governor may by public notification divide area or areas inharited by them into Autonomous Regions. সেই কাৰণে কাৰ্বি আংলঙৰ কুকি সকলক অটোন'মাচ কৰিব পাৰে। ৬ চিডিউলত আছে ৰিজ'নেবল কাউনচিল কৰিব পাৰে। There shall be a District council for each autonomous district consisting of not more than thirty members, of whom not more than four persons shall be nominatcd by the Governor and the rest be elected on the basis of aduet suffrage.

There shall be Separate Regional Council for each area constituted as autonomous region under Sub-para (2) of para 1 of this schedule সেই কাৰণে কাৰ্বি আংলঙত থকা বড়ো, কুকী. সোনোৱাল কছাৰী সকলক ভাৰতীয় সংবিধান অনুসৰি অটনোমাচ ৰিজিয়ন চৰকাৰে কৰিব পাৰে। ৬ চিডিউল পেৰা ১৪ ত কোৱা হৈছে— Sixth Schedule— para- 14 - The Governor may at any time appoint a Commission to examine and report on any matter specified by him relating to the administration of the autonomous districts and autonomous regions in the State, including matters specified in Cls, (c), (d), (e) and (f) of sub-paragraph (3)of para 1 of this Schedule or appoint a Commission to inquire into and report from time to time on the administration of autonomous districts and autonomous regions in the state generally and in particular.

সেই কাৰণে অসম চৰকাৰৰ প্ৰয়াত মুখ্য মন্ত্ৰী হিতেশ্বৰ শইকীয়া দেৱে ৮/৬/৯৪ তাৰিখে এজনীয়া আয়োগ গঠন কৰে। কুকী অটনোমাচ ৰিজিয়ন ক্ৰীয়েট কৰিব পাৰে নে নোৱাৰে সেইটো চাবলৈ। আৰু ৮ মে' ১৯৯৫ চনত কমিচনে প্ৰতিবেদন দাখিল কৰে। ১৮ জুন ১৯৯৫ চনত জিলা উপায়ুক্তই প্ৰতিবেদন দিছে, কুকী সকলৰ সমস্যাৰ সন্দৰ্ভত। ১৯৯৫ চনত ৩০ আগষ্টত

চাৰি জনীয়া কমিটি অসম চৰকাৰে গঠন কৰে বড়ো লালুং কোচ বা ৰাজবংসী আৰু অন্যান্য সম্প্ৰদায়ৰ এচ, টি (হিলচ) কৰিব পাৰিব নে নোৱাৰে অনুসন্ধান কৰিবলৈ। উক্ত সম্প্ৰদায়ৰ লোকক সকলো ক্ষেত্ৰতে বৈশম্য কৰা সম্পৰ্কও তদন্ত কৰা হৈছে। আৰু তাৰ প্ৰতিবেদন দাখিল কৰিছে। এই সকলো বিলাক কংগ্ৰেছৰ দিনতেই কৰা হৈছে। কাৰবি আংলংত অধিক কাৰ্য্যকৰি কৰিবলৈ আমাৰ সমৰ্থন আছে। এতিয়া মহন্ত ডাঙৰীয়াই ডিফুলৈ যাব বিছাৰিছে মোৰ পূৰ্ণ সমৰ্থন আছে আৰু লগতে কওঁযে ড্ৰিচট্ৰিক্ট অটোনোমাচক ফুল পাৱাৰ দিব লাগে। আৰু অসমত বড়ো মিচিং আদি অন্যান্য পাহাৰুৱা জাতি সমূহক পূৰ্ণ সুবিধা দিব লাগে বুলি ৰাজ্য চৰকাৰে কেন্দ্ৰিয় চৰকাৰক জনাব লাগে। কাৰবি আংলংত বসবাস কৰা বড়ো, কছাৰী, ৰাভা লালুং সকলোকে সমান অধিকাৰ দিব লাগে। যিহেতুকে তেওঁলোকে কোকৰাঝাৰত বসবাস নকৰে কাৰবি আংলংত কৰে সেই বুলি তেওঁলোক বঞ্চিত সকলো সুবিধা পৰা হব নোৱাৰে। গোস্বামী ডাঙৰীয়াই যিটো প্ৰস্তাৱ কৰিছে যে পাহৰুৱা ভাই সকলক ৰাজনৈতিক সুবিধা দিব লাগে সেইটো মই সমৰ্থন কৰিছো। এই খিনিকে কৈ মই ব্যক্তব্যৰ সামৰণি মাৰিলো।

★ শ্ৰীডেৰহাগ্ৰা মুছাহাৰী : মাননীয় অধ্যক্ষ মহোদয়, যিটো মোচন আনিছে আমাৰ মাননীয় সদস্য সকলে, তাৰ বাবে মই ধন্যবাদ আগবঢ়াইছো। কাৰণ এইটো বৰ গুৰুত্বপূৰ্ণ বিষয়। আজি জনজাতি সকলৰ মাজত বহু বছৰৰ পৰা ৰাজনৈতিক ভাৱে বৈশম্যমূলক নীতি অৱলম্বন কৰি আহিছে। আজি মোচনৰ যোগেদি আমি আশা ৰাখিছো, অসম চৰকাৰে বৈশম্যমূলক নীতি নোহোৱা কৰিব পাৰিব। কাৰবি আংলংত কাৰবি সকলে যি অৱস্থাত বসবাস কৰে আমি জানো যে তেওঁলোকৰ সামাজিক অৱস্থা অতি বেয়া। তেওঁলোকে পাহাৰৰ অতি ভিতৰুৱা অঞ্চলতো বসবাস কৰে। আৰু তেওঁলোকে শিক্ষা দিক্ষা লাভ কৰিবলৈ নামনিলৈ নামি আহে। তেওঁলোকে আৰ্থিক দিশত আৰু শিক্ষা দিশত আগবাঢ়ি যাবলৈ তললৈ নামি আহে। এনেকুৱা ভৈয়াম অঞ্চললৈ আহে য'ত তেওঁলোকে সকলো ফেচিলিটিৰ পৰা বঞ্চিত হৈ আছে। বড়ো, মিচিং, লালুং ৰাভা সকলে ভৈয়ামৰ জন-জাতি হিচাবে যিটো সুবিধা পায় সেই সুবিধাৰ পৰা তেওঁলোক বঞ্চিত হৈ আছে। দেখ দেখকৈ তেওঁলোকৰ ক্ষেত্ৰত বৈশম্য মূলক নীতি অৱলম্বন কৰা হৈছে। খামখেয়ালী চলি আছে। কাৰ্বি আংলংত কাৰ্বি আৰু বড়ো সকলৰ মাজত

★ Speech not Corrected

কাৰ্বীয়া চলি আহিছে । ইয়াৰ মূল কাৰণ হ'ল কাৰ্বি সকলে যি সুবিধা ভাৰতীয় সংবিধান মতে পায় বড়ো সকলে নাপায় আৰু কাৰ্বিসকল ভৈয়ামত থাকিলে সেই সুবিধা নাপায় । কাৰ্বি, বড়ো আৰু অন্যান্য জনজাতি সমূহক সমান স্বীকৃতি প্ৰাপ্ত কৰিবলৈ ভাৰত চৰকাৰৰ ওচৰত আবেদন নিবেদন কৰি ব্যৱস্থা ইমান দিনে লোৱা নাই । আজি মোচনৰ যোগেদি যিটো আহিছে দীৰ্ঘ দিনিয়া সমস্যাৰ বহুল ভাবে আলোচনা কৰি সমাধান কৰিব বুলি আশা ৰাখিলো । কাৰ্বি আলংত বড়ো, সোনোৱাল, লালুং, মিচিং আদি ভৈয়াম জন-গোষ্ঠীক স্বীকৃতি দুনোৱা ভাল হব বুলি মই ভাবো । সামাজিক ভাৱে, অৰ্থনৈতিক ভাৱে বা টকা পইচা লৈ যিটো প্ৰশ্ন উঠিব সেই সকলোবিলাক সমানে ধৰিলে আৰ্থিক ভাৱে আগবাঢ়ি যাব পাৰিব । ভৈয়ামত থকা কাৰ্বি বন্ধু সকলক ভৈয়ামত স্বীকৃতি দিব লাগে । তেতিয়াহলে তেওঁলোকে অৰ্থনৈতিক দিশত আগবাঢ়ি যাব পাৰিব ।

মাননীয় উপাধ্যক্ষ মহোদয়, ভৈয়ামত থকা কাৰ্বি বন্ধু সকলকো অনুসূচীত জনজাতি হিচাবে স্বীকৃতি দিব লাগে । তেতিয়াহে ভৈয়ামত থকা কাৰ্বিলোক সকলো কৃষি আৰু অৰ্থনীতি ক্ষেত্ৰত আগবাঢ়ি যাব পাৰিব । মই বেছি কব খোজা নাই, মই আশা ৰাখিছো যে এই মোচনৰ যোগেদি আমাৰ ভৈয়ামৰ জন-জাতি সকলক সমস্যা সমাধান কৰাত যথেষ্ট সহায়ক হব । এইখিনি কৈ মই বক্তব্য শেষ কৰিলো ।

**Mr. Dy. Speaker :** Now Hon'ble member Shri Hemen Das.

★ হেমেন দাস ঃ মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰস্তাৱটো মই সমৰ্থন কৰিছো যদিও এই প্ৰস্তাৱৰ এটা শব্দ মই মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো । আশা ৰাখিছো প্ৰস্তাৱৰ উৎথাপক সকলে বিবেচনা কৰি চাব । আমি 'চিডিউল' শব্দটোৰ অসমীয়াত আমি অনুসূচীত বুলি কওঁ । এচ, চি, অনুসূচিত জাতি আৰু এচ, টি, ক অনুসূচীত জনজাতি বুলি কওঁ । এইটো অনুচ্ছেদ হয় নে নহয় ? এইটো তেখেত সকলৰ ওপৰতে আমি এৰি দিছো । যি কি নহওক বহুত দিন ধৰি ভৈয়ামৰ জন জাতি সকলক যিবিলাক সুযোগ সুবিধাৰ পৰা বঞ্চিত কৰি ৰখা হৈছে সেইবিলাক তেওঁলোকে পাব লাগে । পাহাৰ বা ভৈয়ামত থকা গাৰো সকলৰো অসমত পাহাৰীয়া জনজাতি হিচাবে চিহ্নিত কৰা হোৱা নাই । সেইদৰে ভৈয়ামত থকা কাৰ্বি আৰু বড়ো সকলে আজি আপত্তি কৰিছে তেওঁলোকক জনজাতি হিচাবে ধৰা নাই । ইয়াত দুটা

★ Speech not Corrected

ভাগ কৰিছে । গতিকে এই গোটেই কথাখিনি চালি-জাৰি চাই প্ৰস্তাৱটো সাঙুৰি লৈ প্ৰস্তাৱটো পাছ কৰি দিলে ভাল হব বুলি মই ভাবিছো । এই বিলাক কাৰণকে লৈ এই মানুহখিনিয়ে ৰাজ্যখনত আন্দোলন চলাই থকাতকৈ সমস্যাটোৰ অৱসান ঘটাব বুলি আশা ৰাখিলো ।

★ শ্ৰীভূপেন ৰায় : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিধায়ক শ্ৰীহিতেন গোস্বামী, শ্ৰীবিনোদ গোৱালা আৰু শ্ৰীপ্ৰবীন হাজৰিকা ডাঙৰীয়াই যি প্ৰস্তাৱ উৎথাপন কৰিছে তাত মই সমৰ্থন জনাইছো । এইখিনিতে মই এটা কথা ব্যক্ত কৰিব বিচাৰিছো বিশেষকৈ নামনি অসমৰ ফালৰ গাৰো সকলক পাহাৰীয়া বুলি আমাৰ দাস ডাঙৰীয়াইও কৈছে যে ভৈয়ামত বসবাস কৰি থকা লোক সকলে অনুসূচীত জনজাতীয়ে পোৱা সুযোগ সুবিধাকণ তেওঁলোকে ভোগ কৰিব পৰা নাই । জনসাধাৰণৰ মাজত এই বিষয়ে বিতৰ্ক উঠি আছে । ভৈয়ামত বসবাস কৰা গাৰো, কাৰ্বি আৰু বড়ো সকলে পাহাৰত বাস কৰা গাৰো, কাৰ্বি আৰু বড়ো সকলৰ দৰে অনুসূচীত জনজাতি সম্প্ৰদায়ৰ সংবিধানিক সা-সুবিধা সমূহ পোৱা নাই । এইটো তেওঁলোকেও পাব লাগে । গতিকে এই প্ৰস্তাৱটো উচিত প্ৰস্তাৱ হৈছে । গতিকে মই দাবী কৰিছো যে এই প্ৰস্তাৱটো গৃহীত হোৱা অতি প্ৰয়োজন । আজি দীৰ্ঘদিন ধৰি সংবিধানৰ ফালৰ পৰা কোচ-ৰাজবংশী সকলেও তেওঁলোকক জন-জাতিকৰণ কৰিব লাগে বুলি দাবী উৎথাপন কৰি আহিছে । কোচ ৰাজবংশী সকলক ভাৰত চৰকাৰে জনজাতি কৰণ হিচাবে আখ্যাদি অৰডিনেন্স কৰিছিল কিন্তু সেই অৰডিনেন্স খন আজিলৈকে নবী কৰণ কৰা হোৱা নাই । অসমত বসবাস কৰা কোচ ৰাজবংশী সকল বহুখিনি ক্ষেত্ৰত দুচিন্তা আৰু অসুবিধাত পৰিছে । মই আশা ৰাখিছো মাননীয় সদস্য সকলে মাননীয় সদনতে কোচ ৰাজবংশী সকলক জনজাতি কৰণ কৰাৰ এটা প্ৰস্তাৱ গ্ৰহণ কৰিব । ভাৰতৰ মাননীয় ৰাষ্ট্ৰপতি মহোদয়ে কোচৰাজবংশী সকলৰ জনজাতি কৰণৰ বাবে যি অধ্যাদেশ জাৰি কৰিছিল, যেই অধ্যাদেশ আজিও নবীকৰণ হোৱা নাই, সেয়ে মই দাবী কৰিছো ইয়াক নবীকৰণ কৰিবৰ বাবে আমি সকলোৱে চেষ্টা কৰিব লাগে ।

মাননীয় উপাধ্যক্ষ : আপুনি প্ৰস্তাৱটোৰ ওপৰত কওক ।

★ শ্ৰীভূপেন ৰয় : মাননীয় উপাধ্যক্ষ মহোদয়, মই প্ৰস্তাৱৰ ওপৰতেই

---

★ Speech not Corrected

কৈছো লগতে এইখিনিও সাঙুৰি দিছো। আজি চাহ জনগোষ্ঠীয়েও অনুসূচীত জনজাতিকৰণৰ বাবে দাবী জনাই আহিছে। এই দাবীৰ সন্দৰ্ভত মই কওঁ যে অসমৰ উন্নতি আৰু ভৱিষ্যত চিন্তা চৰ্চ্চা কৰি মাননীয় সদস্য সকলে এই কথাটো গুৰুত্ব দিব আৰু এই প্ৰস্তাৱটো সদনত পাছ কৰি দিব। কোচ ৰাজবংশী সকলক লগতে চাহ জনগোষ্ঠী আৰু অন্যান্য জনজাতি সকলৰ লগতে জনজাতিকৰণ কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী উৎথাপন কৰিবলৈ অনুৰোধ জনালো আৰু এই প্ৰস্তাৱটোৰ প্ৰতি সমৰ্থন জনাই মই মোৰ বক্তব্য ইয়াতে সামৰণি মাৰিলো।

★ শ্ৰীপৃথিবী মাঝি: মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিধায়ক শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী, শ্ৰীপ্ৰবীন হাজৰিকা আৰু শ্ৰীবিনোদ গোৱালা ডাঙৰীয়াই অনুসূচীত জাতি আৰু জনজাতি সকলৰ সা-সুবিধা প্ৰদানৰ বাবে যি মোচন আনিছে সেই মোচনৰ সমৰ্থন জনাই মই কওঁ যে তেখেত সকলে এই সা-সুবিধাখিনি পাব লাগে। এই বিষয়টো অত্যন্ত গুৰুত্বপূৰ্ণ। এই বিষয়টো চালি-জাৰি চালে দেখা পোৱা যায় যে আজি ভাৰতৰ যি সংবিধান, আৰু এই সংবিধানৰ যি ব্যৱস্থা এইখিনি বৃটিছৰ দিনৰে পৰা চলি অহা ব্যৱস্থা। ১৯৩৫ চনৰ ভাৰত চৰকাৰৰ যিখিনি ব্যৱস্থা আছিল সেই ব্যৱস্থা খিনিকে অনু-কৰণ কৰি এই সংবিধানখন গ্ৰহণ কৰা হৈছিল। এতিয়া অতি প্ৰয়োজন হৈছে এই সংবিধানখন সংশোধন কৰা। ভাৰতৰ সংবিধানত থকা ১৯৪২ ধাৰা অনুযায়ী যি জনজাতিকৰণ কৰিব লাগে সেই ধাৰাটো সংশোধন কৰাৰ প্ৰয়োজন হৈছে। আজি অতি উচিত সময়তে আমাৰ সদস্য সকলে এই মোচনটো আনিছে। গতিকে এই গোটেই বস্তুখিনি ৰিভিউ কৰিবলৈ আমি সকলোৱে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত অনুৰোধ কৰিব লাগে। কেৱল কাৰ্বি সকলে নহয় সকলো জনজাতি লোককে অনুসূচীত জনজাতিকৰণত অন্তভূক্ত কৰিবলৈ অনুৰোধ কৰা হৈছে তেতিয়াহে তেখেত সকলেও সা-সুবিধা পাই সকলোৰে লগত সমানে আগবাঢ়ি যাব পাৰিব। সুবিধাবোৰ নাপালে তেখেত সকল পিচ পৰি ৰব। 'পলিচিৰ' কাৰণেই এইবিলাক বেমেজালি হৈ আছে। এই মানুহখিনিক সকলো ক্ষেত্ৰতে সমানে আগবঢ়াই নিবৰ বাবে তেনে কোনো ব্যৱস্থা নাই। পাহাৰত থকা সকল জনজাতি হয় আকৌ ভৈয়ামত থকা একে

★ Speech not Corrected

জাতিৰ মানুহ জনজাতি নহয়। তেনেকৈয়ে ভৈয়ামৰ এটা বিশেষ অঞ্চলৰ মানুহ অনুসুচীত জনজাতিৰ হয় আৰু সেই এৰিয়াটোৰ বাহিৰ হলেই অনুসুচীত জনজাতি নহয়। গতিকে সংবিধানৰ ১৯৪২ ধাৰাটো সংশোধনৰ কাৰণে আমি কেন্দ্ৰীয় চৰকাৰক জোৰ দি অনুৰোধ কৰিবই লাগিব। সংবিধানৰ যিটো ৩৪২ ধাৰামতে জনজাতিকৰণ কৰা হয় সেইটো সংশোধন কৰিব লাগিব। এইটো এটা বিশেষ এৰিয়া নহয়। এখন ৰাজ্যৰ পৰা জনজাতি সকল অন্য এখন ৰাজ্যলৈ গুচি গলে তাত জনজাতিৰ সুবিধাখিনি নাপায়। এইটো কিয় হয়। অন্য এখন ৰাজ্যলৈ গলে জনজাতি সকলৰ চৰিত্ৰৰ পৰিবৰ্ত্তন হয় নেকি? এইটো কেতিয়াও হব নালাগে। অন্য ৰাজ্যতো বাদেই আনকি এখন জিলাৰ পৰা অন্য এখন জিলালৈ জনজাতিৰ লোক গলেও তেওঁলোকক জনজাতি সকলৰ সুবিধা প্ৰদান কৰা নহয়। থিক তেনেকৈয়ে বিহাৰৰ জনজাতি সকলক বেঙ্গললৈ গলে তাত তেওঁলোকক জনজাতি বুলি নধৰে। আকৌ বিহাৰৰ আৰু বেঙ্গলৰ জনজাতি সকল যদি অসমলৈ আহে অসমত তেওঁলোকক জনজাতি বুলি ধৰা নহয়। গতিকে দেখা গল সমগ্ৰ জনজাতি সকলৰ উন্নয়নৰ কাৰণে ভাৰতীয় সংবিধানৰ বিশেষ একো ব্যৱস্থা ৰখা নাই। সেয়ে এইটো সংশোধনৰ সময় হৈছে। চাহ জনগোষ্ঠীৰ কথাটো এই ক্ষেত্ৰত ৰিলিভেণ্ট। সেইকাৰণে কৈছো ইম্প্ৰিশ্যেন নোহোৱাকৈ পৃথিৱীৰ কোনো সভ্যতাই গঢ় লৈ উঠিব নোৱাৰে। আনকি আহোম আৰু কছাৰী সকলেও ১৫০ / ২০০ বছৰৰ আগতে অসমলৈ আহিছিল। কোনোবা হয়তো এবছৰ কোনোবা হয়তো ১০ বছৰ আগতে আহিছে। কিন্তু এনেকৈয়ে ইম্প্ৰিশ্যান হৈয়েই এখন সমাজ গঢ় লৈ উঠিছে। মাইগ্ৰেশ্যন নোহোৱাকৈ কেতিয়াও থাকিব নোৱাৰে। ধৰক অসমৰ আজি যি সকল জনগোষ্ঠী বিভিন্ন অঞ্চল তথা ৰাজ্যৰ পৰা আহিছে, তাৰ ভিতৰত বিহাৰ উৰীষ্যা আৰু মধ্য প্ৰদেশৰ পৰা অহা চাওতাল মোণ্ডা সকল আৰু বিভিন্ন জনগোষ্ঠীৰ লোক অসমলৈ আহিছিল, কিন্তু আচৰিত কথা যে সেই সকল লোকক অনুসুচীত জনজাতি হিচাপে ধৰা হোৱা নাই। কিন্তু পশ্চিম বঙ্গত তেওঁলোকক এচ,টি হিচাবে ধৰে। ১৯৫০ চনত যিটো অনুসুচীত কৰণৰ সিদ্ধান্ত লোৱা হ'ল সেই সিদ্ধান্ত মৰ্ম্মে তেওঁলোকক এচ,টি কৰা হ'ল। অসমৰ কিতাপ মেলিল দেখা যায় যে চাহজনগোষ্ঠীৰ লোক সকল ১৯৫০ চনৰ আগৰে পৰাই এচ,টি আছিল, তেওঁলোক ট্ৰাইবচ আছিল, তেওঁলোকক সকলো সা-সুবিধা দিয়াৰ কাৰণে ব্যৱস্থাও কৰা হৈছিল। এৰিয়া ৰেষ্ট্ৰিকশ্যনৰ

কাৰণে যিমান বিলাক সা-সুবিধা প্ৰদান কৰিব লাগে তাত বাধা আহি পৰিছে। এই সকল লোক সাংবিধানিক সুবিধাৰ পৰা বঞ্চিত হৈ আছিছে। আজি যদি এজন মানুহ আদাৰ দেনট্ৰাইবেল অসমৰ পৰা গৈ বাহিৰত বস-বাস কৰে, তেতিয়া হলে তেওঁৰ ষ্টেটাচ একেই থাকিব, কিন্তু এজন ট্ৰাইবেল মানুহ বোম্বেই বা বেঙ্গসত থাকিবলৈ ললে তেওঁ জনজাতিৰ সুবিধা খিনি নাপায়। গোটেই বস্তুটো আসোৱাহ পূৰ্ণ হৈ আছে। গতিকে এই এৰিয়া ৰেষ্ট্ৰিকশ্যনটো উঠাই লবলৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত হেচা প্ৰয়োগ কৰিব লাগে। এই বিষয়টো তন্ন তন্নকৈ অনুসন্ধান কৰি সমগ্ৰ ভাৰতবৰ্ষৰ জনজাতি সকলৰ আপলিফটমেণ্ট কৰাৰ ব্যৱস্থা কৰিলেহে আমাৰ উদ্দেশ্যটো সফল হব। ইতিমধ্যে কেবাটাও কমিশ্যন এই সম্পৰ্কত গঠন কৰা হ'ল, আমি জনাত লুকুৰ কমিশ্যন, চান্দ কমিশ্যন আৰু চাইকমিশ্যন ইত্যাদি কমিশ্যন গঠন কৰা হ'ল আৰু এই কমিশ্যন বিলাকে অসমলৈ আহি বহুতো ঘুৰি মেলি চাই গ'ল কিন্তু কাৰ্য্যতঃ একোটো নহল। ৰাজ্য চৰকাৰে যদিহে ইচ্ছা নকৰে তেনেহলে কোনেও একো কৰিব নোৱাৰে। কেন্দ্ৰীয় চৰকাৰৰ কাৰ্বি সকলৰ প্ৰতি কিছু সহানুভূতি আছে কিন্তু ৰাজ্য চৰকাৰৰ এই ক্ষেত্ৰত সহাৰী নাপালে কামটো নহব। গোটেই বস্তুটো ৰাজ্য চৰকাৰৰ ওপৰত নিৰ্ভৰ কৰে। এটা সন্দেহ বা ভয় আছে যদি সকলো মানুহেই ট্ৰাইবেল হৈ যায় তেতিয়া হলে চিটৰ ভয় আছে। অসমৰ যি সকল লোক আছে তেওঁলোক প্ৰকৃততেই অসমীয়া হয় নে নহয়, তেওঁলোকক অসমীয়া বুলি অগ্ৰাধিকাৰ দিয়া হৈছে নে নাই? সচাকৈয়ে এই কথা বিলাক বিশেষ ভাৱে চিন্তা কৰিব লগীয়া হৈছে। গতিকে আজি এই যিটো মোশ্যন সদনত আনিছে সেইটো অতি গুৰুত্বপূৰ্ণ মোশ্যন। আমি সকলোয়ে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত এই এৰিয়া ৰেষ্ট্ৰিকশ্যনৰ কথাটো উঠাই দিবলৈ জোৰ দি উঠাই দিবলৈ অনুৰুধ কৰিব লাগে যাতে ভাৰতবৰ্ষৰ সকলো জনজাতিয়ে সংবিধান প্ৰদত্ত সকলো সা-সুবিধা ভোগ কৰিব পাৰে। এইখিনিকে কৈ প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয় উপাধ্যক্ষ : এতিয়া মাননীয় সদস্য চন্দ্ৰ কান্ত টেৰাংয়ে কব।

★ শ্ৰীচন্দ্ৰ কান্ত টেৰাং : মাননীয় উপাধ্যক্ষ মহোদয়, আজি সদনত মাননীয় সদস্য শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী, শ্ৰীপ্ৰবীন হাজৰিকা আৰু বিনোদ্ গোৱালা ডাঙৰীয়াকে ধৰি যি সকল মাননীয় সদস্যই প্ৰাইভেট মেম্বাৰ মোশ্যনৰ ওপৰত যিটো প্ৰস্তাব আনিছে এই প্ৰস্তাৱটোৰ বাবে মই তেখেত সকললৈ আদৰণি

জনাইছো আৰু প্ৰস্তাৱটো সমৰ্থন জনাইছো। এই প্ৰস্তাৱৰ যোগেদি ভৈয়ামত থকা বা বসবাস কৰা কাৰ্বি সকলক অনুসূচীত কৰণ, ষষ্ঠ অনুছেদত অনুসূচীকৰণৰ যি ব্যৱস্থা লব বিচাৰিছে সেই ব্যৱস্থা আদৰণীয় হৈছে, এই ব্যৱস্থাক আমি সাদৰেৰে সমৰ্থন জনাইছো। আপোনালোকে জানে যে এই কাৰ্বি জনগোষ্ঠীৰ লোক সকলৰ সমগ্ৰ অসম ব্যাপি বিভিন্ন অঞ্চলত বাস কৰি আছে আৰু অকল অসমতেই নহয়, মিজোৰাম, অৰুণাচল ইত্যাদি অঞ্চলত কাৰ্বি সকলে বস-বাস কৰি আছে। একালৰ অসম বৰ অসম আছিল য'ত নেকি অৰুণাচল, মিজোৰাম, মেঘালয়, নগালেণ্ড ইত্যাদি ৭ খন ৰাজ্য লগ লাগি বৰ অসম আছিল কিন্তু আজি সেই বৃহৎ অসম বিভক্ত হৈ বিভিন্ন ৰাজ্যত পৰিণত হ'ল। বৃটিছ অসমলৈ অহাৰ পাচতেই এই বিভক্ত আৰম্ভ হ'ল, সেই সময়ত বৃটিছৰ কমিশ্যন বহিছিল আৰু তাত উত্তৰ পূৰ্বাঞ্চলৰ যিমান বিলাক অনুসূচীত জাতি জনজাতি আছিল সেই সকলৰ আৰ্থ সামাজিক উন্নয়নৰ কাৰণে বিভিন্ন ব্যৱস্থা হাতত লোৱাৰ কাৰণে চায়মন কমিশ্যন বহিছিল। এই কমিশ্যনৰ যি যি 'হোৱাইট-পেপাৰ' চাবমিট কৰিছিল তাত একোটাকৈ ট্ৰেক কৰি দিছিল, যেনে মিজো হিলচট্ৰেক, অৰুণাচল হিলচট্ৰেক ইত্যাদি হিচাবে চিনাক্ত কৰি এই শ্ৰেণীৰ লোক সকলৰ শিক্ষা আৰ্থ সামাজিক দিশচাই তেওঁলোক জীয়াই থাকিব পাৰে তাৰ কাৰণে এটি ভেটি শানৰ উদ্দেশ্য কিছুমান ব্যৱস্থা হাতত ললে। কিন্তু যি সকলে বিভিন্ন ধৰণৰ অপৰচুনিটি লব পৰা নাই বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰত ভয়ানক ভাবে পিচপৰি আছে আৰু বঞ্চিত হৈ আছে সেই সকলৰ ভিতৰত অসমৰ ভৈয়াম অঞ্চলৰ বিভিন্ন অঞ্চলত বাস কৰা কাৰ্বি সকল, ভৈয়াম অঞ্চলত বাস কৰা কাৰ্বি সকলৰ অৱস্থা অত্যন্ত দুখলগা। গতিকে আজি এই যি প্ৰস্তাৱৰ জৰীয়তে অসমৰ ভৈয়াম অঞ্চলত বসবাস কৰি থকা কাৰ্বি সকলক অনুসূচীত কৰণ আৰু সেইদৰে পাহাৰত বসবাস কৰি থকা যি সকল বড়ো বা আন আন জনগোষ্ঠী আছে তেওঁলোককো অনুসূচীতকৰণৰ সুবিধা প্ৰদান কৰা ব্যৱস্থাক আমি শলাগ লৈছো। প্ৰয়াত উপেন বহ্ম ডাঙৰীয়াৰ দিনতেই এ, এচ, ডি, চি গঠন কৰাৰ পাচতেই অটোনমাচ কাউনচিল আৰম্ভ হৈছিল। তেতিয়াই আলোচনা কৰি ডিষ্ট্ৰিক্ট কাউনচিলৰ পৰা ন'অবজেকশ্যন চাৰ্টিফিকেট লবলৈ দিয়া হৈছিল। সেই সময়ত অটোনমাচ কাউনচিলে এটা প্ৰস্তাৱ লৈছিল সেই প্ৰস্তাৱটো এতিয়াও অসম চৰকাৰৰ ডাইৰেক্টৰ অব টি, আৰ, আইত পৰি আছে। কোনো ব্যৱস্থা

চৰকাৰে এতিয়াও লোৱা নাই। কংগ্ৰেছৰ দিনতেই এই প্ৰস্তাৱটো অনা হৈছিল কিন্তু আজি পৰ্য্যন্ত কোনো একশ্যন লোৱা নহ'ল। এনেবিলাক কাৰণতেই আজি ৰাজ্যখনৰ ৰাজনৈতিক আওৱাভাৱা বিষাক্ত হৈ পৰিছে, কাৰ্বি আংলংত আজি চাৰিওফালে গণ্ডগোল, চাৰিওফালে জুই লাগিছে। গতিকে আজি অসমৰ বিভিন্ন ভৈয়াম অঞ্চলত য'ত য'ত কাৰ্বি জনগোষ্ঠীৰ লোক সকলে বস-বাস কৰি আছে তেওঁলোকক চিডুলিংৰ ব্যৱস্থা কৰি প্ৰটেক-শ্যন দিব লাগে আৰু সেইকাৰণেই আজি সদনত যিটো প্ৰাইভেট মেম্বাৰ মোশ্যন আহিছে সেইটো সময়োপযোগী হৈছে। অৱশ্যে আমি এইটোৱেই চাব লাগে যাতে অসমৰ যি সকল বড়ো, ৰাভা, মিচিং ইত্যাদি যি সকল জনগোষ্ঠী কাৰ্বি আংলংত আছে বা পাহাৰ অঞ্চলত বসবাস কৰি আছে তেওঁলোকো চিডুলিংৰ পৰা বঞ্চিত হৈ থকা যি দাবী মাজে-সময়ে উঠি আছে সেইটো অনুধাবন কৰি পাহাৰ অঞ্চলত তেওঁলোককো চিডুলিংৰ ব্যৱস্থা কৰিব লাগে। সেয়েহে মই অনুৰোধ কৰিব বিচাৰিছো আপোনাৰ জৰীয়তে, ৰাজ্যিক চৰকাৰে যাতে এই প্ৰাইভেট মেম্বাৰৰ যিটো অনুসূচিত কৰণ মোশ্যন সেইটো পৰীক্ষা-নিৰীক্ষা কৰি সকলোৰে গ্ৰহন যোগ্য হোৱাকৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰিব বুলি আশা ৰাখিলো।

Mr. Dy. Speaker:— Now Shri Dilip Kr. Saikia.

শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী, শ্ৰীবিনোদ গোৱালা আৰু শ্ৰীপ্ৰবীণ হাজৰীকা প্ৰমুখ্যে সদস্য সকলে প্ৰাইভেট মেম্বাৰ মোশ্যনত যিটো প্ৰস্তাৱ আনি অসমত বসবাস কৰি অহা অৰ্থ্যাত অসমৰ ভৈয়াম অঞ্চলত বসবাস কৰি অহা কাৰ্বি সকলক জনজাতিয় কৰণৰ ব্যৱস্থা কৰিব বিচাৰিছে সেইটো সময়োপযোগী আৰু আদৰণীয় হৈছে। কিন্তু ইয়াৰ লগে লগে আমি এইটোৱেই চাব লাগিব যাতে আমাৰ যি সকল বড়ো, ৰাভা বা মিচিং যি সকল অসমৰ জনগোষ্ঠী কাৰ্বি আংলং বা পাহাৰ অঞ্চলত এতিয়াও জনজাতিয়কৰণ হোৱা নাই বা চিডুলিংৰ সুবিধা পোৱা নাই সেই দিশতোৱেই চাব লগীয়া আছে। কিয়নো অসমৰ ভৈয়াম অঞ্চলত বসবাস কৰা কাৰ্বি সকল আৰু কাৰ্বি আংলং বা পাহাৰ অঞ্চলত বাস কৰা জনজাতিয় গোষ্ঠী সকলৰ যিটো 'চেন্টিমেন্ট' সেইটো আমি অনুধাবন কৰাৰ সময় আহি পৰিছে। এসময়ৰ বৰ অসম এনেকৈয়ে ভাগ ভাগ হৈ আজি ৭ খন ৰাজ্যত বিভক্ত হ'লহি। গতিকেই আজি যিটো প্ৰস্তাৱ সদনত

আহিছে, এই প্ৰস্তাৱৰ জৰীয়তে অসমৰ ভৈয়াম অঞ্চলত বসবাস কৰা কাৰ্বি সকলক অনতিপলমে জনজাতিয়কৰণ আৰু সেইদৰে কাৰ্বি আংলং বা পাহাৰ অঞ্চলত বসবাস কৰা অসমৰ বিভিন্ন জনগোষ্ঠীক চিডুলিং কৰাৰ ব্যৱস্থা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত হেচাঁ প্ৰয়োগ কৰিব লাগে। ৫ বছৰৰ ভিতৰত এই কাম খিনি কৰিব পৰা হব বুলি আশা কৰিব পাৰি। মই ভাবো ৩৪১ আৰু ৩৪২ অনুচ্ছেদ সংশোধন কৰি হলেও আমাৰ ৰাজ্য খনত এই সম্পৰ্কত যিবিলাক সমস্যা আহি পৰিছে সেইবিলাক দূৰ কৰাৰ কাৰণে ব্যৱস্থা লব লাগে। এতিয়া অসমত জনজাতিয় কৰণৰ কথা প্ৰবল ভাবে গা কৰি উঠিছে, প্ৰায়বিলাক জনগোষ্ঠীয়েই জনজাতিয় হব খোজে আৰু এই ক্ষেত্ৰত বিভিন্ন সময়ত দাবী আহি আছে আৰু বৈনী উঠিছে ।

উপাধ্যক্ষ মহোদয়, সেইকাৰণে মই এটা পৰামৰ্শ দিব বিচাৰিছো যে, আমাৰ চৰকাৰে দৰকাৰ হলে অসমৰ আৰ্থিক সামাজিক আদি বিভিন্ন দিশৰ উন্নয়ৰ কাৰণে অসম খনক জন জাতীয় ৰাজ্য হিচাবে ঘোষণা কৰিব লাগে। আৰু এই বিষয় লৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত আমাৰ চৰকাৰে যাতে প্ৰস্তাৱ দাখিল কৰে তাৰ কাৰণে আবেদন জনালো। লগতে এইটোও চাবলাগিব যে, জন জাতি সকলৰ নামত বিভিন্ন দিশত চাকৰিৰ ক্ষেত্ৰত, শিক্ষাৰ ক্ষেত্ৰত কলচ চাৰ্টিফিকেট হিলচ বা প্লেইনচত লোৱাটোৰ যিটো পয়োভৰ হৈছে সেইটো চাব লাগিব। এই ক্ষেত্ৰত আমাৰ যিসকল জনজাতিৰ নেতা আছে তেওঁলোকে চোৱা চিতা কৰাটো দৰকাৰ। ভূৱা চাৰ্টিফিকেট লোৱাটো যাতে বন্ধ কৰিব পাৰো সেইটো চাব লাগে। ইতিমধ্যে ২/১ টা কেচ ধৰাও পৰিছে। অলপ দিনৰ আগতে যোৱা চৰকাৰৰ দিনত মেদিকেল কলেজত নেৱাৰ উপাধ্যীৰ এজন ছাত্ৰই এদমিচন লৈছিল। তেওঁ কাৰ্বি ছাত্ৰ বুলি কৈ কাবি চাৰ্টিফিকেট ওলিয়াইছিল আৰু গুৱাহাটী মেদিকেল কলেজত এদমিচন লৈছিল। এতিয়া কেচটো ধৰা পৰাত আৰু চৰকাৰে ইতিমধ্যে সেই ছাত্ৰজনক মেদিকেল কলেজৰ পৰা বহিস্কাৰ কৰিছে। গতিকে শিক্ষাৰ ক্ষেত্ৰতে হওঁক বা চাকৰিৰ ক্ষেত্ৰতে হওঁক যিবিলাক খেলিমেলি আছে এইবিলাক দূৰ কৰাৰ কাৰণে সকলোৱে চিন্তা কৰিব লাগে। পাহাৰত থকা কাৰ্বিয়েই হওঁক বা ভৈয়ামত থকা কাৰ্বিয়েই হওঁক তেওঁলোকে জন জাতীয় সকলোখিনি সা সুবিধা পাব লাগে। আৰ্থিক ভাবে সামাজিক ভাৱে আৰু শিক্ষাৰ ফালৰ পৰা সকলো ক্ষেত্ৰতে তেওঁলোকৰ প্ৰতি চকু দিবলাগে। মই আমাৰ জনজাতি মন্ত্ৰী মহোদয়ক আবেদন জনাইছো

যে, এই বিষয়টো প্ৰস্তাৱ আকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত আগবঢ়াব লাগে আৰু বলিষ্ঠ পদক্ষেপ লৈ কেন্দ্ৰীয় চৰকাৰৰ পৰা পাচ কৰি অনাৰ বাবে ব্যৱস্থা গ্ৰহন কৰিব লাগে। তেতিয়াহলে আমাৰ এই সমস্যা সমাধান হব। গতিকে মই আশা কৰিছো এই প্ৰস্তাৱটো গৃহীত হব আৰু তাৰ লগে লগে কাৰ্য্যকৰী কৰাৰ দিশত যিবিলাক আইনৰ কথা আহিব সেইবিলাকৰ কথাও আমি চিন্তা কৰিব লাগিব! আইন বিলাক পুংখানুপুংখ ভাবে পৰীক্ষা কৰি আমাৰ চৰকাৰে ব্যৱস্থা লোৱাৰ বাবে অনুৰোধ কৰি, মই এই প্ৰস্তাৱৰ সমৰ্থন জনাই মোৰ বক্তব্য শেষ কৰিলো।

শ্ৰীবিমলাংশু রায়ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, আজি এই সদনে মাননীয় সদস্য শ্ৰীহিতেন্দ্ৰ গোস্বামী মহোদয় যে প্ৰস্তাব এনেছেন আমি তার পূর্ণ সমর্থন করি।

মহোদয়, কার্বি আংলং এর বাইরে কার্বি সম্প্রদায় জনজাতি হিসাবে সাংবিধানিক সুযোগ সুবিধা পাচ্ছে না এবং তারা যাতে এই সুযোগ সুবিধা পায় তার জন্য এই সদনে প্রস্তাব আনা হয়েছে—আমি তা সমর্থন করি। আর এই প্রস্তাব সমর্থন করেও একথা বলতে চাই যে বরাক ভেলীতে রিহাং এবং খাসী সম্প্রদায়ের লোক যারা আছেন তারা দরিদ্র সীমারেখার নীচে বসবাস করছেন। অথচ এদের জীবন যাত্রার মান উন্নয়ন কারর জন্য সরকারের তরফ থেকে যে সব ব্যবস্থা অবলম্বন করা উচিৎ ছিল তা আজ পর্যন্ত করা হয়নি। এরা প্রধানতঃ জুম চাষ, পানজুম, শাকসব্জী চাষ এব, দৈনিক হাজিরার কাজ করে জীবন নির্বাহ করেন। আর এসরকরে প্রকৃতপক্ষে তারা দুবেলা দুমুঠো আহার নিয়মিত জোগাড় করতে পারেনা। সরকার থেকেও কোনও সাহার্য্য পায়না। কারন আজ পর্যন্ত এই সম্প্রদায়ের লোককে সংবিধানের ষষ্ঠ অপশীল এর অন্তভূক্ত করে জনজাতি হিসাবে স্বীকৃতি দেওয়া হয় নি। ফলে এই জনজাতি গোষ্ঠী দিনের পর দিন ধ্বংসের পথে যাচ্ছে। সুতরাং এই প্রস্তাব সমর্থন করার সঙ্গে সঙ্গে আমি এই সদনে আবেদন করবো যে বরাক ভেলীতে যে সব খাসি ও বিহাং সম্প্রদায়েরলোক রয়েছেন যাদের জনসংখ্যা প্রায় ১ লক্ষেরও অধিক হবে তাদের জীবন ধারনের মান উন্নয়ন করার জন্য, তাদের অবলুপ্তির হাত থেকে রক্ষা করার জন্য যেন সংবিধানের ষষ্ঠ তপশীল'র অন্তভূক্ত করা হয়— এই দাবী আমি অত্যন্ত জোরালো ভাবে সদনে পেশ করে আমার বক্তব্য শেষ করছি।

★ ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আজি যিটো প্ৰস্তাৱ সদনত উৎথাপন কৰা হৈছে এই প্ৰস্তাৱটো সমৰ্থন কৰোনে নকৰো সেইটোৰ আগতে মই কেইটামান কথা কব বিচাৰিছো। প্ৰথমতে ভৈয়ামত যি সকল কাৰ্বি সম্প্ৰদায়ৰ লোক আছে তেখেতসকলৰ ভাষা, সংস্কৃতি এবং ৰাজনৈতিক সম্পৰ্কে আমি দেখিছো পৰ্ব্বতত বাস কৰা কাৰ্বি সম্প্ৰদায়ৰ লোক সকলৰ লগত মিল আছে। আমি অতীততো দেখিছো ডিফুত যেতিয়া কিবা এটা আন্দোলনৰ কাৰ্য্যসূচী কাৰ্বি সম্প্ৰদায়ৰ পৰা লোৱা হয় তেতিয়া আমাৰ হোজাইত থকা কাৰ্বি লোকসকলেও গৈ তাত অংশ গ্ৰহণ কৰে। আৰু যেতিয়া নিৰ্ব্বাচন আহে তেতিয়া পাহাৰৰ যি সকল এ, এচ, দি, চিৰ লোক তেওঁলোকে সমতল ভূমিত সমতল ভূমিৰ কাৰ্বি সকলৰ কেনদিদেটৰ সমৰ্থন কৰে। সমতলৰ কাৰণে পাহাৰৰ পৰা জয়ন্ত ৰংপীয়ে বা হলিৰাম টেৰাং দেৰে যি নিৰ্দ্দেশ দিব সেইমতে সমতলত থকা কাৰ্বি সকলে ভোট দিব। এই কথা টেৰাং দেৰে নুই কৰিব নোৱাৰে। এইবাৰ অৱশ্যে মোক ভোট দিবলৈ নিৰ্দ্দেশ দিছিল আৰু তেখেতৰ নিৰ্দ্দেশৰ পৰিপ্ৰেক্ষিতত মোক ভোট দিছে। এতিয়া কথা হৈছে ভৈয়ামত যি সকল কাৰ্বি সম্প্ৰদায়ৰ লোক আছে তেওঁলোকৰ ভাষা, সংস্কৃতি এবং সামাজিক, ৰাজনৈতিক ভাৱধাৰা পৰ্ব্বতত থকা সকলৰ লগত একে। গতিকে তেখেত সকলক ৬ চিডিউলৰ অন্তৰ্গত নকৰাৰ কোনো কাৰণ নাই। কিন্তু ৬ চিদিউলত যিবিলাক নিৰ্দ্দেশ জাৰি কৰা হৈছে সংবিধানত সেই মতে দিষ্ট্ৰিক্ট কাউঞ্চিল চলি আছে। ৬ চিডি-উলত পৰিস্কাৰ ভাবে যি বিলাক কথা কোৱা হৈছে— "Under six Schedule 1 (2) and (3) if there are different schedules tribes in an Autonomous District the Governor may by public notification divide the area or areas inherited by them into autonomous region and sub-clause (3), the Governor may by public notification exclude any area of the said table create a new Autonomous District"

দ্বিতীয়তে যিবিলাক ডিমাছা কছাৰী আছে, বড়ো কছাৰী আছে, কুকী ৰাইজ আছে তেখেত সকলৰ কাৰণে এই 'চিস্ক-চিডিউল' নিদেৰ্শ মতে যি যি 'চাৰ-ক্লজ' ৩ মতে এৰিয়া ভাগ কৰি দিয়া হৈছে। তেনেকে এ, এচ, ডি, চিত দিয়া হৈছে নেকি ? মই মাননীয় সদস্য হলিৰাম টেৰাং ডাঙৰিয়াই ভালকৈ জানে। মই

★ Speech not Corrected

জনা মতে সেই ধৰণে কৰা নাই। আজি কাৰ্বি আংলং জিলাতো গণতান্ত্রিক আন্দোলন হৈছে, সেইটো দেখি আমি ভাল পাইছো। তেওঁলোকে অহিংসা ভাৱে আন্দোলন কৰিছিল। কিন্তু এতিয়া কাৰ্বি আংলংত কি হৈছে ? তাত 'এক্সটিমিষ্ট' ওলাইছে। আবচু, বড়ো চিকিউৰিটি ফচ ওলাইছে, এন, এচ, চি, এন ওলাইছে কুকী 'এক্সটিমিষ্ট' ওলাইছে। অর্থাৎ এতিয়া কাৰ্বি আংলং জিলা 'ভলকেনুট' ওপৰত। সেইটো আমি অস্বীকাৰ কৰিব নোৱাৰো। তাত অন্যান্য যিবিলাক লোক আছে অৰ্থাৎ জনজাতিয় লোক আছে যেনে কুকী, বড়ো কছাৰী, ডিমাছা কছাৰী তেখেত সকল কাৰ্বি সম্প্রদায়ৰ ৰাইজ আছে তেখেত সকলক 'ডিপ্ৰাইভ' কৰিছে। গতিকে তেখেত সকলক ডিপ্ৰাইভ কৰিছে নে নাই সেইটো মই চাবলৈ যোৱা নাই মোৰ প্ৰশ্নটো হল যে 'চিক্স-চিডিউল' মতে যি 'অটনমাচ-কাউন্সিল' ডিক্লাৰ কৰা হল তেতিয়া 'চিক্স-চিডিউল'ৰ প্রতিটো নৰমচ এতিয়া কাৰ্বি আংলং ডিষ্টিক কাউন্সিলে 'ফ'লঅ' কৰিছে। নহলে ডিমাচা, বড়ো কছাৰী যি সকল বসবাস কৰি আছে তেওঁলোকৰ 'লেজিষ্টিমেট ক্লেম, থাকিব লাগে। এই ধৰণৰ এটা মনস্থাত্রিক চিন্তা ধাৰা তৈয়াৰ হোৱাৰ কাৰণে আজি তাত 'এক্সটিমিষ্ট একটিভ' হৈ আছে। তাত আজি আবচুৱে পুলিচ মাৰিছে, ৰাইফল কাঢ়ি লৈ গৈছে। আগতে আমি বড়ো চিকিউৰিটি ফচ, গোৱালপাৰা আৰু ওডালগুৰীতহে থকা কথা গম পাইছিলো। কিন্তু এতিয়া কাৰ্বি আংলং জিলাটো বড়ো চিকি-উৰিটি ফচ আছে। কাৰ্বি আংলং জিলাৰ যিটো নিদেৰ্শ আছে সেইটো চাব লাগিব। 'চিক্স-চিডিউল' 'চিক্স-ক্লজ'ত এই কথা আছে যে — Which says-Governor shall make rules for first constitution of District council in consultation with the existing tribal councils. তাৰ মানে আগতে কৈছে যে যি বিলাক বেলেগ বেলেগ জনজাতি আছে সেই সকল 'চিক্স-চিডিউল' অন্তৰ্গত এৰিয়া তেখেত সকলৰ কাৰণে এটা কাউন্সিল তৈয়াৰ কৰি দিব লাগে। এইকাৰণে এইবিলাক কথা অলপ ভাবিব লাগিব। আমাৰ হলিৰাম টেৰাঙ ডাঙৰিয়া আছে। 'চিক্স-চিডিউল'ত অন্তভূক্ত হোৱা কথা আছে আওাৰ ক্লজ-III, ছাৰ-ক্লজ এ, বি, চি তাত 'বি'ত পৰিস্কাৰ কৈ লিখা আছে-Management of any forest not being a reserve forest. আমি এটা নিউজ 'আসাম-ট্রিবুইনত' দেখিছো যে এই কাৰ্বি লাংপি হাইড্ৰো ইলেক-টিকেল প্রজেক্ট হোৱাৰ কাৰণে বহুতো বাধাৰ সন্মুখীন হৈছে। বাধাৰ সন্মুখীন এই কাৰণেই হৈছে যে যিবিলাক শিল ব্লাচটিং কৰিছে তাক ডিষ্টিক কাউন্সিলক

আপত্তি জনোৱা হৈছে। ডিষ্ট্ৰিক কাউন্সিলৰ চিক্স চিডিউল 'মতে যদি আপত্তি হয় এইবিলাক বাধা তেখেত সকলক নিদিয়াই ভাল হয়। গতিকে এইখিনি পৰামৰ্শ ৰাখি ইয়াত যিটো মোচন আনিছে তাক সমৰ্থন জনায় আৰু মোৰ এমেণ্ডমেণ্ট কেইটা ৰাখি মোৰ বক্তব্য সামৰিলো।

Mr. Dy. Speaker : Hor'ble Member Shir Jyotish Das.

★ শ্ৰীজ্যোতিষ দাস : মাননীয় উপাধ্যক্ষ মহোদয়, আজি শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী, শ্ৰীপ্ৰবীন হাজৰিকা আৰু শ্ৰীবিনোদ গোৱালাই যিটো প্ৰস্তাৱ আনিছে তাক সমৰ্থন কৰি আৰু কিছু সংশোধন কৰি চমু কৰিব বিচাৰিছো। আমি সকলোৱে জানো যে অসম গণ পৰিষদৰ যি নিৰ্বাচনী ইস্তাহাৰ আছে, যি প্ৰতিশ্ৰুতি আছিল তাৰ প্ৰতি লক্ষ্য ৰাখি কওঁ যে সকলো জনগোষ্ঠী লোককে তেওঁলোকৰ প্ৰাপ্য মৰ্য্যদা দিব লাগে আৰু কেন্দ্ৰীয় চৰকাৰৰ ওচৰত এইটো দাখিল কৰিব লাগে। গাৰো সম্প্ৰদায়ৰ বেচি ভাগ জনগোষ্ঠী গোৱালপাৰা আৰু মেঘালয়ত বসবাস কৰি আছে। মোৰ সমষ্টিত ১৪ হেজাৰ গাৰো সম্প্ৰদায়ৰ লোক আছে, ডুধনৈত ৯ হেজাৰ, জলেশ্বৰত ৪ হেজাৰ আৰু মান কাছাৰত ৩ হেজাৰ মান হব। গাৰো সম্প্ৰদায়ৰ যি সকল লোক মেঘালয়ত আছে তেওঁলোকক ট্ৰাইবেলৰ মৰ্য্যদা দিয়া হৈছে। কিন্তু মেঘালয়ৰ পৰা ১ ফুটমান আঁতঁৰত বাস কৰা গোৱালপাৰা জিলাৰ গাৰো সকলক ট্ৰাইবেলৰ মৰ্য্যদা দিয়া নাই। এই বৈশম্য থাকিব নেলাগে। আমাৰ নিৰ্বাচনী ইস্তাহাৰত যি প্ৰতিশ্ৰুতি আছিল সেই মতে এতিয়া তেওঁলোকক ট্ৰাইবেলৰ মৰ্য্যদা দিব লাগে। গতিকে কাৰ্বি সকলক ভৈয়ামত আৰু বড়ো সকলক পাহাৰত জনজাতীয় লোক হিচাপে মৰ্য্যদা দিবলৈ অনুৰোধ জনায় মোৰ ভাষণ সামৰণি মাৰিলো।

Mr. Dy. Speaker : Now, Hon'ble member Smti. Pramila Rani Brahma.

★ শ্ৰীমতী প্ৰমীলা ৰাণী ব্ৰহ্ম : মাননীয় উপাধ্যক্ষ মহোদয়, আজি বিধান সভাত মাননীয় সদস্য শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী, শ্ৰীপ্ৰবীন হাজৰিকা আৰু শ্ৰীবিনোদ গুৱালা ডাঙৰিয়াই যিটো মোচন উৎথাপন কৰিছে সেইটোৰ প্ৰতি মোৰ পূৰ্ণ সমৰ্থন জনায় মই ডুযাৰমান কৰলৈ ইচ্ছা প্ৰকাশ কৰিছো। উপধ্যক্ষ মহোদয়, আজি অসম ৰাজ্য খনৰ ভিতৰতে ভৈয়াম অঞ্চলত যি সকল কাৰ্বি লোক আছে তেওঁলোকক জনজাতীয় হিচাপে স্বীকৃতি দিয়া হোৱা নাই। সেই-দৰে বড়ো লোক সকলকো কাৰ্বি আংলং বা পাহাৰীয়া জিলা পৰিষদত

★ Speech not corrected

জনজাতীয় হিচাপে গন্য কৰা হোৱা নাই। এই ক্ষেত্ৰত একেখন ৰাজ্যৰ ভিতৰতে এটা ডাঙৰ বৈষম্য হৈ থকা পৰিলক্ষিত হৈছে। এই ক্ষেত্ৰত মাননীয় সদস্য শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী আৰু শ্ৰীভৰত নৰহ ডাঙৰীয়াই যিবিলাক যুক্তি প্ৰদৰ্শণ কৰিছে সেই যুক্তি বিলাক একেবাৰে সত্য আৰু সেই যুক্তি-মতে কাৰ্বি সকলে ভৈয়ামত তেওঁলোকৰ অধিকাৰ হেৰুৱাইছে আৰু বড়ো সকলে পাহাৰ অঞ্চলত তেওঁলোকৰ অধিকাৰ হেৰুৱাইছে। আজি আমাৰ সংবিধানৰ কিছুমান ক্লজত এনে ধৰণৰ ব্যৱস্থা ৰাখি থোৱাৰ কাৰণেই অসমৰ বড়ো, কাৰ্বি, টিউৱা, সোনোৱাল, কছাৰী সকলে তেওঁলোকৰ প্ৰাপ্য সুবিধাৰ পৰা বঞ্চিত হৈছে। আজি বড়ো সকলে বা সোনোৱাল কছাৰী আৰু টিউৱা সকলে যেনেকৈ কাৰ্বি আংলংত শিক্ষাদিক্ষাৰ ফালৰ পৰা হওঁক বা ৰাজনৈতিক, অৰ্থনৈতিক আদি ক্ষেত্ৰত যি ধৰণে বঞ্চিত হৈ আহিছে সেই-দৰে কাৰ্বি সকলো অসমৰ ভৈয়াম অঞ্চলত শিক্ষা, সামাজিক বা অৰ্থনৈতিক ক্ষেত্ৰত বঞ্চিত হৈ আহিছে। এই আলোচনাত ভাগ লৈ আজি কেইবাজনো মাননীয় সদস্যই এই প্ৰস্তাৱটোত সমৰ্থন জনাইছে আৰু এই প্ৰস্তাৱটো সদনে গ্ৰহন কৰিব বুলি যুক্তি প্ৰদৰ্শন কৰিছে। সেই কাৰণে এনে ধৰণৰ জনজাতীয় লোক সকলক বঞ্চিত নকৰি তেওঁলোকক যাতে অনুসুচীত জনজাতি হিচাপে অসমৰ সকলো ঠাইতে মৰ্য্যদা দিয়া হয় তাৰ বাবে এই চৰকাৰে ব্যৱস্থা গ্ৰহন কৰিব লাগে আৰু এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ পঠাব লাগে। এই লোক সকল অসমৰ য'তেই নাথাকক কিয় তেওঁলোক অতি পিচপৰা শ্ৰেণীৰ মানুহ। সেই কাৰণে এই লোক সকলক সকলো ঠাইতে অনুসুচীত জন-জাতিৰ লোক হিচাবে গন্য কৰিব লাগে আৰু তেওঁলোকে পাবলগীয়া সুবিধা খিনি দিয়াৰ কাৰণে ব্যৱস্থা গ্ৰহন কৰিব লাগে আৰু তাৰ কাৰণে এই চৰকাৰে অতি সোনকালে ব্যৱস্থা গ্ৰহন কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগা-যোগ কৰিবলৈ এই প্ৰস্তাৱটো গৃহীত কৰাৰ কাৰণে অনুৰোধ জনায় মোৰ ভাষণৰ সামৰণি মাৰিলো।

★ শ্ৰীভীমানন্দ তাঁতী : মাননীয় উপাধ্যক্ষ মহোদয়, আজি সদনত মাননীয় সদস্য শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী, শ্ৰীপ্ৰবীন হাজৰিকা আৰু শ্ৰীবিনোদ গুৱালা দেৱে কাৰ্বি সকলক অসমৰ অন্যান্য অঞ্চলত জনজাতিৰ মৰ্য্যদা দিয়াৰ কাৰণে আৰু বড়ো সকলক পাহাৰীয়া অঞ্চল সমূহত জনজাতীয় হিচাবে গন্য কৰাৰ কাৰণে ষষ্ঠ অনুচ্ছেদত অন্তৰ্ভূক্ত কৰিবলৈ যিটো প্ৰস্তাৱ আগবঢ়াইছে সেই

★ Speech not corrected

প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনায় দুষাৰমান কথা কবলৈ ইচ্ছা প্ৰকাশ কৰিছো। এই প্ৰস্তাৱটো গ্ৰহনৰ কাৰণে আজি যি কেইজন মাননীয় সদস্যই তেওঁলোকৰ ভাষন ৰাখিছে তাৰ লগত সঙ্গতি ৰাখি মই আৰু এটা কথা কব খুজিছো যে অসমত আজি ডেৰশ বছৰ ধৰি ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ পৰা অহা চাহ জনগোষ্ঠী লোক সকলে বসবাস কৰি আছিছে আৰু তেওঁলোক ইয়াৰেই স্থায়ী বাসিন্দা হিচাবে পৰিগনিত হৈছে। এই লোক সকল আৰ্থিক, সামাজিক আৰু অৰ্থনৈতিক আদি সকলো দিশৰ পৰা অতি পিচপৰা যদিও এই জনগোষ্ঠীৰ লোক সকলক আজিও অসমত জনজাতীয় লোক হিচাবে ঘোষণা কৰা হোৱা নাই। ইয়াৰ আগৰ চৰকাৰ বিলাকেও চাহ জনগোষ্ঠীৰ লোক সকলক জনজাতীৰ অন্তৰ্ভুক্ত কৰা হব বুলি প্ৰতিশ্ৰুতি দি সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰিব পৰা নাই। কংগ্ৰেছ চৰকাৰৰ দিনটো চাহ জনগোষ্ঠীৰ চাহ বনুৱা আৰু প্ৰাক্তন চাহ বনুৱা লোক সকলক জনজাতিৰ অন্তৰ্ভুক্ত কৰিব লাগে বুলি এটা প্ৰস্তাৱ গ্ৰহণ কৰি কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ কাৰণে পঠোৱা হৈছিল। এতিয়া এই চৰকাৰৰ যদিহে এই লোক সকলৰ প্ৰতি সহানুভূতি আৰু সদিচ্ছা আছে তেনেহলে কংগ্ৰেছ চৰকাৰৰ দিনত এই ক্ষেত্ৰত যিটো প্ৰস্তাৱ গ্ৰহণ কৰি কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ কাৰণে পঠোৱা হৈছিল সেইটো অনুমোদন কৰায় এই লোক সকলক প্ৰাপ্য সুবিধা খিনি দিয়াৰ ব্যৱস্থা কৰিবলৈ মই অনুৰোধ জনালো আৰু আমাৰ একেখন ৰাজ্যৰ ভিতৰতে ঠাই বিশেষে যিটো ৰেষ্ট্ৰিকচন আছে সেইটো নাইকিয়া কৰাৰ কাৰণে প্ৰচেষ্টা হাতত লব লাগে। এইখিনিকে কৈ মোৰ ভাষণৰ সামৰণি মাৰিলো।

★ শ্ৰীগহীন চন্দ্ৰ দাসঃ— মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই যিটো প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱৰ প্ৰতি মোৰ পূৰ্ণ সমৰ্থন আছে। আজি অসমৰ চাৰি সীমাৰ ভিতৰত যিবিলাক জনগোষ্ঠীৰ লোক বসবাস কৰিছে তেওঁলোকৰ মাজত যিবিলাক বৈষম্য আছে সেই বৈষম্য বোৰ নাইকীয়া কৰিব লাগে। অসমৰ ভিতৰত কাৰ্বি, গাৰো, বড়ো আদি লোক সকল যতেই নাথাকক কিয় তেওঁলোকক অনুসূচীত জনজাতিৰ সা-সুবিধা খিনি পোৱাৰ ব্যৱস্থা কৰিব লাগে আৰু তাৰ কাৰণে আজি এই প্ৰস্তাৱটো অনা হৈছে। এই প্ৰস্তাৱটো আমি সকলোৱে সমৰ্থন কৰিব লাগে আৰু এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে বিহিত ব্যৱস্থা লোৱাৰ কাৰণে আমাৰ ফালৰ পৰা অনুমোদন জনাব লাগে। আজি চাহ জনগোষ্ঠীৰ লোক সকলেও জনজাতিৰ অন্তৰ্ভুক্ত হোৱাটো বিচাৰিছে।

★ Speech not corrected

গতিকে তেখেত সকলকো জনজাতি হোৱাৰ কাৰণে যিখিনি ব্যৱস্থা লব লাগে সেই গোটেইখিনি আমাৰ চৰকাৰৰ ফালৰ পৰা কেন্দ্ৰীয় চৰকাৰলৈ অনুমোদনৰ কাৰণে পাচ কৰি পঠিয়াব লাগে। লগতে এইখিনি কথাও মই কব বিচাৰিছো যে জনজাতীয়কৰণ কৰা হব বুলি জনাৰ লগে লগে কিছুমান জনজাতীয় সংগঠনে প্ৰতিবাদ কৰিবলৈ ওলায়। ঠিক তেনেদৰে কোচ ৰাজবংশী সকলেও তেওঁলোকক অনুসূচীত জাতিৰ মৰ্য্যদা দিব লাগে বুলি দাবী উৎথাপন কৰাৰ লগে লগেই প্ৰতিবাদ জনাইছে। তেওঁলোকে এই কাৰণেই প্ৰতিবাদ কৰিছে যে আগৰ যিটো এলোকেচন সেই এলোকেচন এতিয়াও যাতে পাই থাকে আৰু সেই ক্ষেত্ৰত যাতে কোনো হেম্পাৰ নহয়। সেয়েহে অনুসূচীত জাতি আৰু জনজাতিৰ লোক সকলৰ বাবে যিখিনি সা-সুবিধা চেণ্ট্ৰেল গভৰ্ণমেণ্টে আগবঢ়াই আহিছে সেই সা-সুবিধা খিনি যাতে জনসংখ্যা বৃদ্ধিৰ পিচতো জনসংখ্যা অনুপাতে পায় আৰু সা-সুবিধা বিলাক দিয়াৰ ক্ষেত্ৰত জনসংখ্যা অনুপাতে বঢ়াই দিয়ে সেই ক্ষেত্ৰত এটা প্ৰস্তাৱ ৰাখিব লাগে। মই ভাবিছো কোনো এটা গোষ্ঠীকে জনজাতীয় কৰণ কৰাই নহয় গোটেই অসম-খনকেই এখন অনুসূচীত জাতি আৰু জনজাতিৰ ৰাজ্য বুলি ঘোষণা কৰিব লাগে। কেন্দ্ৰীয় চৰকাৰে গোটেই অসম খনকেই অনুসূচীত জাতি আৰু জনজাতিৰ ৰাজ্য হিচাবে ঘোষণা কৰিব লাগে। এইক্ষেত্ৰত আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰলৈ এটা প্ৰস্তাৱ প্ৰেৰণ কৰিব লাগে। এইখিনি পৰামৰ্শ আগবঢ়াই মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই ডাঙি ধৰা প্ৰস্তাৱটোৰ প্ৰতি সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয় উপাধ্যক্ষ : আমাৰ আৰু দুজন সদস্যই কোৱাৰ পিচতেই মন্ত্ৰীয়ে উত্তৰ দিব।

শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় উপাধ্যক্ষ মহোদয়, সদনত যিহেতু সময় আছে সেয়েহে কোনোবাই যদি কবলৈ বিচাৰে এলাউ কৰিব পাৰে।

★ শ্ৰীমতী প্ৰণতি ফুকন : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই যিটো প্ৰস্তাৱ ডাঙি ধৰিছে তাত পূৰ্ণ সমৰ্থন জনাই দুষাৰ মান কথা কব বিচাৰিছো। আজি ভালে মান কেইটা দশক ধৰি অসমত বসবাস কৰি থকা টাই, আহোম জনগোষ্ঠীৰ লোক সকলে তেওঁলোক অনুসূচীত জনজাতিৰ লোক বুলি স্বীকৃতি দিব লাগে

★ Speech not corrected.

বুলি দাবী জনাই আহিছে । এটা গোষ্ঠীক অনুসূচীত জাতি বা অনুসূচীত জনজাতিৰ স্বীকৃতি প্ৰদান কৰিবলৈ যাওতে সাংবিধানীক কিছু কিছু নীতি নিয়ম মানি চলিবলগীয়া হয়, আৰু তেওঁলোকৰ কি কি অবদান আছে সেইটো চাবলগীয়া হয় । এই টাই আৰু আহোম জনগোষ্ঠী সম্প্ৰদায়ৰ লোক সকলৰ এটা নিজস্ব ভাষা আছে, এটা নিজস্ব ধৰ্ম্ম আছে । আনকি ৬০০ বছৰ ৰাজত্ব কৰাৰ পিচতো আজি পৰ্য্যন্ত তেওঁলোকৰ যি সংস্কৃতি বা যি ধৰ্ম্মীয় নীতি সেয়া মানি চলিছে । যদিও তেওঁলোক হিন্দু ধৰ্ম্মাৱলম্বী হৈছে তথাপি তেওঁলোকে পূজা-পাৰ্ব্বণ, বিয়া-সবাহ আদি তেওঁলোকৰ প্ৰচলিত নীতি-নিয়ম মতেই পালন কৰি আহিছে । মই এইখিনিতে এটা কথা কব বিচাৰিছো যে অকল আহোম বা টাই সকলকেই নহয় মৰাণ, মটক আদি জনগোষ্ঠী সমূহকো জনজাতীয় লোক হিচাবে স্বীকৃতি দিব লাগে । বিশেষকৈ আহোম সকলে যিহেতু আজি বহু বছৰ ধৰি তেওঁলোকক অনুসূচীত জনজাতীয় লোকৰ মৰ্য্যাদা দিব লাগে বুলি দাবী জনাই বা আন্দোলন কৰি আহিছে গতিকে তেওঁলোকক সেই সুবিধাৰ পৰা বঞ্চিত কৰিব নেলাগে । আহোম সম্প্ৰদায়ৰ লোক সকলক মণ্ডল কমিচনে ১৫ পাৰচেণ্ট ৰিজাৰ্ভেচন কৰি দিছিল । কিন্তু সেই সা-সুবিধাৰ পৰাও তেওঁলোক বঞ্চিত হৈ আছে । এজন ছাত্ৰ বা ছাত্ৰী যদি পঢ়িবলৈ যায় সেই ক্ষেত্ৰত ৰিজাৰ্ভেচন কোটাত তেওঁক যিটো অগ্ৰাধিকাৰ দিব লাগে সেইটো দিয়া নহয় । যিটো জেনেৰেল কোটা সেইটোতহে তেওঁক ধৰা হয় । অ,বি,চি ৰ যিটো ৰিজাৰ্ভেচন কোটাত ধৰাৰ ব্যৱস্থা আছে তাত ধৰা নহয় । গতিকে সাংবিধানীক যিখিনি নীতি নিয়ম সেইখিনিৰ ক্ষেত্ৰত চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব লাগে আৰু মণ্ডল কমিচনে আগবঢ়োৱা পৰামৰ্শ সমূহ আখৰে আখৰে পালন কৰাৰ ব্যৱস্থা কৰিব লাগে । আমাৰ অসমত ৩২ টা সম্প্ৰদায়ৰ লোকক অ,বি,চি-ৰ অন্তৰ্ভূক্ত হৈ আছে । কিন্তু অ,বি,চিৰ এই চাৰ্টিফিকেট বিলাক দিওতে বহুতো খেলি-মেলি হোৱা দেখিবলৈ পোৱা যায় । যোৱা বছৰ ডিব্ৰুগড়ত মুছ-লিম সম্প্ৰদায়ৰ লোকেও অ,বি,চিৰ চাৰ্টিফিকেট লৈ এডমিচন লৈছে । গতিকে আমি অনুসূচীত জাতি, জনজাতী আৰু অ,বি,চি সম্প্ৰদায়ৰ লোক সকলৰ এই কথা বিলাক চাব লাগে । মই আৰু বিশেষ কবলৈ নেযাওঁ, এই প্ৰস্তা-ৱটোৰ সংশোধনী আনি ইয়াৰ লগত অসমত বসবাস কৰা আহোম, টাই, মৰাণ, মটক সম্প্ৰদায়ৰ লোক সকলকো অনুসূচীত জনজাতীৰ লোক সকলে যিখিনি সা-সুবিধা পায় সেই সা-সুবিধা খিনিৰ পৰা বঞ্চিত নকৰি সেই

সা-সুবিধাখিনি প্ৰদান কৰিব লাগে বুলি কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

★ শ্ৰীবৰ্ণবাস তাঁতী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য হিতেন্দ্ৰ নাথ গোস্বামী, প্ৰবীন হাজৰিকা আৰু বিনোদ গোৱালা ডাঙৰীয়াই আজি সদনত যিটো প্ৰস্তাৱ উত্থাপন কৰিছে সেইটো হৈছে অসমত বাস কৰি থকা কাৰ্বি সম্প্ৰদায় লোক সকল প্ৰকৃতাৰ্থে জনজাতীয় লোক হৈও জনজাতীয় সাংবিধানীক সা-সুবিধাৰ পৰা বঞ্চিত হৈ আছে, গতিকে তেওঁলোকক ভাৰতীয় সংবিধানৰ ৬ষ্ঠ অনুচ্ছেদত অন্তৰ্ভুক্ত কৰি অসমৰ জনজাতীয় লোক সকলৰ নিচিনাকৈ বিশেষ সুবিধা পোৱাৰ ব্যৱস্থা কৰা হওঁক। এই প্ৰস্তাৱৰ প্ৰস্তাৱক সকলক মই আন্তৰিক ধন্যবাদ জনাইছো আৰু এই প্ৰস্তাৱটো এটা বলিষ্ঠ প্ৰস্তাৱ হিচাবে মই স্বাগত কৰিছো। আৰু ইয়াৰ লগত মই মোৰ কিছু বক্তব্য ডাঙি ধৰিব বিচাৰিছো। আমাৰ শোনিতপুৰ জিলাত ৮ টা বিধান সভা সমষ্টি আছে আৰু এই গোটেই কেইটা সমষ্টিতেই বহু সংখ্যক কাৰ্বি লোকে বসবাস কৰি আছে আৰু তেওঁলোকে যিখিনি সা-সুবিধা পাব লাগে সাংবিধানিক ভাৱে সেই সা-সুবিধাখিনিৰ পৰাও বঞ্চিত হৈ আছে। আজি এই প্ৰস্তাৱৰ ওপৰত ভালে কেইজন মাননীয় সদস্যই নতুন নতুন পৰামৰ্শ আগবঢ়াইছে আৰু মোৰ বোধেৰে আজিৰ এই পৱিত্ৰ সদনত এই প্ৰস্তাৱটো পাচ হব। ইয়াৰ লগতে মই এটা পৰামৰ্শ দিব বিচাৰিছো যে আমাৰ যি সকল চাহ জনগোষ্ঠী আৰু প্ৰাক্তন চাহ জনগোষ্ঠীৰ লোক আছে, যি সকলে অসমৰ সৰ্ব্বাঙ্গীন উন্নতিৰ বাবে কাম কৰি গৈছে তেওঁলোককো অনুসূচীত জনজাতিৰ মৰ্য্যাদা দিব লাগে। ভাৰতবৰ্ষৰ অন্য ৰাজ্যত বসবাস কৰা এই চাহ জনগোষ্ঠী আৰু প্ৰাক্তন চাহ জনগোষ্ঠীৰ লোক সকলক অনুসূচীত জনজাতিৰ মৰ্য্যাদা দিয়া হৈছে, অনুসূচীত জনজাতিৰ লোক বুলি পৰিগণিত হৈছে আৰু অনুসূচীত সম্প্ৰদায়ৰ লোক সকলৰ ক্ষেত্ৰত আগবঢ়োৱা সা-সুবিধা বিলাক পাই আহিছে যদিও অসমত বসবাস কৰা চাহ জনগোষ্ঠী আৰু প্ৰাক্তন চাহ জনগোষ্ঠীৰ লোক সকলেহে সেই সা-সুবিধা বিলাকৰ পৰা বঞ্চিত হৈ আছে। গতিকে এই বলিষ্ঠ প্ৰস্তাৱৰ লগত চাহ জনগোষ্ঠী আৰু প্ৰাক্তন চাহ জনগোষ্ঠীৰ লোক সকলকো সামৰি লোৱাৰ বাবে অনুৰোধ জনাই মই প্ৰস্তাৱটোৰ প্ৰতি সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

★ ডঃ দেৱকান্ত ৰামছিয়াৰী : মাননীয় উপাধ্যক্ষ মহোদয়, আজি সদনত

★ Speech not corrected

মাননীয় সদস্য সকলে যি মোচন আনিছে তাৰ মই সমৰ্থন কৰি কেইষাৰ মান কবলৈ ওলাইছো। আমি কিছুমান কাম কৰিবলৈ যাওঁতে পৰ্য্যায় ক্ৰমে কৰিব লাগিব। প্ৰথম পৰ্য্যায় হিচাবে ভৈয়ামত থকা কাৰ্বি সকল আৰু কাৰ্বি আংলংত থকা বড়ো আৰু টিৱা সকলৰ ক্ষেত্ৰত প্ৰায়ৰিটি বেচিচত কৰিলে ভাল হয়। এই দাবী বহু পুৰণি ২০-২৫ বছৰ হ'ল। কোনো চৰকাৰে গুৰুত্ব দিয়া নাই। এটা কথা কব বিচাৰিছো যে আমাৰ কোচ ৰাজবংশী বিধায়ক বন্ধু সকলে কোছ ৰাজবংশী সকলক জনজাতি কৰাৰ কাৰণে কৈছে। মই তাৰে বিৰোধিতা কৰা নাই। মই এইটো কব খুজিছো যে এনেকুৱা প্ৰস্তাব যদি হয় আমাৰ কথাখিনিত অসুবিধা হব। আপোনালোক সকলোৱে জানে যে হায়াৰ চেকেণ্ডাৰী (কটনত) যিখিনি এডমিচন পাইছে তাত আমাৰ মাত্ৰ ৪ জনে পাইছে, ইঞ্জিনিয়াৰিঙত ১ জনেহে পাইছে। সেই কাৰণে যদি কোটা বেলেগ নহয় তেতিয়াহলে আচল জনজাতীয় সকল ডিপ্ৰাইভ্ হব। এই কথাটো প্ৰকটিকেল। আমাৰ জনজাতীয় ৰাইজৰ স্বাৰ্থত আঘাট হানিব। সেই কাৰণে কবলগীয়া হৈছো। এইটো সাংবিধানিক হোৱা নাই। যিহেতু আমাৰ জনজাতীয়ৰ স্বাৰ্থত আঘাট হানিব সেই কাৰণে মই ভাবো এই ক্ষেত্ৰত সংবিধান সংশোধন কৰি হলেও তেওঁলোকৰ কাৰণে আছুটীয়া প্ৰস্তাৱ কৰিব লাগে। ইয়াৰে প্ৰথম পদক্ষেপ হিচাবে ভৈয়ামৰ কাৰ্বি সকলক অনুসূচীত জাতি কৰাৰ ব্যৱস্থা হাতত ললে ভাল হব আৰু ভৱিষ্যতে বাকী বিলাক পৰ্য্যায়ক্ৰমে কৰাৰ ব্যৱস্থা লবলৈ আগবঢ়াৰ কাৰণে অনুৰোধ কৰিলো।

Mr. Dy. Speaker : Hon'ble Member Mr. Haliram Terang.

★ শ্ৰীহলিৰাম টেৰাং : মাননীয় উপাধ্যক্ষ মহোদয়, এই প্ৰস্তাৱ অনাৰ বাবে বিশেষকৈ তিনিজন বিধায়ক বন্ধুক ধন্যবাদ জনাইছো আৰু আন সকলো সদস্যকে ধন্যবাদ জনাইছো কাৰণ সকলো মাননীয় সদস্যই এই প্ৰস্তাৱত সমৰ্থন জনাইছে। উপাধ্যক্ষ মহোদয়, মই কেইটামান তথ্য যি বিলাক ইয়াত নাই সেইবিলাক কবলৈ ওলাইছো। সেইটো হ'ল যে ভৈয়ামৰ যিসকল কাৰ্বি আছে সেইবোৰ কামৰূপ, শোণিতপুৰ, দৰং, নগাওঁ আৰু মৰিগাওঁত আছে সেই বিলাকৰ বেচি ভাগেই পাহাৰৰ পৰা নামি অহা নহয়, প্ৰকৃততে মৰিগাওঁ, কামৰূপ আৰু নগাওঁত যিবিলাক আছে তাৰে বেচি ভাগ পাহাৰলৈ উঠি গৈছে। ওলোভাতোহে হৈছে। আৰু এটা কথা আছে, অকল এইটো কথাৰ কাৰণে কাৰ্বি সকলক অনুসুচিত কৰাৰ কাৰণে

---

★ Speech not corrected

বিচাৰিছিল । কিন্তু প্ৰসংগক্ৰমে আমাৰ মাননীয় দুজন বিধায়ক বন্ধু শ্ৰীভৰত নৰহ আৰু ডঃ অৰ্দ্ধেন্দু কুমাৰ দে ডাঙৰীয়াই কব বিচাৰিছে যে কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদত কাৰ্বিৰ বাহিৰে অন্য মানুহৰ স্থান নাই । বিষয়টো মই বিতৰ্কলৈ আনিব বিচৰা নাই কিন্তু মই কব বিচাৰিছো যে যি কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদ আছে তাত সকলো মানুহেই নিৰ্ব্বাচনত উঠিব পাৰে । তাৰ প্ৰমানো আছে । তাৰ চেয়াৰম্যান, ডেপুটি চেয়াৰম্যান অনা কাৰ্বি মানুহ আছে । এটা সময় আছিল যেতিয়া বড়ো সম্প্ৰদায়ৰ লোকো মেম্বাৰ আছিল । আজি যি জিলা পৰিষদ আৰু স্বায়ত্ব শাসিত পৰিষদ আছে তাত বড়োৰ দুজন আৰু বিহাৰী হিন্দি ভাষিও নিৰ্ব্বাচিত হৈ গৈছে । আগতে বঙালী মানুহো নিৰ্বাচিত হৈছিল । এইটো এটা তথ্য । আৰু আন এটা তথ্য আছে এইটো থিক যে যিসকল টিৱা আছে সেইসকল অন্যান্য জনগোষ্ঠিতকৈ বেচি পিচপৰা । বড়ো সকল কাৰ্বি সকলৰ সমান যদিও বড়ো সকল কাৰ্বি সকলতকৈ বেচি উন্নত । মই এইটো কব যোৱা নাই যে বড়ো সকলক অনুসুচীত কৰিব নালাগে । তেওঁলোকক চাকৰীৰ পৰা মাটিৰ পত্তাৰ পৰা বঞ্চিত কৰা হৈছে এইটো নহয় । চাকৰি পাইছে । বড়ো মিডিয়ামৰ স্কুল আছে, শিক্ষক আছে আৰু ইনস্পেক্টৰো আছে । চাৰ, আগতে নৰহ ডাঙৰীয়া অন্য এটা দলত আছিল । এতিয়া নতুন দলত যোগদান কৰিছে সেই কাৰণে নাজানিব পাৰে । তেখেতে জানিব লাগিছিল । ১৯৮৯ চনৰ পৰা কাৰ্বি স্বায়ত্ব শাসিত পৰিষদ কংগ্ৰেছে চলাই আহিছে । মাজতে কেই বছৰ জনতা আছিল । তেতিয়া যি চৰকাৰ আছিল কাৰ্বি আংলঙত থকা বড়ো, টিৱা আৰু অন্যান্য জনগোষ্ঠী যিবিলাক প্ৰকৃত জনজাতী হব লাগে তেওঁলোকক জনজাতীয় কৰাৰ প্ৰক্ৰিয়া আৰম্ভ নকৰিলে । একমাত্ৰ এ, এচ, ডি, চিয়ে স্বায়ত্ব শাসিত পৰিষদে প্ৰস্তাৱ লৈছে । ইয়াৰ এক্সিকুটিভ কমিটিয়ে প্ৰস্তাৱ লৈছে যে কাৰ্বি আংলঙত থকা টিৱা, বড়ো আৰু চাহ জনগোঠীৰ লোক সকলক অনুসুচীতকৰণ কৰিব লাগে ।

উপাধ্যক্ষ মহোদয়, দ্বিতীয় কথা হ'ল অসমত বহুতো জনগোষ্ঠী আছে যি সকলক অনুসুচীত জনজাতি হিচাবে ঘোষণা কৰিব লাগে । সেই কাৰণে এটা কমপ্ৰিহেনচিভ প'লিচি তৈয়াৰ কৰাৰ কাৰণে কৈছো । এনেকুৱা জনগোষ্ঠী বহুত আছে যিবিলাকৰ ইনভেষ্টিগেট কৰাৰ কোনো প্ৰয়োজন নাই । পাহাৰত থকা জনগোষ্ঠী কাৰ্বি, টিৱা, বড়ো, গাৰো আদিকে ধৰি ভালেমানক ইনভেষ্টিগেট

কৰাৰ প্ৰয়োজন নাই। এই তথ্য বিলাক চাৰ ৰেজিষ্ট্ৰাৰ জেনেৰেল অৱ ইণ্ডিয়াৰ ৰেকৰ্ডত আছে। গতিকে ভৈয়ামৰ গাৰো, কাৰ্বি লোক সকলে সংবিধানৰ সুবিধা নোপোৱাৰ কাৰণ থাকিব নোৱাৰে। চাৰ, এটা জনগোষ্ঠীক এচ, টি হিচাবে ঘোষণা কৰাৰ যি প্ৰক্ৰিয়া সেই প্ৰক্ৰিয়া চৰকাৰে নিশ্চয় জানে। তথাপি জনাব খুজিছো, আমাৰ মাননীয় সদস্য শ্ৰীগোস্বামী ডাঙৰীয়াই এটা কথা কৈছে যে ৩৩৮ আৰু ৩৩৯ আৰ্টিকল আছে। সেইমতে ভাৰত চৰকাৰে স্পেচিয়েল অফিচাৰ ৰাখিছে। তেওঁলোকে অনুসূচীত জাতি আৰু জনজাতীৰ অৰ্থে কাম কৰিব। এচ, চি / এচ, টিৰ ৰিপোৰ্ট দিয়ে। এচ, চি/ এচ, টিৰ ষ্টেটাচ ৰিপোৰ্ট দাখিল কৰে আৰু সেই ৰিপোৰ্ট পাৰ্লিয়ামেণ্টত দাখিল হয়। কিন্তু এনেকৈ কাৰ্বিক এচ টি কৰিব সেইটো এই আৰ্টিক'লত নহব। আৰ্টিক'ল ৩৪২ অৱিয়তে কৰিব। প্ৰেচিডেণ্টে অৰ্ডাৰ উলিয়াব। আৰু ৰাজ্য পালৰ উপদেশ ক্ৰমে কোন কোন জনগোষ্ঠিক জনজাতি কৰিব পাৰি তাৰ অৰ্ডাৰ উলিয়াব।

মাননীয় উপাধ্যক্ষ মহোদয়, ভাৰতীয় সংবিধানৰ আৰ্টিকোল ৩৪৪ (২) এই কথাটো আছে। পাৰলিয়ামেণ্টৰ যিটো অৰ্ডাৰ আছে আৰু ভাৰতবৰ্ষৰ সংবিধানত প্ৰথম যিটো অৰ্ডাৰ আছে সেই কেইটা অৰ্ডাৰ মতে লোৱা প্ৰদেশ কেইখন হৈছে জম্মু কাশ্মীৰ, চিকিম, নাগালেণ্ড। এতিয়া আমাৰ যিটো প্ৰস্তাৱ অনা হৈছে সেইটো সদনে বিচাৰ কৰিব সেই কাৰ্বি সকলক ট্ৰাইবেল কৰিব লাগেনে নেলাগে। এই সংশোধনী প্ৰস্তাৱটো ভাৰত চৰকাৰে কৰিব লাগিব, পাৰলিয়ামেণ্টত আনিব লাগিব তাত এমেণ্ড কৰি এইটো যোগ দিব লাগিব। এই বিলাক সাংবিধানিক কথা আছে। মই আশা ৰাখিছো অসম চৰকাৰৰ মন্ত্ৰীয়ে এইকথাটো সোনকালে জনাব আৰু তেনেকুৱা এটা ৰিজলিউচন লব বুলি আশা কৰি মোৰ বক্তব্য সামৰণি মাৰিলোঁ।

Mr. Dy. Speaker :- Now, I request Hon'ble Minister of State Shri Rajendra Mushahary to speak.

★ শ্ৰীৰাজেন্দ্ৰ মুচাহাৰি (মন্ত্ৰী): মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী, শ্ৰীপ্ৰবীন হাজৰিকা আৰু শ্ৰীবিনোদ গোৱালা দেৱে যিটো প্ৰস্তাৱ আগবঢ়াইছে অসমত বসবাস কৰি থকা কাৰ্বি সম্প্ৰদায় লোক সকল প্ৰকৃতাৰ্থে জনজাতীয় লোক হৈও জনজাতীয় সাংবিধানিক সা-সুবিধাৰ পৰা বঞ্চিত হৈ আছে, গতিকে তেওঁলোকক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুচ্ছেদত

★ Speech not corrected

অন্তৰভূক্ত কৰি অসমৰ জনজাতীয় লোক সকলৰ নিচিনাকৈ বিশেষ সুবিধা পোৱাৰ ব্যৱস্থা কৰা হওঁক।

মাননীয় উপাধ্যক্ষ মহোদয়, আচলতে কাৰ্বি সকল ভৈয়ামত থকাৰ দৰে তেনে কিছুমান জনগোষ্ঠীৰ লোক অসমত আছে যেনে গাৰো সকল। তেঁখেতসকল জনজাতীয় লোক হৈয়ো ট্ৰাইবেলৰ অন্তৰভূক্তি হোৱা নাই। সেইদৰে বড়ো, টিওৱা সকলেও 'চিডুল' পোৱা নাই। এই বিলাকত বহুটো সমস্যা জৰিত হৈ আছে। সেই সকলো বিলাক সমস্যা চালিজাৰি চাই অসম চৰকাৰে বিহিত ব্যৱস্থা লোৱাৰ বাবে চিন্তা চৰ্চ্চা কৰিছে সেয়ে মই মাননীয় সদস্য সকলক যি সকলে এই প্ৰস্তাবটো আগবঢ়াইছে তেখেত সকলক অনুৰোধ কৰিবলৈ বিচাৰিছো যাতে তেখেত সকলে এই প্ৰস্তাবটো 'উইড্ৰ' কৰে। যিহেতুকে এই সম্পৰ্কত চৰকাৰে চিন্তা চৰ্চ্চা কৰি আছে যাতে এই সমস্যা সমাধান কৰিব পৰা যায়। অকল কাৰ্বিয়ে নহয় বৰো, গাৰো আৰু টিওৱা সমস্যা আছে। এই সকলোবিলাক সমস্যা সমাধান কৰাৰ কাৰণে ইতিমধ্যে চৰকাৰে চিন্তা চৰ্চ্চা কৰিছে যাতে সমাধান কৰিব পৰা যায়। সেই কাৰণে মাননীয় সদস্য সকলক অনুৰোধ কৰিছো যে তেখেতসকলে এই প্ৰস্তাবটো আপাততঃ 'উইড্ৰ' কৰিব লাগে।

Mr. Dy. Speaker : Hon'ble member Shri Prabin Hazarika will you withdraw your motion ?

★ শ্ৰীপ্ৰবীন হাজৰিকা : মাননীয় উপাধ্যক্ষ মহোদয়, আমি উৎথাপন কৰা প্ৰস্তাবটোৰ সন্দৰ্ভত মাননীয় মন্ত্ৰীমহোদয়ে দিয়া উত্তৰত কৈছে যে ভৈয়ামত বসবাস কৰা কাৰ্বি আৰু গাৰো সকলৰ যি বিলাক সমস্যা আছে সেই বিলাকৰ সমাধানৰ কাৰণে চৰকাৰে চিন্তা কৰিছে সেইটোত মই সন্মান জনাই আৰু কামকাজ বিলাক আগবঢ়াই লৈ যাব বুলি আশা কৰি এই প্ৰস্তবটো উঠাই লৈছো।

Mr. Dy. Speaker : Is it the pleasure of the House to withdraw the motion ?

( Voices )

With the leave of the House the motion is withdrawn.

★ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় উপাধ্যক্ষ মহোদয়, আজি ইয়াত যিটো প্ৰস্তাৱ উৎথাপন হৈছিল আৰু সেই ক্ষেত্ৰত বিভিন্ন বক্তাই অংশগ্ৰহণ কৰিছে আৰু কেইবাটাও জনগোষ্ঠীৰ কথা আলোচনা কৰিছে। এই সংক্ৰান্তত চৰকাৰে

★ Speech not corrected

এটা ব্যৱস্থা গ্ৰহণ কৰিলে ভাল হয় ।

Mr. Dy. Speaker : Third motion stands in the name of Shri Atul Bora, Now Shri Atul Bora to move.

★ শ্ৰীঅতুল বৰা : মাননীয় উপাধ্যক্ষ মহোদয়, আজি সদনত যিটো প্ৰস্তাৱ উৎথাপন কৰা হৈছে সেইটো হৈছে "আজি অসম বিধান সভাই প্ৰস্তাৱ কৰে যে— দৈয়াং, ৰেংমা, গহপুৰ আৰু আন্তঃৰাজ্যিক সীমান্ত অঞ্চলৰ কেতবোৰ সংৰক্ষিত বননীত স্থায়ীভাবে বসবাস কৰি থকা ভূমিহীন লোক সকলক উক্ত সংৰক্ষন মুকলি কৰি ভূমি ৱন্দোৱস্তি দিয়া হওঁক অথবা এই পৰিয়ালবোৰক ভূমি আবণ্টনৰ প্ৰমানপত্ৰ দিয়া হওঁক"।

সন্মানীত উপাধ্যক্ষ মহোদয়, ১৮৮৮ চনত বৃটিচ চৰকাৰে দৈয়াং বনাঞ্চলক ৰিৰ্জাভ ফৰেষ্ট হিচাবে স্বীকৃতি দিছিল । ১৮৮৭ চনত ৰেংমা আৰু ডিফু বনাঞ্চলক ৰিজাভ ফৰেষ্ট হিচাবে স্বীকৃতি দিছিল । ১৮৭২ চনত নামবৰ বনাঞ্চলক স্বীকৃতি দিছিল । তাৰ পিচৰ পৰা বিশেষকৈ ৬০ ৰ দশকত অসমৰ বিভিন্ন ঠাইৰ পৰা মানুহ আহি সেই বনাঞ্চল দখল কৰিলে বা অন্যান্য কাৰণত কোকৰাঝাৰ, মাজুলী আদিৰ পৰা আহি দৈয়া ৰেংমা আৰু নামবৰত সোমাই পৰিছে তাৰে দৈয়া বনাঞ্চলত ২৪ হেজাৰ হেক্টৰ মাটি, তাৰ ভোটাৰ প্ৰায় ৪১ হেজাৰ, ৫৬ টা ভোট কেন্দ্ৰ আছে । ৰেংমা বনাঞ্চলৰ মাটি প্ৰায় ১৩ হেজাৰ হেক্টৰ ডিফু বনাঞ্চলত ১৮ হেজাৰ হেক্টৰ আৰু নামবৰত ২৭ হেজাৰ হেক্টৰ মাটি আছে । নামত যদিও বনাঞ্চল তাত এডালো গছগছনী দেখিবলৈ পোৱা নেযায় । গছ গছনী কাটি মানুহ ভৰি পৰিছে ।

মাননীয় উপাধ্যক্ষ মহোদয়, নামত যদিও বনাঞ্চল সেই অঞ্চল বিলাকত ডাঙৰ ডাঙৰ গছ-গছনি দেখিবলৈ পোৱা নাযায় । যাক সংৰক্ষিত অঞ্চল বুলি কোৱা হয় তাত গোটেই মানুহ বিলাক ভৰি পৰিছে । তাত বিভিন্ন জন-গোষ্ঠীৰ মানুহ আছে । সেই মানুহ বিলাক জীয়াই থাকিবৰ কাৰণে হাহাকাৰ কৰিব ধৰিছে । আৰক্ষী ফোৰ্চে কোনো ব্যৱস্থা লোৱা নাই, নগা মানুহে ঘৰ বনাইছে । তেওঁলোকে চৰকাৰক টেক্স দিব নালাগে । কিন্তু আমাৰ চৰকাৰক টেক্স দিব লাগে । বৰ্ত্তমানৰ চৰকাৰখনে মানুহৰ পৰা টেক্স সংগ্ৰহ কৰিছে । সদনৰ প্ৰত্যেক ৰাজনৈতিক দলৰ ব্যক্তিৰে গঠিত সদন কমিটিয়ে তদন্ত কৰি আহিছে । আপোনালোক সকলোৱে জানে যে নগালেণ্ড চৰকাৰে ৰেংমা সকলৰ বাবে দুটা মহকুমা স্থাপন কৰিছে । তাত স্কুল ঘৰ বনাইছে, খোৱা পানীৰ

★ Speech not corrected

ব্যৱস্থা কৰিছে, বিদ্যুৎৰ ব্যৱস্থা কৰিছে এই ধৰণে সা-সুবিধা সমূহ দিছে। কিন্তু আমাৰ চৰকাৰৰ ফালৰ পৰা এইবিলাক ব্যৱস্থা কৰা নাই। তেওঁলোকে এই ক্ষেত্ৰত ফৰ্মেলিটি অৰ্জাৰ্ভ কৰিব নালাগে। এই কাৰণে মই অনুৰোধ জনাইছো যে এই বিষয়ত আজিৰ সদনত এটা প্ৰস্তাৱ গ্ৰহণ কৰা হওঁক। বড়ো আৰু অনা-বড়োৰ মাজত সংঘৰ্ষ হৈছিল। তেতিয়া কোকৰাঝাৰৰ পৰা মানুহ আহিছিল আৰু ১৯৮৩ চনত ৰক্তাক্ত সংঘৰ্ষ হৈছিল। ১৯৮৫ চনত যেতিয়া আমাৰ অসম গণ পৰিষদ চৰকাৰ আহে তেতিয়া প্ৰতিটো পৰিয়ালকে ৩০ হাজাৰকৈ টকা সাহার্য্য আগবঢ়োৱা হৈছিল। দৈয়াঙৰ উত্তৰে সীমান্ত অঞ্চলত বনাঞ্চল যিহেতু নাই তাত লাখ লাখ মানুহে মাটি দখল কৰি বসবাস কৰি আছে। সেই বাবে সীমান্ত সুৰক্ষাৰ স্বাৰ্থত এই অঞ্চল কেইটা জনসাধাৰণৰ বাবে মুকলি কৰি দিব লাগে। ডি-ৰিজাৰ্ভ কৰিব লাগে। তেওঁলোকক মাটিৰ পট্টা দিব লাগে। যদি তাত আমাৰ সীমান্ত সংৰক্ষণৰ ক্ষেত্ৰত দৈয়াং অঞ্চলত, ৰেংমা অঞ্চলত আমাৰ মানুহ নাথাকিলেহেতেন তেন্তে সেই মাটিখিনি আজি আমাৰ নাথাকে। ইতিমধ্যে সমগ্ৰ ডিফু ৰিজাৰ্ভ ফৰেষ্ট নগালেণ্ডৰ বুলি কৈছে। আমাৰ সীমা সুৰক্ষাৰ স্বাৰ্থতে এই প্ৰস্তাৱটো সদনে গ্ৰহণ কৰিব বুলি আশা ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

★ শ্ৰীহেমেন দাস : মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰস্তাৱটো অলপমান সংশোধনীত দিয়া ভাল হব নেকি চাব। আন্তৰাজ্যিক সীমান্তৰ কথা কোৱা হৈছে, আন্তৰাজ্যিক সীমান্ত অঞ্চলৰ বহুত মাটি আগৰ পৰাই বনাঞ্চলত পৰিণত হৈ আছে। সেই মাটি আবণ্টন দিয়া কথাটো স্পষ্ট হোৱা নাই। ৰাজ্য চৰকাৰৰ হাতত এই প্ৰস্তাৱ নাই। কিন্তু এই প্ৰস্তাৱটো হব লাগিছিল, কেন্দ্ৰীয় চৰকাৰৰ পৰা এই মাটি খিনি পোৱাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হওঁক। এতিয়াও সময় আছে, এইটো সংশোধনী দি দিব পাৰি। জৰুৰীকালীন অৱস্থাৰ আগতে ফৰেষ্টৰ মাটি ৰাজ্য চৰকাৰৰ হাতত আছিল, কিন্তু আজি সেইটো ৰাজ্যচৰকাৰৰ হাতত নাই— কেন্দ্ৰীয় চৰকাৰৰ হাতত আছে। জৰুৰী-কালীন অৱস্থাৰ সময়লৈকে অৰ্থাৎ ১৯৭৬ চনৰ পৰাই জটিল সমস্যাই, সৰ্বভাৰতীয় সমস্যাই দেখা দিছে। কিছুদিনৰ আগতে কেৰেলাৰ কৃষক সভাই সংশোধনীৰ কাৰণে পাৰ্লিয়ামেণ্টত আহি ধৰ্ণা দিছিল, যাতে এই নীতি সংশোধন কৰে।

উপাধ্যক্ষ মহোদয়, তাত গছ নাই, চৰকাৰী মাটিখিনিত কৃষকৰ অধিকাৰ নাই। গহপুৰ, দয়াং, ৰেংমা, মেৰাপানী, আমটেকা আদি বিৰাট অঞ্চল আছে,

★ Speech not corrected

বনাঞ্চলত হস্পিতেল, স্কুল আদি পাতিছে। কিন্তু মাটি হলে তেওঁলোকৰ নামত নাই। এইটো ভয়ানক সমস্যাই দেখা দিছে, এই বাস্তৱ সমস্যাটো আমি সমাধান কৰিব নোৱাৰো। আজি গছৰ সংখ্যা কমি আহিছে, গছ কাটিব দিয়া নাছিল, কিন্তু গছ কটাৰ মহাযজ্ঞ আৰম্ভ কৰিছে। মোৰ সমষ্টিৰ এটা বিৰাট অঞ্চলৰ গছ কাটি শেষ কৰিছে। বন বিভাগেও এই ক্ষেত্ৰত চকু মুদি আছে, বাধা কৰাৰ পৰিবৰ্ত্তে উৎসাহ যোগাইছে। এটা সৰু ৰেষ্টিষ্ট্ৰেচনত দুই কোটি টকাৰ কাঠ বুক কৰা হৈছে। এইটো বন বিভাগে নজনাকৈ থকা নাই। গছ কাটিব দিছে, গছ যত নাই তাত মানুহ বহিছে। সাধাৰণ মানুহক সেই মাটি আবণ্টন দিয়াত কি ক্ষতি আছে। যি হব হৈ গৈছে। এতিয়া বৃক্ষ ৰোপন আঁচনি কৰিব লাগে বুলি কৈছে। চীফ কনজাৰভেটৰ অব ফৰেষ্ট নামৰ পৰিবৰ্ত্তে চীফ ডেচষ্ট্ৰয়াৰ নাম দিব লাগে। যোৱা পাচঁ বছৰে বনাঞ্চল ধ্বংস হৈছে। জৰুৰী অৱস্থাৰ পৰা আটাই বিলাক অসম্পূৰ্ণ কাম সম্পূৰ্ণ কৰিছে। অসমত যি হাৰত গছ ধ্বংস হবলৈ ধৰিছে আগতে সেই হাৰত ধ্বংস হোৱা নাছিল।

গতিকে এতিয়া প্ৰশ্ন হৈছে আমি চিন্তা কৰিব লাগিব। আমিও প্ৰস্তাৱৰ লৈ সকলো দলেই লগ লাগি দিল্লীলৈ গৈ ধৰিব লাগিব। এই নীতি প্ৰৱৰ্ত্তন কৰিব লাগে। যি সকল খেতিয়ক বহিছে সেই বিলাক আমাৰ মানুহ। মই কি হাৰত মাটি পাইছে সুধিছিলো। কলে যে দহ বিঘাকৈ পাইছে। গতিকে চৰকাৰী পলিচি লব লাগে। এই মাটিখিনিৰ পাৰমিশ্বন দিয়ক আৰু দুই বিঘা মাটিত গছ পুলি ৰুব লাগিব বাকী আঠ বিঘা মাটিত খেতি কৰিব পাৰিব। তেতিয়া হলে পৰিৱেশ ৰক্ষাত সহায়ক হব। এই ধৰণে পলিচি লব লাগিব। আজি ফৰেষ্টৰ পৰা খেতি কৰাৰ কাৰণে দিব পাৰে কিন্তু পট্টন দিব নোৱাৰে। অন্ধ প্ৰদেশত আঁচনি লৈছিল খেতি কৰিবলৈ পাৰমিশ্বন দিব চাবজেক্টট প্লানটেশ্বন। কেন্দ্ৰীয় চৰকাৰক এইটো কথা বুজাব লাগে। য'ত টাউনৰ সৃষ্টি হৈছে গছ নাই সেই ঠাইত মাটি কৃষকক দিব লাগে আৰু গছ ৰুবৰ কাৰণে কৃষকক উৎসাহিত কৰিব লাগে। তেতিয়াহে পৰিৱেশ ঠিক থাকিব। মই প্ৰস্তাৱ কৰিছো। যদি শুধৰণী থাকে দি হলেও এই প্ৰস্তাৱলৈ ব্যৱস্থা লব লাগে। মই প্ৰস্তাৱ উঠাই নলও। যদি উঠাই লব লাগে এতিয়া বিধান সভা ভঙ্গ বুলি কওক আমি ঘৰাঘৰি গুছি যাম। আমি কিন্তু এই প্ৰস্তাৱ কাৰ্য্যকৰী কৰণৰ কাৰণে দিল্লীলৈ ধৰ্ণা দিবলৈ যাম, আমাৰ পাটিৰ চৰকাৰে কৰিছে। দেশ চলাই আছে লেফট ডেমোক্ৰেটিক দলেও।

দিল্লীত ধৰ্ণা দিবলৈ যোৱা দলক এম-পিয়ে নেতৃত্ব দিছে। এইটো আমি বুজাত কোনো ক্ষতিকাৰক নহব। দুখীয়া কৃষকৰ স্বাৰ্থত খেতিয়কৰ স্বাৰ্থত এইটো প্ৰস্তাৱ জড়িত আছে। সেই কাৰণে মই আশা কৰিছো সকলো মাননীয় সদস্যই এই প্ৰস্তাৱ সমৰ্থন কৰিব আৰু প্ৰস্তাৱটো প্ৰত্যাহাৰ নকৰিব।

Mr. Speaker : Now, Shri Binod Gowala.

★ শ্ৰীবিনোদ গোৱালা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য অতুল বৰা ডাঙৰীয়াই এই সদনত যি প্ৰস্তাৱ আনিছে তাৰ সমৰ্থনত অসম আন্তঃ ৰাজ্যিক সীমা অঞ্চলত যিসকল ৰাইজ বহি আছে, সেইসকলৰ ভূমি পট্টন দিয়াৰ ক্ষেত্ৰত কেইষাৰ মান কথা কব খুজিছো। সীমান্ত অঞ্চলত বসবাস কৰি থকা লোকসকলক বসবাস কৰি থকাৰ সুবিধা দিব লাগে। বিশেষকৈ অসম নগা-লেণ্ড সীমান্তৰ দৈয়াং, ৰেংমা, টেঙাজান অঞ্চলত অসমৰ বিভিন্ন ঠাইৰ পৰা মানুহ গৈ বসবাস কৰি আছে। ঠিক তেনেকৈ ব্যয়হীন অসমীয়া দুখীয়া খেতিয়কে তাত বসবাস কৰি আছে। দৈয়াং, ৰেংমা অঞ্চললৈ বহু দিন আগৰে পৰা অসমীয়া ৰাইজৰ প্ৰব্ৰজন ঘটিছে। সেই অঞ্চললৈ বহু ঠাইৰ পৰা বিভিন্ন অসমীয়া জনগোষ্ঠীৰ দুখীয়া লোক গৈ বসবাস কৰি আছে। নগালেণ্ড চৰকাৰৰ ফালৰ পৰা সেইবোৰ অঞ্চলত যিবোৰ নগা গাওঁ বহিছে সেই গাওঁবিলাকত নগালেণ্ড চৰকাৰৰ ফালৰ পৰা উন্নয়নমূলক কাম হাতত লৈছে। ফৰেষ্ট কন-জাৰভেচন এক্ট বিভিন্ন ৰাজ্যত মানি আছে। অসম চৰকাৰেও ফৰেষ্ট এক্ট মানিলৈ ফৰেষ্ট অঞ্চল মানুহ বহা নিষেধ বুলি কৈছে। এই বিষয়ত বিভিন্ন সময়ত ঘোষণাও কৰিছে কিন্তু নাগালেণ্ড চৰকাৰে এই এক্ট মানা নাই। দৈয়াং, ৰেংমা, চুঙাজান অঞ্চলত নাগালেণ্ড চৰকাৰে বিভিন্ন কাম কৰিছে। বহু ঘৰ বনাইছে আৰু দুই তিনিটা মহকুমাও ঘোষণা কৰিছে। ফৰেষ্ট কনজাৰভেচন এক্ট যদি অসম চৰকাৰে মানিব লাগে তেনেহলে নাগালেণ্ড চৰকাৰেও মানিব লাগিছিল। আমি মানি আছো কিন্তু নগালেণ্ডে কিয় মনা নাই। অসমৰ মাটিতে অসমৰ বিভিন্ন খিলঞ্জীয়া দুখীয়া পৰিয়ালে ১৯৭০ চনৰ পৰা বসবাস কৰি আছে। এতিয়া বনাঞ্চল হৈ থকা নাই। কিন্তু জনাঞ্চল হৈ গৈছে। অসম চৰকাৰৰো পঞ্চায়ত, সমবায় আদি বিভাগে তাত বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। ইমানখিনি অধিকাৰ সেইখিনি মানুহক দিয়া হৈছে যেতিয়া এতিয়া ৰাজ্যিক চৰকাৰে ভাৰত চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰিব লাগে। যেন সেই মাটিখিনি

★ Speech not corrected

ডি-ৰিজাৰ্ভ কৰি স্থায়ী পট্টন দিয়াৰ ব্যৱস্থা কৰে। এ-চেক্টৰৰ ডিমু বনাঞ্চলত নাগালেণ্ডৰ মানুহ বহিছে। বহু কেইটা ঘৰ বান্ধিছে। মহকুমা ঘোষণা কৰিছে। আমাৰ অসমৰ ফালৰ পৰা ৫১ খন গাওঁ আছে। আৰু এই মিকিৰ গাওঁ আৰু কাৰ্বি সকলক ফৰেষ্টৰ ফালৰ পৰা স্বীকৃতি দিছে। বাকী খিনি আমাৰ জনজাতি নহয় যদিও অন্যান্য সম্প্ৰদায়ৰ লোক বসবাস কৰি আছে। মুঠতে প্ৰায় ১০ হেজাৰ মানুহ আছে। বি-ছেক্টৰখো প্ৰায় ২৯ হেজাৰ হেক্টৰ মাটি আছে। অসম আৰু নগালেণ্ডৰ মানুহ তাত বসবাস কৰি আছে। যদি গছ গছনি থাকিলহেতেন তেনেহলে ফৰেষ্টত ৰখাটো সমৰ্থন কৰিলোহেতেন। কিন্তু যিহেতু গছ গছনি নাই আৰু অসমৰ বিভিন্ন ঠাইৰ দুখীয়া কৃষক গোটখাই তাত বসবাস কৰি আছে। তেওঁবিলাকক স্থায়ী সংস্থাপন দিয়াৰ ক্ষেত্ৰত অসম চৰকাৰৰ পৰা কেন্দ্ৰীয় চৰকাৰলৈ ডি-ৰিজাৰ্ভ এই প্ৰস্তাৱ আগবঢ়াবলৈ মই অনুৰোধ জনাইছো। বি-ছেক্টৰত ১৭০ খন গাওঁ আছে। তাতো অসমৰ বিভিন্ন ঠাইৰ পৰা বিভিন্ন জনগোষ্ঠীৰ লোকে বসবাস কৰি আছে। ১৯৭৯ চনৰ অসম নগালেণ্ড সংঘৰ্ষৰ পিছত তেওঁ-লোক তাত বহিছিল তাত প্ৰায় ৩৫ হেজাৰ লোক আছে। এই দক্ষিণ নামবৰ আৰু উত্তৰ নামবৰ এই অঞ্চলত কুঁৱা, পানী, স্কুল আদি সকলো দিয়া হৈছে। আৰু ফৰেষ্ট বিভাগৰ ফালৰ পৰাও বাধা কৰা নাই। কিন্তু তেওঁলোকে ফৰেষ্ট আইন নামানি বলপূৰ্বক কৰে। আমাৰ মানুহখিনিকো ফৰেষ্ট আইনৰ কথাত বাধা দি কাম কৰা নাই। তেনেকৈ চি-ছেক্টৰতো ৰেংমা ফৰেষ্টতত প্ৰায় ১৩/১৪ হেজাৰ মাটি আছে। তাত ৯০ খন গাওঁ আছে। জনসংখ্যাও প্ৰায় ২৫ হেজাৰমান হব। ৰেংমা অঞ্চলত পঞ্চায়ত, সমবায়ৰ ব্যৱস্থা কৰা হৈছে। অসমৰ ফালৰ পৰা জনসাধাৰণক সুবিধা দিছে। স্কুলবিলাক পকীকৰাৰ ব্যৱস্থা হৈছে। নগা গাওঁ এখনো তাত বহিছে। চেমা আৰু লুথা এলেকাত দুটা মহকুমা দিছে। চেমা জাতি থকা সকলক নগা সকলে ৰাজনৈতিক ভাৱে হাত কৰিব পাৰে, সেই উদ্দেশ্যে ৰেংমা অঞ্চলত তিনিতা গাওঁ পঞ্চায়তত বসবাস কৰাৰ ব্যৱস্থা কৰিছে। দৈয়াং অঞ্চলত প্ৰায় ২৯ হেজাৰ হেক্টৰ মাটি আছে, ১১ খন গাওঁপঞ্চায়ত দিছে। সীমান্ত বিভাগকে ধৰি বিভিন্ন বিভাগে বিভিন্ন উন্নয়ন মুলক কামো কৰিছে। নগালেণ্ড চৰকাৰে যদি সেই অঞ্চলৰ মাটি পট্টনৰ ক্ষেত্ৰতে হওঁক স্কুল প্ৰাদেশীকৰণ কৰাৰ ক্ষেত্ৰতে হওঁক আৰু বিভিন্ন উন্নয়নমূলক কামৰ ক্ষেত্ৰত ব্যৱস্থা লব পাৰে তেনেহলে আমিও কৰিব পাৰো। আমাৰ চৰকাৰেও

দৃঢ় পদক্ষেপ লব পাৰিব। ভাৰত চৰকাৰে যি সুন্দৰম কমিচন কৰি দিছিল সেই সীমা বিবাদ নিষ্পত্তিৰ কাৰণে ১৯৬৩ চনত গঠন কৰি দিয়া সুন্দৰম কমিচনৰ কথাবিলাক নগালেণ্ড চৰকাৰে মানা নাই। ১৯২৫ চনত নগা পাহাৰ জিলা আছিল। তাত পিছত ১৯৬৩ চনত নগালেণ্ড দিয়া হ'ল। তেওঁলোকে দাবী কৰে ৰেল লাইন। কেতিয়াবা মৰিয়নিলৈকে সীমা দাবী কৰিছে। বিভিন্ন সময়ত তেওঁলোকে বিভিন্ন দাবী উৎথাপন কৰিছে। তাকো কিছুমান ঠাইৰ নাম লৈ তেওঁলোকে সীমা দাবী কৰিছে। গছ এজোপাৰ তলত নগা মানুহ জিৰাইছিল কাৰণে নগাজৰিলৈ সীমা বিচাৰিছে। নগা বালিত নগা মানুহ ৰহিছিল কাৰণে নগা বালিলৈকে সীমা বিচাৰিছে। তেওঁলোকে অকৰা মৈত উঠিছে। সুন্দৰম আয়োগ বা শাস্ত্ৰী আয়োগৰ কথাবিলাক আমাৰ অসম চৰকাৰে মানি আছে। আমাৰ মানুহে জুপুৰি ঘৰ কৰি আছে। কিন্তু নগালেণ্ড চৰকাৰৰ ফালৰ পৰা পকীঘৰ সজাইছে। সুন্দৰম কমিচন যদি আমি মানিব লাগে তেওঁলোকেও মানিব লাগিব। মই ভাবো যে আমাৰ সীমান্তত থকা বাহিনীৰ লোকসকল যিভাবে নিৰপেক্ষ হব লাগে সেইভাৱে নিৰপেক্ষ হোৱা নাই। ফলত সীমান্ত অঞ্চলত ১৯৭৯ চনত, ১৯৮৫ চনত সংঘৰ্ষ হৈছিল। শান্তি শৃংখলা ব্যহত হৈছিল। মেৰাপানীত ১৯৮৭ চনতো হৈছিল। আৰু উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছিল। নিৰাপত্তা বাহিনীৰ নামত চি আৰ পি আছে যদিও নাগালেণ্ডৰ কাৰণেহে কাম কৰিছে। নগা মানুহ আহি আমাৰ মানুহ দিন দুপৰতে মাৰিছে। কংগ্ৰেছ চৰকাৰৰ দিনতো আমাৰ মানুহক দিন দুপৰতে মাৰিছে। নখুটিৰ ৫০ ঘৰৰ দুজন মানুহক মাৰিছে। ডি আই জি বোৰ্ডাৰ আছে কিন্তু চি আৰ পিয়ে একো কাম কৰা নাই। নিৰাপত্তা দিব পৰা নাই। সেই সময়ত সেই কথা এৰি দিয়া হৈছে। এই বিধান সভাতে প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ দিনত এজন আই জি পি আৰু স্থানীয় বিধায়ক হিচাপে মোক তালৈ পঠাইছিল আৰু কেনেকৈ সমস্যা সমাধান কৰিব পাৰি প্ৰস্তাৱ দিবলৈ কৈছিল। মই ১৪ টা দাবীৰে প্ৰস্তাৱ এই বিধান সভাত দাখিল কৰিছিলো। কিন্তু তাক কাৰ্য্যকৰী কৰা নহল। এতিয়া আমাৰ চৰকাৰে বিষয়টোৰ ওপৰত গুৰুত্ব দিছে। তেতিয়াৰ বিৰোধী দলৰ আমাৰ দলপতি মহন্ত ডাঙৰীয়াই নগালেণ্ডৰ ফালৰ পৰা বলপূৰ্বক ভাবে আমাৰ মাটিত ঘৰ দুৱাৰ বন্ধাৰ কথা কৈছিল। গতিকে এতিয়া মই ভাবো আমাৰ চৰকাৰে এই সীমান্ত অঞ্চলত বসবাস কৰি থকা লোকসকলক মাটি ডি-ৰিজাৰ্ভ কৰি

দিয়াৰ কাৰণে ভাৰত চৰকাৰক হেঁচা দিবলৈ প্ৰস্তাৱ প্ৰেৰণ কৰিবৰ কাৰণে মই অনুৰোধ জনাইছো। আৰু ইতিমধ্যে এ, বি, চি তিনিওটা ছেক্টৰত যি উন্নয়নমূলক কাম কৰা হৈছে সেই ৰেংমা, নামবৰ, চুঙাজান ফৰেষ্টলৈ মানুহ যাব নোৱাৰে। অসম পুলিচো যাব নোৱাৰে। মহকুমা বা জিলাৰ প্ৰশাসনীয় বিষয়াও যাব নোৱাৰে। মই ভাবো যিহেতু নিৰাপত্তা দিব পৰা নাই আমাৰ ফালৰ পৰা যেনেকৈ ১৯৭৯ চনত সেই অঞ্চলৰ নিৰাপত্তা দিবৰ কাৰণে অসম বেটেলিয়নক দায়িত্ব দিয়া হৈছিল। এইটো পুনৰ কৰিব লাগে। সুন্দৰম কমিচন যিহেতু নগালেও চৰকাৰে নামানে গতিকে অসম বেটেলিয়নৰ কেম্প আৰু চকী তাত বহুৱাই নিৰাপত্তা দিয়াৰ ব্যৱস্থা কৰিব লাগে। ফৰেষ্ট বিভাগৰ পৰাও এই দিশত ব্যৱস্থা লবলৈ মাননীয় বন মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। আৰু এই প্ৰস্তাৱটো সমূহীয়াভাৱে গ্ৰহন কৰি ভাৰত চৰকাৰলৈ প্ৰেৰণ কৰাৰ সিদ্ধান্তলৈ আগবাঢ়িব বুলি আশা কৰিলোঁ। ইতিমধ্যে এই অঞ্চলসমূহলৈ নিৰাপত্তা বাহিনী পঠোৱাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি শেষত প্ৰস্তাৱটো আকৌ সমৰ্থন জনাই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীহেমন্ত কলিতা : অধ্যক্ষ মহোদয়, প্ৰস্তাৱটোৰ গাঠনি সম্পৰ্কত অলপ সলনি কৰিবলগীয়া আছে।

মাননীয় অধ্যক্ষ : এতিয়া সলনি নহয়।

★ শ্ৰীডেৰহাগ্ৰা মুছাহাৰী : মাননীয় অধ্যক্ষ মহোদয়, যিহেতুকে অসম খনত ভূমি পট্টনৰ ক্ষেত্ৰত আজি বহু বছৰ আগৰ নিয়ম মানি চলি থকা হৈছে, কিন্তু অসমৰ জনসংখ্যাৰ গাঠনি পৰিবৰ্ত্তন হৈছে। তাৰ ফলত বিভিন্ন অঞ্চলত আজি ২০ বছৰ আগতে য'ত হাবি বননি গছ-গছনি আছিল তাত ঘন বসতি হৈছে। ইয়াৰ ফলত গোটেই অসম জুৰি বিভিন্ন কাৰণত বৈধ অবৈধ ভাৱে খিলঞ্জিয়া লোক সকল অনায় বনাই ঘুৰি ফুৰিব লগা হৈছে। সেই কাৰণে আজি ইয়াত প্ৰস্তাৱ আনিব লগা হৈছে। যাতে যি লোক আজি অনাই বনাই ঘূৰি ফুৰিব লগা হৈছে সেই সকল লোকক কোনোবা এটা অঞ্চলত বসতি স্থাপন কৰিব পাৰে। আজি দেখা গৈছে সেই সকল লোকক আজি বন বিভাগে উচ্ছেদ কৰিছে। সেই মানুহ সকল অসমৰে বাসিন্দা, কিন্তু আজি তেওঁলোকে অনাচাৰ অবিচাৰ কৰা হৈছে। কেইগৰাকীমান বক্তাই দয়াং, ৰেংমা, শিশু পানী, গহপুৰ, দৰঙা ধেকিয়াজুলি আমথেকা আদি বনাঞ্চলত যিসকল লোকে কেইবা বছৰ আগতে বসতি স্থাপন কৰিছে সেই সকলকে,

★ Speech not corrected

বন বিভাগে উচ্ছেদ কৰিছে। মই কব খুজিছো যে গছ কিহৰ কাৰণে? গছ মানুহৰ কাৰণে। গতিকে আমি মানুহক প্ৰাধান্য দিব লাগে। য'ত মানুহ থাকিবলৈ স্থান নাই সেই এলেকা বিলাক বনাঞ্চল বুলি কৈ যদি মানুহ উচ্ছেদ কৰি থাকে তেনেহলে বন বিভাগৰ গছ গছনিৰ নিৰাপত্তা দিয়াটো সম্ভৱপৰ নহয়। হাবি বননিৰ নিৰাপত্তা মানুহে দিব লাগিব। গতিকে আমি চাব লাগিব যি সকল লোকে তাত বসবাস কৰি আছে তেওঁলোকক বন সম্পদৰ ৰক্ষনাবেক্ষনৰ দায়িত্ব দিব লাগিব। ফৰেষ্ট সম্পদ মেইনটেইন কৰিবলৈ হলে তাৰ লগত পাবলিক ইনভলভ হব লাগিব। যি সকল লোকে আজি শ্ৰীৰামপুৰৰ পৰা আৰম্ভ কৰি দয়াং, ৰেংমা, জোনাই আদি ঠাইত অনাই বনাই ঘূৰি ফুৰিছে আৰু ১৯৫৩ চনৰ পৰা যি সকলে দৰাং ৰেংমা আদি ঠাইত বসবাস কৰি আছে আজি তেওঁলোক কিয় অনাই বনাই ঘূৰি ফুৰিব লগা হৈছে। বনাঞ্চলত বসতি স্থাপন কৰিলে চৰকাৰে তেওঁলোকক উচ্ছেদ কৰে। গতিকে যি সকল লোকক বানপানীয়ে বিতাৰিত কৰিছে আৰু বানপিড়িত হৈ গড়াখহনীয়াত পৰি যি সকল লোক ভূমিহীন হৈছে তেওঁলোকক পুনৰ সংস্থাপন দিয়াটো চৰকাৰৰ দায়িত্ব আছিল। আজি অসমৰ দক্ষিন অঞ্চলত বানপানী আৰু উত্তৰ অঞ্চলত প্ৰবল গড়াখহনীয়াত মানুহ ভূমিহীন হৈ নিজৰ ঠাইৰ পৰা পলাব লগা হৈছে। লাখ লাখ জনসংখ্যা এই বানপানীত বিতাৰিত হৈছে। এই লোক সকলক চৰকাৰে চাব লাগিছিল; কিন্তু চোৱা নাই। বালিপাৰা ট্ৰাইবেল বেল্ট, ঢেকীয়াজুলি, চাৰি দুৱাৰ আদি ঠাইত তেওঁলোক সকলো বিলাক খিলঞ্জিয়া লোক। কিন্তু তেওঁলোক সকলৰ মতা মাইকী সকলোৰে ওপৰত অত্যাচাৰ কৰা হৈছে। গৰু-ছাগলী সকলো বয় বস্তু সিচৰিত হৈ গৈছে। ক'ৰ বস্তু কলৈ গৈছে খবৰ নাইকীয়া হৈ গৈছে। বন বিভাগে হওঁক বা ৰাজহ বিভাগে হওঁক তেওঁলোকক সোধ পোচ কৰিব লাগিছিল। কিয় মানুহ খিনি বৰাং সেই মানুহ খিনিৰ ওপৰত অত্যাচাৰ কৰিছে। এৰেষ্ট কৰি জেলত ভৰাইছে। উত্তৰ অঞ্চলৰ লোক সকল বানপানীত বিতাৰিত হৈ যেতিয়া ডিব্ৰুগড় অঞ্চলত বসবাস কৰিছিল তেতিয়া তাৰ মানুহ খিনিয়ে সেই মানুহ খিনিক চিনি নাপায় বাংলাদেশী বুলি কৈছে। তেনেকৈ শ্ৰীৰামপুৰ, বালিপাৰা, গহপুৰ, দয়াং, ৰেংমা অঞ্চলত তেওঁলোক বসবাস কৰিব লগা হৈছে। তেওঁলোকে বনাঞ্চল বিলাকত বসবাস কৰিবলৈ বাধ্য হৈছে। গতিকে তেওঁলোকক উচ্ছেদ কৰাটো চৰকাৰৰ মূখ্য উদ্দেশ্য হব নালাগে। সেই সকল লোকক

চৰ জমিনে চাতে কৰি কোনোবা এটা ঠাইত পুণৰসংস্থাপন কৰিব লাগে। অসমৰ বনাঞ্চল বা বনজ সম্পদ ভাৰত চৰকাৰে ৰক্ষনাবেক্ষণ নিদিয়ে। আমাৰ মানুহেই ৰক্ষনাবেক্ষণ দিব লাগিব। দয়াং, ৰেংমা বনাঞ্চল যেতিয়া ১৯৮০ চনত ৰেভিনিউ বিভাগে ডিৰিৰ্জাভ কৰিছিল তেতিয়াই যদি মানুহ খিনিক বোৰ্ডাৰ এৰিয়াত পুণৰ্স্থাপন দিলে হেতেঁন তেতিয়া হলে আজি নগা সকলৰ লগত আমাৰ কাজিয়া নহলহেতেঁন। এই খিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker : Now, It is almost 1-30 P. M. The Motion will be continued till next Private Members Day Business in due course. Now here is an announcement.

I have to announce the result of election to the Board of Management of Assam Agricultural University. The number of candidates being equal to the number of Members to be elected, the following Members have been declared elected unanimously to the Board of Management of Assam Agricultural University.

1. Shri Hemanta Kalita.
2. Shri Prabin Hazarika
3. Shri Abu Saleh Najmuddin.

Here is another announcement:

I inform the House that Hon'ble Member Shri Dilip Kumar Saikia raised the matter of serious flood erosion in the Dhemaji and North Lakhimpur Districts under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly on 11th December, 1996 on the floor of the House. Many Hon'ble Members participated in the discussion of the matter. Of course, the Hon'ble Minister Flood Control made a statement in reply to the points raised.

However, Hon'ble Member, Shri Saikia and others

requested the Speaker to send an All Party Delegation of the House to undertake on-the-spot study of flood affected areas of these districts under the leadership of the Speaker.

I have discussed the matter with most of the Hon'ble Members of all Legislature Parties/Groups of the House and also with the Hon'ble Flood Control Minister.

After a good deal of thought and after consideration of the grave situation of erosion and damage caused to the life and properties of the people and in order to assess the regular damage caused in these two districts and to suggest possible measures to control the erosion of flood for protection of life, properties and areas of these Districts, I propose to send an All Party Delegation of the House under the leadership of the Speaker, Assam Legislative Assembly to Dhemaji and Lakhimpur Districts.

The All Party Delegation will comprise with the following Hon'ble Members :

| | | |
|---|---|---|
| 1. | Speaker, Assam Legislative Assembly. | : Leader of the Delegation. |
| 2. | Shri Silvius Condpan, MLA and Leader of the Opposition, Assam Legislative Assembly | : |
| 3. | Shri Dilip Kumar Saikia, MLA | : Member |
| 4. | Shri Bharat Chandra Narah, MLA | : " |
| 5. | Shri Atul Bora, MLA | : " |
| 6. | Shri Keshoram Borah, MLA | : " |
| 7. | Shri Pradan Baruah, MLA | : " |
| 8. | Shri Prabin Hazarika, MLA | : " |
| 9. | Shri Munin Mahanta, MLA | : " |
| 10. | Shri Nizamuddin Khan, MLA | : " |

| | | |
|---|---|---|
| 11. Shri Derhagra Mushahari, MLA | : | Member |
| 12. Shri Sukhendu Sekhar Dutta, MLA | : | " |
| 13. Smti Pramila Rani Brahma MLA | : | " |
| 14. Shri Prabin Gogoi, MLA | : | " |
| 15. Shri Jagat Singh Ingti, MLA | : | " |
| 16. Dr. Deva Kanta Ramchiary, MLA | : | " |
| 17. Shri Sheikh Abdul Hamid, MLA | : | " |
| 18. Shri Hem Singh Tisso, MLA | : | " |
| 19. Shri Bhimananda Tanti, MLA | : | " |

The All Party Delegation will visit the flood affected areas of the Dhemaji and Lakhimpur Districts on 4th, 5th, 6th and 7th January, 1997.

All arrangement of this visit will be made by the Assembly Secretariat.

I request the Hon'ble Minister, Flood Control to pass directions / instructions to the Secretary and other officers of the Flood Control Department to extend all kinds of help to the Delegation to make the visit successful.

I hope, this has the approval of the House.

Shri Hitendra Nath Goswami : Mr. Speaker Sir, I earnestly request you to kindly include Majuli in the greater interest of the people.

Mr. Speaker : I have received the request of the House Committee on LOC stating that— "More and more irregularities and excess drawal in various Government

Departments have come to light and the Committee is examining all such serious irregularities."

The Committee will take some more time to complete its enquiry on illegal and irregular drawal of money in various Government Departments including the LOC Scam in the Veterinary and Animal Husbandry Department.

The Committee has requested me to grant extension of time for another six months upto 30th June, 1997.

Considering the gravity of the matter and the prayer of the Committee, I have granted extension of time for a period of six months upto 30th June, 1997 from the date of expiry of its term.

I, therefore, inform the House that the term of House Committee on LOC has been extended for another period of six months till 30th June, 1997.

I, hope this has also the approval of the House.

The House stands adjourned till 9 A. M. on 23-12-96.

## ADJOURNMENT

The House then stood adjourned at 1.33 P. M. till 9 A. M. on Monday, the 23rd December, 1996.

**D. Talukdar**

Secretary,
Assam Legislative Assembly

Dispur
The 21st December, 1996